www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এই জগতত তিনিবিধ প্ৰাণী অকাৰণতে বৈৰী হ'ব লগা হয়- পহু, মাছ আৰু সাধুলোক। - শ্ৰী মাধৱদেৱ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১৯৪ | সোমবাৰ | ১৮ মে', ২০২৬ চন | Volume/Year- I | Issue- 194 | Monday | 18th May, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

■ ৩১ অক্টোবৰলৈ পাহাৰৰ মাটি কটাত নিষেধাজ্ঞা জাৰি ■

# বাৰিষাৰ আগমন ! গুৱাহাটীত ভূমিস্খলনৰ আতংক

## পাহাৰবাসী শংকিত; ৩৯২টা ভূমিস্খলনপ্ৰৱণ এলেকা চিহ্নিত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ মে'** ঃ বাৰিষা আহিলেই উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম মুখ্য মহানগৰী গুৱাহাটীত কৃত্ৰিম বান আৰু ভূমিস্খলনৰ আশংকাই ডিঙিত লাগে। এইবাৰো প্ৰশাসনে পূৰ্বৰ দৰেই কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে, কিন্তু পাহাৰৰ কোঁচত বাস কৰা দৰিদ্ৰসকলে বাৰিষা মাহজোৰা আতংকৰ মাজেৰে দিন কটাবলগীয়া হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ অধীনত অহা ৩১ অক্টোবৰলৈকে মহানগৰীৰ পাহাৰীয়া অঞ্চল আৰু জলাশয়ৰ মাটি কটা সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে। এই নিৰ্দেশনামতে এতিয়াৰে পৰা কোনেও গুৱাহাটী মহানগৰীত পাহাৰৰ মাটি কাটিব নোৱাৰিব। অতি প্ৰয়োজনীয় নিৰ্মাণ কাৰ্যৰ বাবে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ (জিএমডিএ) আগতীয়া অনুমতি থকা ঠিকনাবোৰতেও ৩১ অক্টোবৰলৈকে ৬ পৃষ্ঠাত



কোটাৰ ৰতলাম ষ্টেচনৰ সমীপত থিৰুৱনন্তপুৰম-নিজামুদ্দিন ৰে'লত জুই

## ৰাজস্থানত চলন্ত ৰাজধানী এক্সপ্ৰেছত অগ্নিকাণ্ড; বিস্ফোৰণৰ ধ্বংস দুটাকৈ ডবা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ চলন্ত ৰে'লত পুনৰ সংঘটিত হ'ল ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। ৰাজস্থানৰ কোটা জিলাত ৰতলাম ষ্টেচন আৰু কোটা জংচনৰ মাজৰতী পথত ১২৪৩১ ডাউন ৬ পৃষ্ঠাত

চৰকাৰী বিভাগক খৰচ ৫০ শতাংশ হ্ৰাস কৰিবলৈ নিৰ্দেশ

# দেশত নহয় কোনো লকডাউন, কিন্তু সংকটৰ বাবে সাজু থকাটো প্ৰয়োজনীয় ঃ কিৰেন ৰিজিজু

□ লকডাউনৰ উৰাবাতৰি খণ্ডন □

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ পশ্চিম এছিয়াত চলি থকা যুদ্ধ আৰু অস্থিৰ পৰিৱেশৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক এক গুৰুত্বপূৰ্ণ আহ্বান জনাইছে। তেওঁ সকলোকে ইন্ধন সঞ্চয় কৰিবলৈ, অপ্ৰয়োজনীয় খৰচ কমাবলৈ আৰু ভয় খাই ৬ পৃষ্ঠাত

## হৰমুজ প্ৰণালীত ভাৰতীয় জাহাজৰ ওপৰত আক্ৰমণ অব্যাহত, ৰাষ্ট্ৰসংঘত ভাৰতৰ তীব্ৰ নিন্দা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ আমেৰিকা-ইজৰাইল-ইৰাণ সংঘাতৰ ফলত হৰমুজ প্ৰণালী এতিয়াও সম্পূৰ্ণৰূপে মুকলি হোৱা নাই। কিন্তু ভাৰতৰ জাহাজৰ বাবে এই গুৰুত্বপূৰ্ণ সামুদ্ৰিক পথ আংশিকভাৱে খোলা আছে। বিগত দিনবোৰত ভাৰতৰ পতাকাযুক্ত কেইবাখনো জাহাজ হৰমুজ প্ৰণালীৰ মাজেৰে যাত্ৰা কৰা দেখা গৈছে। তথাপি এই ৬ পৃষ্ঠাত

অসম ক্ষেত্ৰৰ কাৰ্যকৰ্তাৰ সৈতে বৈঠক RSS প্ৰধানগৰাকীৰ

# সুদৰ্শনালয়ত RSS প্ৰধানক সৌজন্যমূলক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

## দ্বিতীয়টো কাৰ্যকাল আৰম্ভ হোৱাৰ পাছতে প্ৰথম বৈঠক

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ মে'** ঃ দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে গুৱাহাটী মহানগৰীৰ বৰবাৰীস্থিত আৰএছএছৰ মুখ্য কাৰ্যালয় সুদৰ্শনালয়ত উপস্থিত হয়। তাতেই তেওঁ আৰএছএছৰ সৰ্বোচ্চ নেতা মোহন ভাগৱতক সাক্ষাৎ কৰে। ৭ পৃষ্ঠাত



## ৯২ হাজাৰৰ অধিক অমীমাংসিত গোচৰ দ্ৰুত নিষ্পত্তিৰ আশা

## উচ্চতম ন্যায়ালয়ৰ বিচাৰক সংখ্যা ৩৩ৰ পৰা ৩৮ গৰাকীলৈ বৃদ্ধি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰক সংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সিদ্ধান্তত দেওবাৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে অনুমোদন প্ৰদান কৰিছে। এই সিদ্ধান্ত অনুসৰি ৬ পৃষ্ঠাত



প্ৰতিৰক্ষা, খনিজ, ছেমিকণ্ডাক্টৰকে ধৰি একাধিক ক্ষেত্ৰত সহযোগিতা বৃদ্ধি

## ভাৰত-নেডাৰলেণ্ডৰ মাজত ১৭খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ সংযুক্ত আৰব আমিৰশ্বাহীৰ সফল যাত্ৰা সামৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেডাৰলেণ্ডত উপস্থিত হৈছে। একাধিক ইউৰোপীয় দেশ ভ্ৰমণৰ অংশ হিচাপে তেওঁ এই সপ্তাহত নেডাৰলেণ্ডত গুৰুত্বপূৰ্ণ দ্বি-পাক্ষিক বৈঠকত মিলিত হয়। শনিবাৰে প্ৰধানমন্ত্ৰী মোদী আৰু নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ মাজত অনুষ্ঠিত উচ্চস্তৰীয় বৈঠকৰ ৬ পৃষ্ঠাত

কয়াকুছিৰ এছিয়ান মিছন ইনষ্টিটিউটত অনুষ্ঠিত বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৰেশ-২০২৬

## ধৰ্মীয় সংখ্যালঘু লোকে সহযোগ নকৰিলে অসমীয়া দ্বিতীয় শ্ৰেণীৰ নাগৰিক হ'ব ঃ বসন্ত কুমাৰ গোস্বামী

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৭ মে'** ঃ অসম সাহিত্য সভাৰ উদ্যোগত আৰু 'চৰ-চাপৰি ভাষা-সাহিত্য-সংস্কৃতি উপ-সমিতি'ৰ সহযোগত কয়াকুছিৰ এছিয়ান মিছন ইনষ্টিটিউটত অনুষ্ঠিত বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাবেশ- ২০২৬ শীৰ্ষক অনুষ্ঠানত অংশ লয় সাহিত্য ৬ পৃষ্ঠাত



গুটেনবাৰ্গ বিমান বন্দৰত আদৰণি দেশখনৰ প্ৰধানমন্ত্ৰীৰ

## নেডাৰলেণ্ডছৰ পৰা ছুইডেনত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী



**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ পাঁচখন দেশৰ ইউৰোপ ভ্ৰমণৰ তৃতীয় পৰ্যায়ত দেওবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ছুইডেনত উপস্থিত হৈছে। দুদিনীয়া এই ভ্ৰমণ (১৭ আৰু ১৮ মে')ৰ বাবে ছুইডেনৰ আকাশমাৰ্গত ৬ পৃষ্ঠাত

৫ লাখ কোটিৰো অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি

# এডভাণ্টেজ আছাম ২.০ৰ অগ্ৰগতিৰ খতিয়ান মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ মে'** ঃ বিগত বৰ্ষৰ ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হৈছিল এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ। সেই দুদিনীয়া বিনিয়োগ সন্মিলনত দেশ-বিদেশৰ বহু বিনিয়োগকাৰী সমবেত হৈছিল। এডভাণ্টেজ ৬ পৃষ্ঠাত

## ভৰলুমুখৰ গছ কটা বিৰোধী আন্দোলন; অনিন্দিতা দাসৰ বিৰুদ্ধে আদালতৰ চমন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ মে'** ঃ গুৱাহাটীৰ ভৰলুমুখ অঞ্চলত গছ কটাৰ বিৰুদ্ধে গঢ়ি উঠা এক প্ৰতিবাদী আন্দোলনৰ সন্দৰ্ভত পঞ্জীয়নভুক্ত গোচৰ এখনিত বিশিষ্ট অধিবক্তা তথা পৰিৱেশ কৰ্মী অনিন্দিতা ৬ পৃষ্ঠাত

■ কংগ্ৰেছক মুছলীম লীগ আখ্যা বদৰুদ্দিন আজমলৰ ■

# নগাঁও লোকসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী হ'ব দেৱব্ৰত শইকীয়া ঃ আজমল




**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলে দেওবাৰে একাধিক চাঞ্চল্যকৰ মন্তব্য কৰি অসমৰ ৰাজনৈতিক মহলত চৰ্চাৰ সৃষ্টি কৰিছে। তেওঁ দাবী কৰে যে নগাঁও লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী হ'ব দেৱব্ৰত শইকীয়াই। লগতে কয় যে শইকীয়াই ৬ পৃষ্ঠাত

□ ১৫ মে'ত ২ টকা, দেওবাৰে ১ টকা বৃদ্ধি □

# ২৪ ঘণ্টাত দ্বিতীয়বাৰলৈ দিল্লীত চিএনজিৰ মূল্য বৃদ্ধি

## বিশ্বজুৰি খাৰুৱা তেলৰ মূল্য তীব্ৰভাৱে বৃদ্ধি পোৱা সত্বেও ভাৰতত পেট্ৰ'ল আৰু ডিজেলৰ মূল্যবৃদ্ধি সীমিত ঃ কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ মে'** ঃ মূল্যবৃদ্ধিৰ দপদপনিত দেশ জুৰি হাহাকাৰ। অত্যাৱশ্যকীয় দ্ৰব্যৰ পৰা আৰম্ভ কৰি নিত্য ব্যৱহাৰ্য সামগ্ৰী-ক'ত নুবাঢ়ে দাম? মূল্যবৃদ্ধি ৰোধ কৰাত চৰকাৰ ব্যৰ্থ বুলি সমালোচনা সত্বেও বিগত ২৪ ঘণ্টাত ৰাজধানী দিল্লীত দ্বিতীয়বাৰৰ বাবে ৬ পৃষ্ঠাত




# অসমতো লাউডস্পীকাৰত পাঁচবাৰ আজান নিষিদ্ধ কৰক ঃ বিজেপি বিধায়ক দিগন্ত কলিতা



'ধৰ্ম পবিত্ৰ, কিন্তু আনৰ অসুবিধা সৃষ্টি কৰা উচিত নহয়'

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ মে'** ঃ পশ্চিমবংগত ধৰ্মীয় প্ৰতিষ্ঠানত লাউডস্পীকাৰ ব্যৱহাৰৰ সাম্প্ৰতিক উন্নয়নৰ প্ৰসংগত ৬ পৃষ্ঠাত



## যোগ শিক্ষাৰ সম্প্ৰসাৰণ আৰু যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে যোগ অলিমপিয়াডৰ




**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ১৬ মে’ ঃ** যোগ শিক্ষাৰ সম্প্ৰসাৰণ আৰু যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে সমগ্ৰ দেশতে যোগ অলিমপিয়াডৰ আয়োজন কৰা হৈছে। ওদালগুৰি জিলাটো ওদালগুৰি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা জিলা ভিত্তিত যোগ অলিমপিয়াড ২০২৬ ৰ কালি সামৰণি পৰে। এই প্ৰতিযোগিতাত ওদালগুৰি জিলাৰ ৫০ খনৰো অধিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি যোগৰ বিভিন্ন আসন সমূহ প্ৰদৰ্শন কৰে। জিলা পৰ্যায়ৰ এই প্ৰতিযোগিতাখনৰ পৰা ৪ গৰাকী ছাত্ৰ-ছাত্ৰীক ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতালৈ বাছনিও কৰা হয়। অনুষ্ঠানৰ বটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি ওদালগুৰি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ গোবিন্দ মেধিয়ে যোগ শিক্ষাৰ সম্প্ৰসাৰণ আৰু যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ উদ্দেশ্যে অনুষ্ঠিত কৰা অলিমপিয়াডৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল অধিক লাভাম্বিত হ’ব বুলি উল্লেখ কৰে। এই অনুষ্ঠানত জিলাখনৰ বহু কেইখন শিক্ষানুষ্ঠানৰ শিক্ষাগুৰু সকল উপস্থিত থাকে।

**আমি নিজেই নিজৰ জীৱনৰ দায়িত্ব ল’ব লাগিব ঃ ড° দেৱজিৎ শইকীয়া**

## মাজুলী মহাবিদ্যালয়ত ড্ৰাগছ বিষয়ক সজাগতা সভা




**অসম বাৰ্তা, বনগাঁও, ১৬ মে’ ঃ** সমাজত মহামাৰীৰ ৰূপ ধাৰণ কৰা ধপাঁত জাতীয় সামগ্ৰী তথা ড্ৰাগছৰ আসক্তিৰ সম্পৰ্কে মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক সজাগ- সচেতন কৰাৰ উদ্দেশ্যে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আৰু মাজুলী মহাবিদ্যালয় ধপাঁত বিৰোধী কোষক সহযোগত ১৫মে শুক্ৰবাৰে এলানি সজাগতা মূলক কাৰ্যসূচী আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ধপাঁত বিৰোধী কোষৰ সমন্বয়ক সুৰেন চন্দ্ৰ দাসে মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনী আই পি এচ; মহাবিদ্যালয়ৰ অধ্যক্ষ ড°দেৱজিৎ শইকীয়া, জিলা ড্ৰাগছ বিৰোধী কোষৰ বিষয়া ৰূপম শইকীয়া প্ৰমুখ্য উপস্থিত বিশিষ্ট ব্যক্তিসকলক অংগবস্ত্ৰৰে আদৰণি জনায়। পদ্মকান্ত দেৱ গোস্বামী সভাকক্ষ’ত আয়োজিত কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই।’ সাম্প্ৰতিক সময়ত ৰঘুমলাৰ সদৃশ সামাজিক ব্যাধি হিচাবে চিহ্নিত হৈ পৰা ড্ৰাগছৰ প্ৰতি আশক্তি বৃদ্ধিত গভীৰ উদ্বেগ প্ৰকাশ কৰি উদ্বোধক তথা বিশিষ্ট শিক্ষাৱিদ গৰাকীয়ে কয় যে — “আমি নিজেই নিজৰ জীৱনৰ দায়িত্ব ল’ব লাগিব।” প্ৰত্যক্ষ বা পৰোক্ষভাৱে ড্ৰাগছ আশক্ত সকলে নিজৰ পৰিয়ালৰ লগতে সমাজক কিদৰে ক্ষতি কৰিছে তাৰ এক ব্যাখ্যা আগবঢ়োৱাৰ লগতে নিচাজাতীয় দ্ৰব্যৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখিবলৈ মহাবিদ্যালয়খনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে সকলোকে অৱগত কৰে। অনুষ্ঠানত মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰ্শিনীয়ে নিজৰ সাৰলীন বক্তৃতাত মাদ্ৰক দ্ৰব্যৰ সেৱনে স্বাস্থ্যৰ প্ৰতি ভাবুকি প্ৰদান কৰাৰ লগতে পথ দুৰ্ঘটনা, পৰিয়ালৰ মাজত সঘনাই সৃষ্টি হোৱা অশান্তিময় পৰিৱেশ আদিৰ দৰে অপ্ৰীতিকৰ পৰিস্থিতিৰে সমাজখনকে প্ৰদূষিত কৰে। সেয়েহে নিজে সজাগ হৈ পৰিয়ালৰ সদস্যসকলকো এই ক্ষেত্ৰত সজাগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত উপস্থিত মাজুলী জিলা ড্ৰাগছ বিৰোধী কোষৰ বিষয়া ৰূপম শইকীয়াই দৃশ্য-শ্ৰব্য মাধ্যমেৰে বক্তব্য আগবঢ়াই ড্ৰাগছ প্ৰতিৰোধৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক বিশেষ প্ৰশিক্ষণ দিয়াৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীক এই মহাব্যাধিৰ পৰা আঁতৰি থকাৰ পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি উপস্থিত ব্যক্তিসকলৰে মত-বিনিময় কৰে। অনুষ্ঠানত ড্ৰাগছৰ বিভীষিকাৰ বিষয়ে সকলোকে সজাগ কৰাৰ সংকল্প গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, জ্যেষ্ঠ অধ্যাপিকা গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, ড° অনন্যা বৰুৱা, ড° পল্লৱী দুৱৰা, ড° জুলি গগৈ, বিজয় টিমুং, আচাৰ্য মোহন দাস, ড° সুদৰ্শনা ফুকন, জাহ্নৱী বৰুৱা প্ৰমুখ্যে ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° জুলি গগৈয়ে আঁত ধৰা অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে জ্যেষ্ঠ অধ্যাপক সুৰেন চন্দ্ৰ দাসে।

**চম্পাক্ৰান্তি এক্সপ্ৰেছত জি আৰ পিৰ (GRP) তীব্ৰ অভিযান**

## বঙাইগাঁৱত ৩ কোটি টকাৰ সোণ জব্দ; ৰে’লৰ পৰা আটক আন্তঃৰাজ্যিক সৰবৰাহকাৰী

**অসম বাৰ্তা, বঙাইগাঁও, ১৬ মে’ ঃ** ৰাজ্যত পুনৰ উদ্ধাৰ হৈছে বৃহৎ পৰিমাণৰ অবৈধ সোণ। এইবাৰ বঙাইগাঁও ৰে’লৱে আৰক্ষীয়ে (GRP) চলোৱা এক তীব্ৰ অভিযানত জব্দ হৈছে প্ৰায় ৩ কোটি টকা মূল্যৰ বৃহৎ সোণৰ খিল। দিল্লী-ত্ৰিপুৰা সংযোগী চম্পাক্ৰান্তি এক্সপ্ৰেছ ৰে’লৰ পৰা আৰক্ষীয়ে এই বৃহৎ পৰিমাণৰ সোণখিনি উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গোপন সূত্ৰৰ পম খেদি বঙাইগাঁও জিলাৰ ৰে’লৱে আৰক্ষীয়ে চম্পাক্ৰান্তি এ’প্ৰেছত এক তালাচী অভিযান চলাইছিল। অভিযানকালত ৰে’লখনৰ এজন যাত্ৰীৰ গতি-বিধি সন্দেহজনক যেন লাগাত আৰক্ষীয়ে তেওঁক সোধা-পোছা কৰে আৰু তেওঁৰ বেগৰ পৰা এই বৃহৎ পৰিমাণৰ সোণখিনি জব্দ কৰে। আৰক্ষীৰ হাতত আটক হোৱা সৰবৰাহকাৰী জনক প্ৰবীন সিংহা ৰাও বুলি চিনাক্ত কৰা হৈছে। বৰ্তমান ধৃত ব্যক্তিজনক বঙাইগাঁও জিপিআৰ থানাত ৰাখি তীব্ৰ জেৰা চলাই থকা হৈছে। জব্দকৃত সোণখিনি প্ৰকৃততে ক’ৰ পৰা ক’লৈ নিয়া হৈছিল আৰু এই আন্তঃৰাজ্যিক সোণ সৰবৰাহকাৰী চক্ৰটোৰ সৈতে আন কোন কোন জড়িত আছে, সেই সন্দৰ্ভত আৰক্ষীয়ে বৰ্তমান তীব্ৰ তদন্ত অব্যাহত ৰাখিছে। ইমান বৃহৎ পৰিমাণৰ সোণ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## ৰূপহীহাটত বিলাসী বাহনসহ ১০ টাকৈ চোৰাং গৰু জব্দ

**অসম বাৰ্তা, ৰূপহীহাট, ১৬ মে’ ঃ** ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। আমবাগান আৰক্ষীয়ে আজি পুৱতি নিশা এক গোপন সূত্ৰৰ পম খেদি ফুটাকলংত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত এএছ-০১-ডি এম-৩৮৬৯ নম্বৰৰ এখন বিলাসী কিয়া চাৰিচকীয়া বাহনৰ পৰা ৪টা চোৰাং গৰু জব্দ কৰে। চোৰৰ দলটোৱে অমানবিয়ভাৱে গৰুৰ মুখ আৰু ভৰি বান্ধি আনিছিল। আৰক্ষী যোৱাৰ উমান পাই চোৰৰ দলটো গাড়ি এৰি পলায়ন কৰে। আৰক্ষীয়ে ফুটাকলংৰ আন অভিযানত আৰু ৬ টাকৈ চোৰাং গৰু জব্দ কৰে। আমবাগান আৰক্ষীয়ে গৰুসহ গাড়িখন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে।

## বড়িকাদণ্ডাৰ গণেশ ডেকাৰ ভঠেলি উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, বাগানপাৰা, ১৬ মে’ ঃ** নামনি অসমৰ জনজাতিৰ প্ৰচলিত এক ঐতিহ্যবাহী উৎসৱ হৈছে ভঠেলি উৎসৱ। যি ব’হাগ মাহত বাঁহ গছক দেৱতা ৰূপে পূজা অৰ্চনা কৰি অহা হৈছে। উৎসৱৰ দিনা গাঁওবাসীয়ে দুডাল বাঁহ গছক বুট, ফুল ৰঙীন কাপোৰ আদিৰে সজাই দেৱতাৰ ৰূপত আৰাধনা কৰি আহিছে। ভঠেলি উৎসৱ বিশেষকৈ কামৰূপ, নলবাৰী, দৰং আৰু বাক্সা জিলাত এই ধুমধামেৰে অনুষ্ঠিত কৰি আহিছে। বাক্সা জিলাৰ বড়িকাদণ্ডা গাঁৱৰ সকলোৰে জনাজাত গণেশ ডেকাৰ ভঠেলি উৎসৱ। প্ৰতিবছৰে ব’হাগ মাহৰ শেষৰ দিনা উলহ মালহেৰ ভঠেলি উৎসৱ উদ্‌যাপন কৰি অহা হৈছে। এই উদ্দেশ্যে যোৱা ১৫ মে’ত বড়িকাদণ্ডা গাঁৱৰ ৰাইজৰ সহায় সহযোগত নিজাববীয়াকৈ নিজ গাঁঠিৰ ধন খৰচ কৰি নিজ গৃহত বড়িকাদণ্ডা গাঁৱৰ গাঁও প্ৰধান প্ৰদীপ ডেকাই ভঠেলি উৎসৱ উদযাপন কৰি আহিছে। এসময়ত এই বড়িকাদণ্ডা গাঁৱৰ গাঁও প্ৰধান গণেশ ডেকাই বিগত ১৯৭৮ চনত এই ভঠেলি উৎসৱ উদযাপনৰ শুভাৰম্ভ কৰিছিল। পিতৃ গণেশ ডেকাৰ মৃত্যুৰ পিছত তেওঁৰ সুযোগ্য সন্তান তথা বড়িকাদণ্ডা গাঁৱৰ গাঁও প্ৰধান প্ৰদীপ ডেকাই আজিও পৰম্পৰাগত ভাৱে ৰাইজৰ সহায় সহযোগত নিজাববীয়াকৈ নিজ গাঁঠিৰ ধন খৰচ কৰি নিজ গৃহত ভঠেলি উৎসৱ উদযাপন কৰি আহিছে। এই উদযাপন কৰি অহা ভঠেলি উৎসৱ ৪৮ বছৰত ভৰি দিছে। এই ভঠেলি উৎসৱত মনোৰঞ্জনৰ বাবে আমন্ত্ৰণ জনায় অনা হৈছে নবস্তিৰ ৰামধেনু সাংস্কৃতিক দল, কান্দুলিমাৰাৰ বিহু হুঁচৰি দল, কেছেটে নৃত্য, বড়ো খেৰাই নৃত্যৰ লগতে মাদালটানাৰ নাগাৰা নাম দলক। এই আমন্ত্ৰিত সাংস্কৃতিক দল সমূহে গীত নৃত্য পৰিৱেশন কৰাৰ লগতে নাগাৰা নাম পৰিৱেশন কৰে। আয়োজক প্ৰদীপ ডেকাই ভঠেলি উৎসৱত ৰাইজৰ সহায় -সহযোগিতাত অতিশয় উৎসাহিত হৈ ৰাইজক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

**আইৰণমেন ট্ৰাইএথলন সম্পূৰ্ণ কৰা আটাইতকৈ দ্ৰুত অসমীয়া দীপন**

## আজাৰাৰ খেলুৱৈ দীপন মেধীৰ সাফল্য

**অসম বাৰ্তা, মিৰ্জা, ১৬ মে’ ঃ** বিশ্বৰ সন্মুখত ভাৰতক প্ৰতিনিধিত্ব কৰি অসমৰ পৰা আইৰণমেন ট্ৰাইএথলন সম্পূৰ্ণ কৰা আটাইতকৈ দ্ৰুত অসমীয়া হিচাপে পৰিগণিত হৈছে আজাৰাৰ খেলুৱৈ দীপন মেধী। আজাৰাৰ সেনা বিষয়া পবিত্ৰ মেধী আৰু তৰুবালা মেধীৰ একমাত্ৰ পুত্ৰৰ এই সাফল্যত উৎফুল্ল হৈ পৰিছে শুভাকাংক্ষী তথা আত্মীয় স্বজন। আইৰণমেন ট্ৰাইএথলন শীৰ্ষক বিশ্ববিখ্যাত সহনশীলতাৰ প্ৰতিযোগিতাত আছিল দক্ষিণ চীন সাগৰত ৩.৮ কিলোমিটাৰ মুক্তজল সাঁতোৰ, তাৰ পিছত ১৮০ কিলোমিটাৰ চাইক্লিং আৰু ৪২.২ কিলোমিটাৰ পূৰ্ণ মাৰাথন দৌৰ। ১৭ ঘণ্টাৰ ভিতৰত সকলো ইভেণ্ট সম্পূৰ্ণ কৰিব লাগিছিল উক্ত প্ৰতিযোগিতাত। কিন্তু সাতোৰ, দৌৰ আৰু চাইকেলিং সৰ্বমুঠ ১৩ ঘণ্টা ১১ মিনিট ২৩ চেকেণ্ডৰ ভিতৰতে



সফলতাৰে এই দুঃসাহসিক প্ৰতিযোগিতা সম্পূৰ্ণ কৰি বিশ্বজুৰি সন্মানিত “আইৰণমেন” উপাধি লাভ কৰিছে দীপন মেধীয়ে। উল্লেখ্য যে বিশ্বৰ অন্যতম কঠিন সাফল্য হিচাপে গণ্য কৰা হয় উক্ত সাফল্যক। ইয়াৰ আগতে, ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত আইৰণ মেন ৭০.৩ কলম্বো প্ৰতিযোগিতাও দীপন মেধীয়ে সম্পূৰ্ণ কৰি আটাইতকৈ দ্ৰুত অসমীয়া ক্ৰীড়াবিদ হিচাপে নতুন ইতিহাস গঢ়িছিল। আন্তঃৰাষ্ট্ৰীয় ট্ৰাইএথলন মঞ্চত দীপনৰ এই ধাৰাবাহিক সাফল্যই ভাৰতবৰ্ষ তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে বিশ্ব মঞ্চত উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰীড়াবিদসকলৰ উপস্থিতি অধিক শক্তিশালী কৰি তুলিছে। সমগ্ৰ অঞ্চলজুৰি ক্ৰীড়াপ্ৰেমী আৰু শুভাকাংক্ষীসকলে তেওঁৰ অধ্যৱসায়, শৃংখলা আৰু কঠোৰ পৰিশ্ৰমক ভূয়সী প্ৰশংসা কৰি এই সাফল্যক আগন্তুক প্ৰজন্মৰ ক্ৰীড়াবিদসকলৰ বাবে এক অনুপ্ৰেৰণা বুলি অভিহিত কৰিছে। ইফালে আজি স্বগৃহত খেলুৱৈ গৰাকীক শুভেচ্ছা জ্ঞাপন কৰে স্থানীয় ৰাইজ তথা শুভাকাংক্ষীয়ে।

**সুৰামুক্ত অসমৰ স্বাৰ্থত জিলা খনৰ আন আন বিধায়কক সৰৱ ভূমিকা গ্ৰহণ কৰাৰ আহ্বান সচেতন মহলৰ**

## গোলাঘাটৰ ৬৪খন বিলাতী সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বিৰোধিতা বিধায়ক বিশ্বজিৎ ফুকনৰ

**অসম বাৰ্তা, দেৰগাঁও, ১৬ মে’ ঃ** গোলাঘাট জিলাখনৰ বিভিন্ন অঞ্চলত ৬৪খনকৈ সুৰাৰ বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানক লৈ সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাই নহয় সৰুপথাৰ সমষ্টিত দিয়া অনুজ্ঞাপত্ৰ বাতিল কৰিবলৈকো দাবী জনাইছে। উল্লেখ্য যে, হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে বিগত ২০২৫ চনৰ ৭ এপ্ৰিলত এক গেজেট নটিফিকেচনৰ জৰিয়তে এই পূৰ্বতে থকা দেশীয় সুৰাৰ মহল সমূহক বিলাতী সুৰাৰ বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। গেজেট নটিফিকেচনত উল্লেখ কৰা অনুসৰি পত্ৰ নং ১৩৯৮৮০/১১৭০ অসম আৱকাৰী আইন ২০০০ চনৰ ধাৰা ৮৪ মৰ্মে প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি অসমৰ ৰাজ্যপালে ইয়াৰ দ্বাৰা প্ৰধান বিধি হিচাপে উল্লেখ কৰা অসম আৱকাৰী বিধি- ২০১৬ সংশোধন কৰিবলৈ কিছুমান নিয়ম প্ৰণয়ন কৰিছিল। সেই অনুসৰি পূৰ্বৰ দেশীয় সুৰা বিপনী সমূহত বিলাতী সুৰা বিক্ৰী কৰিব পৰাকৈ অনুজ্ঞাপত্ৰ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। অসম চৰকাৰৰ সিদ্ধান্ত অনুসৰি সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে গোলাঘাট জিলাৰ জিলা আয়ুক্ত গৰাকীয়ে ৬৪খন বিলাতী সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ স্বাক্ষৰ কৰাক লৈ সমগ্ৰ জিলাখনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গোলাঘাটৰ বিভিন্ন দল সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এনে সুৰা নীতি প্ৰচলন কৰি চৰকাৰে যুৱ প্ৰজন্মক নিশেষ কৰিব বিচাৰিছে বুলি অভিযোগ উত্থাপন কৰিছে। নতুন প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিব বিচৰা এনে কাৰ্যৰ বিৰুদ্ধে নতুন চৰকাৰে দায়িত্ব গ্ৰহণ কৰিয়েই এই অনুজ্ঞাপত্ৰসমূহ বাতিল কৰি চৰকাৰী সদিচ্ছা প্ৰদৰ্শন কৰিবলৈ বিভিন্ন পক্ষই দাবী উত্থাপন কৰাৰ লগতে অসম বিধানসভাৰ সৰুপথাৰ সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক বিশ্বজিৎ ফুকনেও চৰকাৰৰ সুৰা নীতিৰ বিৰোধিতা কৰাক লৈ সচেতন মহলে ব্যাপক প্ৰশংসা কৰিছে। গাঁৱে-ভূঞে মদৰ ব্যাপক প্ৰচলন কৰি সমাজখনক ধ্বংসৰ মুখলৈ ঠেলি দিব খোজা সুৰা নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী, মুখ্য সচিবলৈ পত্ৰ প্ৰেৰণ কৰি বিধায়ক বিশ্বজিৎ ফুকনে নজিৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি গোলাঘাট জিলাৰ আন সমষ্টিৰ বিধায়ক সকলোকে তেনেদৰে সৰৱ হ’বলৈ সচেতন দেৰগঞাই আহ্বান জনাইছে। অসমৰ যুৱসমাজৰ ভৱিষ্যত আৰু সুৰামুক্ত অসম গঢ়াৰ স্বাৰ্থত ১২৬গৰাকী বিধায়কেই বিশ্বজিৎ ফুকনৰ দৰে এনে সাহসী পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি সৰৱ চৰ্চা চলিছে। প্ৰশ্ন উঠিছে, স্বয়ং অসম চৰকাৰেই গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ বিশ্বজিৎ ফুকনৰ দৰে আনসকল বিধায়কৰ সাহস হ’ব নে? নে অত্যধিক ৰাজহ লাভৰ আশাত চৰকাৰৰ সুৰা নীতিকেই মানি ল’ব।

## ৬৮ সংখ্যক মাকুম কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱৰ সফল সামৰণি



**অসম বাৰ্তা, মাকুম, ১৬ মে’ ঃ** বৃহত্তৰ মাকুম অঞ্চলৰ ইতিহাস গৰকা বিহু খনে হৈছে মাকুম কেন্দ্ৰীয় ৰঙালী বিহু। এই মাকুম কেন্দ্ৰীয় ৰঙালী বিহুখনিত বহু লোকৰ শৈশৱ-যৌৱন ইত্যাদি ইত্যাদি জড়িত হৈ আছে। আৰম্ভণিৰ পৰাই মাকুম ৰঙালী বিহুখনে বিহু প্ৰেমী ৰাইজৰ মাজত যথেষ্ট সমাদৰ লাভ কৰি আহিছে। বৃহত্তৰ মাকুম অঞ্চলৰ ৰাইজৰ লগতে স্থানীয় ব্যৱসায়ী সকলে একত্ৰিত হৈ পূৰ্বৰ পৰাই বিহু খনি অনুষ্ঠিত কৰি আহিছে। তাৰ সমান্তৰালকৈ প্ৰতি বছৰৰ দৰে এই বছৰো মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ’ল ৬৮ সংখ্যক মাকুম কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত বিহুৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি হিমেশ্বৰ চেতিয়াই স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক উত্তম গোহাঁইয়ে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু গণ শিল্পী ৰাজীৱ শদিয়ালৈ স্মৰণ কৰি মাল্যৰ্পণ কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি পৰাগজ্যোতি কোচে। তাৰ পাছতেই উদ্‌যাপন সমিতিৰ শোভা যাত্ৰাৰ সম্পাদক শিৱা দাসৰ নেতৃত্বত অনুষ্ঠিত হোৱা অসমৰ অভিনেত্ৰী বৈভৱী গোস্বামীয়ে উদ্বোধন কৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভা যাত্ৰাখনিৰ আৰম্ভ হয়। প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ সাংস্কৃতিক শোভা যাত্ৰা খনিত ভকত বৃন্দৰ গায়ন বায়ন আদি কৰি প্ৰায় ৩৫টা দলৰ বিভিন্ন জাতি জনগোষ্ঠীৰ কলা-কৃষ্টি প্ৰদৰ্শন কৰাৰ লগতে মাকুম অঞ্চলৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ কলা-নৃত্য আদি প্ৰদৰ্শন কৰা হয়। পৰৱৰ্তী পৰ্যায়ত শ্ৰেষ্ঠ বিহুৱতী প্ৰতিযোগিতা, শ্ৰেষ্ঠ চেমনীয়া হুঁচৰি দল প্ৰতিযোগিতা, শ্ৰেষ্ঠ মৌ কুঁৱৰী প্ৰতিযোগিতা, বিহুনাম, ঢোল বাদন, পেঁপা বাদন, গগণা বাদন ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰি চৰাইদেউ সমন্বয় বিহু হুঁচৰি দলৰ দ্বাৰা হুঁচৰি প্ৰদৰ্শন কৰা হয়। তাৰপাছতেই সাংস্কৃতিক সন্ধ্যাত কণ্ঠশিল্পী কৃষ্ণমনি চুতীয়াই গীত পৰিৱেশন কৰি বিহুস্থলীৰ চৌপাশ মুখৰিত কৰি তোলে। দুদিনীয়াকৈ অনুষ্ঠিত হোৱা ৬৮ সংখ্যক মাকুম কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱখনি সাফল্যমণ্ডিত হোৱাত উদ্‌যাপন সমিতিৰ সভাপতি হিমেশ্বৰ চুতীয়া, সম্পাদক উত্তম গোহাঁইয়ে সংবাদ মাধ্যমৰ জৰিয়তে সকলো ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

## বকোত বগাইৰ উদ্যোগত নৱনিৰ্মিত জুবিন ক্ষেত্ৰত আইটিডিপি জৰিয়তে হাইমাচ লাইট স্থাপন

**অসম বাৰ্তা, বকো, ১৬ মে’ ঃ** ইতিহাস প্ৰসিদ্ধ কামৰূপ জিলাৰ বকোৰ বগাইৰ উদ্যোগত নিৰ্মাণ কৰা হৈছে অত্যাধুনিক ডিজাইনৰ জুবিন ক্ষেত্ৰ। এই জুবিন ক্ষেত্ৰত জনতাৰ হাৰ্টথ্ৰব, ঈশ্বৰ পুত্ৰ ক্ষ্যাত অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। দক্ষিণ কামৰূপ জিলাৰ সামাজিক-সাংস্কৃতিক আৰু ক্ৰীড়া সংগঠন বগাই’ৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত নিৰ্মাণ কৰা হৈছে জুবিন ক্ষেত্ৰ আৰু জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি। স্বেচ্ছাসেৱী সংগঠন বগাইৰ সভাপতি অৰ্জুন চেত্ৰী আৰু সম্পাদক হিৰণ্য পাঠক লগতে জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণ তথা সাংস্কৃতিক অনুষ্ঠান আয়োজক সমিতিৰ সভাপতি সংগীত বড়ো আৰু সম্পাদক সাৰাংগ পাটোৱাৰীয়ে জনোৱা অনুসৰি বকোত নৱনিৰ্মিত জুবিন ক্ষেত্ৰত পোহৰ বিলাবলৈ আজিৰ পৰা স্থাপন কৰা হৈছে সৌৰশক্তিৰ আধুনিক হাইমাচ লাইট। উল্লেখ্য যে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত সংহত জনজাতি উন্নয়ন প্ৰকল্প চমুকৈ আই টি ডি পিৰ উন্নয়ন পূজিৰে প্ৰকল্পৰ কামৰূপ জিলাৰ অধ্যক্ষ মহোন বড়োৰ জৰিয়তে লাভ কৰি স্থাপন কৰা হয়। ইফালে লাইটটো নাৰিকল ভাঙি আনুষ্ঠানিকভাৱে উন্মোচন কৰে অৰ্জুন ছেত্ৰীয়ে। হাইমাচ লাইট স্থাপন অনুষ্ঠানত বগাই সংগঠনৰ বহু সংখ্যক কাৰ্য্যকৰ্তই সহযোগ আগবঢ়ায়।

**শিক্ষাদান আৰু শিক্ষাগ্ৰহণ ব্যৱস্থাটো আনন্দদায়ক হ’ব লাগে ঃ কৃষ্ণ মহন্ত**

## বৰক্ষেত্ৰীৰ বামুণবড়ী হাইস্কুলত কৃতীমান শিক্ষাৰ্থীক অভিনন্দন অনুষ্ঠান

### সদ্য অৱসৰী শিক্ষক-কৰ্মচাৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, দৌলাশাল, ১৬ মে’ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বামুণবড়ী হাইস্কুলত আজি উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত কৃতীমান শিক্ষাৰ্থী আৰু সদ্য অৱসৰী শিক্ষক-কৰ্মচাৰীলৈ অভিনন্দন আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হৈ যায়। উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ সভাপতি জয়ন্ত কুমাৰ দাসৰ সভাপতিত্বত বামুণবড়ী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অস্থায়ী সভাকক্ষত অনুষ্ঠিত হয় সভাখন। মুগদি মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দ্বীপেন্দ্ৰ বৰ্মনে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতেই বামুণবড়ী হাইস্কুলৰ একাংশ ছাত্ৰীয়ে আধুনিক গীত পৰিৱেশ কৰে। ইয়াৰ পাছতেই উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত বিভিন্ন বিদ্যালয়ৰ কৃতীমান শিক্ষাৰ্থীসকলক অভিনন্দন জনায়। ২০২৬ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা ৭ গৰাকী কৃতীমানক অভিনন্দন জনায়। পৰীক্ষা পৰিষদৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মন আৰু দ্বীপেন্দ্ৰ বৰ্মনে পৰিচালনা কৰা অভিনন্দন অনুষ্ঠানটোত জনতা হাইস্কুল, ৰামপুৰৰ ক্ৰমে প্ৰণিমা আখতাৰ(৮৮.১৬ শতাংশ), চেলিমা পাৰবিন(৭৯.৬৬ শতাংশ), লাকী আহমেদ(৭৫.৮৪ শতাংশ), চোনিয়া চুলতানা(৮১.৬৬ শতাংশ),



কালদি গোপালথান হাইস্কুলৰ ক্ৰমে হৃষিকেশ বৰ্মন(৮৭.৯ শতাংশ), মহিদুল ইছলাম(৭৮.৫ শতাংশ) আৰু দৌলাশাল হাইস্কুলৰ ছাত্ৰী ফৰিদা আহমেদ(৭৫.৫ শতাংশ)ক গামোচা, কলম, মানপত্ৰ, কিতাপৰে অভিনন্দন জনায়। তদুপৰি উত্তৰ পশ্চিম বৰক্ষেত্ৰী মাধ্যমিক পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত বিভিন্ন বিদ্যালয়ৰ সদ্য অৱসৰী শিক্ষক-কৰ্মচাৰীকো বিদায় সম্বৰ্ধনা জনায়। কালদি গোপালথান হাইস্কুলৰ ক্ৰমে অৱসৰী বিদ্যালয়প্ৰধান চিত্তৰঞ্জন বৰ্মন, সহকাৰী শিক্ষক বীৰেণ দাস, মুগদি মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী সহকাৰী শিক্ষক ৰচিম আলী, লচিমা হাইস্কুলৰ ক্ৰমে অৱসৰী শিক্ষক আতোৱাৰ ৰহমান, চন্দেৰ আলী, লক্ষ্মীনাথ বেজবৰুৱা হাইস্কুলৰ শিক্ষক অশ্বিনী ৰয়, জনতা হাইস্কুল ৰামপুৰৰ সহকাৰী শিক্ষক হেমেন ভট্টাচাৰ্য, দৌলাশাল হাইস্কুলৰ অৱসৰী শিক্ষক ৰমনী নাথ, চৰ আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক চৌকাত আলীক গামোচা, জাপি, মানপত্ৰ, ধৰ্মগ্ৰন্থ আৰু কলমেৰে বিদায় সম্বৰ্ধনা জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নলবাৰী জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক কৃষ্ণ মহন্ত। মুকালমুৱাৰ জয়সাগৰস্থিত শংকৰ মাধৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কৃষ্ণ মহন্তই ভাষণ প্ৰসংগত কয় যে- শিক্ষক-কৰ্মচাৰীয়ে চাকৰিকালতে নিজৰ ভুল উপলব্ধি কৰিব পাৰিলে শিক্ষাৰ্থীসকল উপকৃত হয়, অৱসৰৰ পাছত সেই ভুল উপলব্ধি কৰিলে তেনে উপলব্ধি অৰ্থহীন। কৃষ্ণ মহন্তই ভাষণত পুনৰ কয় যে- শিক্ষাদান আৰু শিক্ষাগ্ৰহণ ব্যৱস্থাটো আনন্দদায়ক হ’ব লাগে। শ্ৰেণীকোঠাত আনন্দদায়ক পৰিৱেশ সৃষ্টি কৰি শিক্ষাৰ্থীসকলক শিক্ষা প্ৰদান কৰিব লাগে বুলিও কয় কৃষ্ণ মহন্তই। অনুষ্ঠানত অৱসৰী সম্বৰ্ধনা গ্ৰহণ কৰি শিক্ষক-কৰ্মচাৰীয়ে মনৰ অনুভৱ ব্যক্ত কৰে। দৌলাশাল হাইস্কুলৰ অৱসৰী শিক্ষক ৰমনী নাথে মনৰ অনুভৱ ব্যক্ত কৰি কয় যে- দায়িত্ব বুজি কৰ্ম সমাপন কৰিলে জীৱন সাৰ্থক হয়। অনুষ্ঠানটোত পৰীক্ষা পৰিষদৰ অন্তৰ্ভুক্ত ১৩খন বিদ্যালয়ৰ বিদ্যালয়প্ৰধানসকল উপস্থিত থাকে। বামুণবড়ী হাইস্কুলৰ সহকাৰী শিক্ষক জিয়াউৰ ৰহমানে শলাগৰ শৰাই আগবঢ়োৱাৰ পাছতেই অসম সংগীত পৰিৱেশনেৰে সভা সামৰণি পৰে।

# ওদালগুৰিত আন্তৰ্জাতিক ধাত্ৰী দিৱস উদ্‌যাপন; ৭ গৰাকী অৱসৰপ্ৰাপ্ত ধাত্ৰী সম্বৰ্ধিত

**বছৰৰ এটা দিন কামৰ পৰা আমাক ৰেহাই নিদিয়ে কিয়? ৰাজ্যিক সম্পাদিকা বুলুমা শইকীয়াৰ প্ৰশ্ন**

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ মে'** ঃ 'অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ একাংশ বৰমুৰীয়াই আন্তৰ্জাতিক ধাত্ৰী দিৱসৰ দিনটোত আমাক কামৰ বোজা জাপি দিয়ে কিয়? কিয় এই পবিত্ৰ দিনটো আমাক উদ্‌যাপন কৰিব নিদিয়ে? সদায় বগা সাজ পিন্ধি বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো দুৰ্গম ঠাইত গৈ চিকিৎসা সেৱা আগবঢ়োৱা ধাত্ৰী সকলক অন্তত ১২ মে'ৰ দিনটোত অলপ মুকলিমুৰীয়াকৈ থাকিবলৈ সুযোগ দিয়ক।'- এই ভাষ্য সদৌ অসম এ এন এম আৰু এল এইচ এচ সন্থাৰ সম্পাদিকা বুলুমা শইকীয়াৰ। ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত ওদালগুৰি জিলা ভিত্তিত ১২ মে'ত হোৱা ২০৬ সংখ্যক আন্তৰ্জাতিক ধাত্ৰী দিৱসৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত তেওঁ এইদৰে কয়। ওদালগুৰি জিলা এ এন এম আৰু এল এইচ এচ সন্থাৰ সম্পাদিকা অঞ্জনা দেৱী বসুমতাৰী আৰু ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ গোটৰ সম্পাদিকা সবিতা দৈমাৰীয়ে আঁত ধৰা এই সভাত ৰাজ্যিক সম্পাদিকা গৰাকীয়ে তৃণমূল পৰ্যায়ত কাম কৰা ধাত্ৰী সকল প্ৰাপ্য মৰ্যাদাৰ পৰা বঞ্চিত হৈ থকাত ক্ষোভ প্ৰকাশ কৰি কয়- 'গ্ৰাম্যাঞ্চলৰ স্বাস্থ্য সুৰক্ষিত নহ'লে দেশৰ স্বাস্থ্য কেতিয়াও সুৰক্ষিত নহয়।' অসমত ১৯২৬ চনত এ এন এম, ১৯৪৪ চনত জি এন এম, ১৯৭৭ চনত বিএচচি নাৰ্চিং প্ৰশিক্ষণ আৰম্ভ হোৱাৰ তথ্য দাঙি ধৰি তেওঁ কয়- 'বৰ্তমান ধাত্ৰী সকলে নিজৰ প্ৰাপ্য বিচাৰি ৰাজপথত আন্দোলন কৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক।' ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ গোটৰ সভানেত্ৰী বিনু দাসে উদ্দেশ্য ব্যাখ্যা আৰু জ্যেষ্ঠ ধাত্ৰী প্ৰেমী বসুমতাৰীয়ে উদ্বোধন কৰা এই সভাত সদৌ অসম এ এন এম আৰু এল এইচ এচ সন্থাৰ সভানেত্ৰী নিলু গগৈ, উপদেষ্টা মীনা বৈশ্য, সদস্যা নমিতা কলিতা, ওদালগুৰি জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মুক্তাৰ হুছেইন, ডাঃ ধ্ৰুৱজ্যোতি পাঠক, ডাঃ মুক্তামালা ব্ৰহ্ম, ডিপিএম নমেল সিং বৰগয়াৰী, ডিচিএম সঞ্জীৱ কুজুৰ, এন চি ডিৰ জিলা আঁচনি সমন্বয়ক চিৰিল মুচাহাৰী, জিলা তথ্য প্ৰবন্ধক মুনজ্যোতি কাশ্যপ, জিলা মিডিয়া বিশেষজ্ঞ মধুস্মিতা বৈশ্য, সত্যজিৎ তালুকদাৰ, বিপিএম ৰাজ ডনাল্ড মুচাহাৰী, ভাৰ্জিল শৰ্মা, জ্যেষ্ঠ চিকিৎসা পৰ্যবেক্ষক গণেশ দত্ত, অৱসৰপ্ৰাপ্ত এল এইচ এচ ৰীণা বৰা, সত্যপ্ৰিয়া হাজৰিকা, প্ৰণিতা বড়ো, পিপিএম বিলাত বসুমতাৰী, ওদালগুৰি জিলা এ এন এম আৰু এল এইচ এচ সন্থাৰ সভানেত্ৰী বিদুশ্ৰী ব্ৰহ্ম আদিকে ধৰি দুই শতাধিক লোক উপস্থিত থকা এই সভাত অৱসৰপ্ৰাপ্ত এল এইচ এচ মিনু দৈমাৰী, অৱসৰপ্ৰাপ্ত এ এন এম লাহেৰ বসুমতাৰী, ৰামিয়া মুণ্ডা, ইলি বসুমতাৰী, মীনা দলে, মামনী দাস, নিৰু গোস্বামীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত কলাইগাঁও চেক্টৰৰ ধাত্ৰী সকলে সমবেত সংগীত, বিশ্বমিত্ৰ মুচাহাৰী, ৰূপালীম সিনহা, ৰিজুমণি মেধি, পম্পী চহৰীয়া, হৰ্ষিতা কাকতি, ডাঃ বৈচুমী দৈমাৰী, সবিতা বসুমতাৰী, জয়ন্তী ডেকা, প্ৰণিতা ডেকা, গিৰিস্মিতা, গুণেশ্বৰী ৰাভা, যমুনা লামা, প্ৰণিতা কলিতাকে ধৰি কেইবাজনো ধাত্ৰীয়ে গীত নৃত্যৰে পৰিবেশ মুখৰিত কৰি তোলে। ইয়াৰ পূৰ্বে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মুক্তাৰ হুছেইনে পতাকা উত্তোলন, ওদালগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ প্ৰবীণা দেৱীয়ে বন্তি প্ৰজ্বলন কৰে।

**ৰাষ্ট্ৰীয় শিক্ষানীতি, কৃত্ৰিম বুদ্ধিমত্তা বিষয়ত বিদ্যায়তনিক মনোজ্ঞ আলোচনা**

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সভা

**অসম বাৰ্তা, জাঁজী, ১৬ মে'** ঃ শিৱসাগৰ জিলাৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগত দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ সহযোগত অসম কলেজ শিক্ষক সংস্থা, শিৱসাগৰ মণ্ডল আৰু সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰীৰ সংস্থা, শিৱসাগৰ জিলা সমিতিৰ বিশেষ সহযোগত দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৫ আৰু ১৬ মে' তাৰিখে দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সভা অনুষ্ঠিত হয়। এই আলোচনাৰ মূল বিষয় ৰাষ্ট্ৰীয় শিক্ষানীতি, শিক্ষাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ আৰু প্ৰাসংগিকতা আৰু গৱেষণা পদ্ধতি তথা প্ৰকল্প প্ৰস্তুতি। প্ৰথম দিনা শিৱসাগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী কাৰ্যসূচীত উদ্বোধক ৰূপে অংশগ্ৰহণ কৰে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰা আৰু অনুষ্ঠানৰ যুটীয়া সম্পাদক, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° ৰাজীৱ গগৈয়ে বিষয়বস্তু উপস্থাপন কৰা কাৰ্য্যসূচীত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই ভাষণ প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানত বীজ ভাষণ প্ৰদান কৰে অসম মহিলা বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিনোদ বৰাই আৰু বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে অসম কলেজ শিক্ষক সংস্থাৰ শিক্ষা সম্পাদক ড° ৰণ্টু গোঁহায়ে। দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি চিৰঞ্জিত গগৈয়ে বন্তি প্ৰজ্বলন কৰা, অধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ গগৈয়ে ব্যৱস্থাপনা কৰা আৰু ছাত্ৰী প্ৰিয়ম নন্দিনী ভৰালীয়ে লোকগীত পৰিবেশন কৰা কাৰ্য্যসূচীত শলাগৰ শৰাই আগবঢ়াই সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰীৰ সংস্থা, শিৱসাগৰ জিলা সমিতিৰ সম্পাদক কনক নেওগে। প্ৰথম আলোচনা সত্ৰত সমল ব্যক্তি ৰূপে অসম মহিলা বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° পাৰ্থপ্ৰতিম বৰা আৰু নবীন বৰদলৈ মহাবিদ্যালয়, যোৰহাটৰ অধ্যক্ষ ড° দিগন্ত কুমাৰ ফুকনে আৰু দ্বিতীয় আলোচনা সত্ৰত সমল ব্যক্তি ৰূপে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ভূপেন বৰুৱাই অংশগ্ৰহণ কৰে। প্ৰথম দিনাৰ কাৰ্যসূচীত শিৱসাগৰ জিলাৰ ৩০খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰে। দ্বিতীয় দিনা হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাই পুখুৰীৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ বৰা আৰু বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পংকজ হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা সভাত সমল ব্যক্তি ৰূপে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ৰাজীৱ গগৈ আৰু সহকাৰী অধ্যাপিকা ড° সান্ত্বনা দত্ত, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° পৰাগ ৰাজখোৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বহ্নিমান বৰুৱা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ৰাতুল দত্ত, সহকাৰী অধ্যাপক ড° কৌৰাংগ বৰগোহাঁই আৰু সহকাৰী অধ্যাপিকা ড° অংকিতা বৰা আৰু গড়গাঁও মহাবিদ্যালয় সহযোগী অধ্যাপক ড° ডিম্বেশ্বৰ দাসে অংশগ্ৰহণ কৰে। দ্বিতীয়দিনা বিয়লি ড° বিৰিঞ্চি কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সামৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ অৱসৰপ্ৰাপ্ত পৰিদৰ্শক তথা অসম মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন সচিব কমলজ্যোতি গগৈয়ে। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈ, এমট্ৰনৰ অতিৰিক্ত মহাপ্ৰবন্ধক আহিয়া হুচেইন, সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰীৰ সংস্থা, শিৱসাগৰ জিলা সমিতিৰ সভাপতি কৰুণা গগৈ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ শিৱসাগৰ আঞ্চলিক কাৰ্যালয়ৰ জিলা কাৰ্যক্ৰম বিষয়া গৌৰীশংকৰ বৰুৱা, দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ গগৈ উপস্থিত থকা সামৰণী অনুষ্ঠানত জাঁজী শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা আলোচনা সভাৰ যুটীয়া সম্পাদক ড° কৌৰাংগ বৰগোহাঁয়ে শলাগৰ শৰাই প্ৰদান কৰে। দ্বিতীয় দিনৰ কাৰ্য্যসূচীত শিৱসাগৰ জিলাৰ চৰকাৰী আৰু ব্যক্তিগত উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ পৰা ১০৩ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।




## মাকুম শুকানপুখুৰীত ৰে'লৰ খুন্দাত এজন লোকৰ মৃত্যু

**অসম বাৰ্তা, মাকুম, ১৬ মে'** ঃ আজি নিশা মাকুম শুকানপুখুৰীৰ সমীপৰ ৰে'ল লাইনত এক শোকাবহ ঘটনা সংঘটিত হয়। এখন চলন্ত ৰে'লৰ খুন্দাত এজন অচিনাক্ত লোকৰ মৃত্যু হয়। স্থানীয় লোকে ৰে'ল লাইনৰ কাষত ক্ষত-বিক্ষত অৱস্থাত লোকজনৰ মৃতদেহটো দেখা পাই তৎক্ষণাৎ ৰে'লৱে আৰক্ষীক খবৰ দিয়ে। নিশাই ৰে'লৱে আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃত দেহটো উদ্ধাৰ কৰি লৈ যায়। স্থানীয় ৰাইজৰ মতে লোকজনৰ কোনো পৰিয়ালবৰ্গ নাই আৰু অঘৰীৰ দৰে অঞ্চলটোত অনাই-বনাই ঘূৰি ফুৰিছিল।

# ৰূপহীহাটৰ জীয়ৰী শ্বাবানা ইয়াছমিনৰ আন্তঃৰাষ্ট্ৰীয় আইন প্ৰতিষ্ঠান Malik & people P. Cত সহযোগী অধিবক্তা হিচাপে নিযুক্তি

**অসম বাৰ্তা, ৰূপহীহাট, ১৬ মে'** ঃ ৰূপহীহাটৰ অসমীয়া জীয়ৰী শ্বাবানা ইয়াছমিনে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰূপহীহাটৰ নতুন বজাৰৰ শিৰাজুল ইছলামৰ কন্যা শ্বাবানা ইয়াছমিনৰ সাফল্যত উৎফুল্ল হৈ পৰিছে সমগ্ৰ জিলাখন। শ্বাবানা ইয়াছমিনে ২০২৫ বৰ্ষত ইউএছটিএমৰ পৰা সাংবিধানিক আৰু প্ৰশাসনিক আইনত বিশেষজ্ঞতা লাভ কৰাৰ পিছত এতিয়া আমেৰিকাৰ নিউয়ৰ্কত অৱস্থিত বিখ্যাত আন্তঃৰাষ্ট্ৰীয় আইন প্ৰতিষ্ঠান Malik & popiel P. C ত সহযোগী অধিবক্তা হিচাপে নিযুক্তি লাভ কৰিছে। নিযুক্তি লাভ কৰা মেধাবী অসমীয়া ছাত্ৰী গৰাকীয়ে ইতিমধ্যে চাকৰিত যোগাদান কৰিব। ৰূপহীহাটৰ শ্বাবানা ইয়াছমিনৰ এই বিশ্বমুখী যাত্ৰাৰ বতৰাই শৈক্ষিক মহলক উৎফুল্ল কৰি তুলিছে। বিশ্ব আইন জগতত বৃহৎ সফলতা অৰ্জন কৰা শ্বাবানাই যোগদানৰ আগমুহূৰ্তত আজি ৰূপহী জ্ঞান বিকাশ বিদ্যাপীঠৰ উদ্যোগত সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এক অনুষ্ঠানৰ আয়োজন কৰা হয়। জ্ঞান বিকাশ বিদ্যাপীঠত স্বত্বাধিকাৰী তথা অধিবক্তা শ্বাহিদুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত সভাত শ্বাবানা ইয়াছমিনক ফোলাম গামোছা, মান পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত কেইবাগৰাকী শিক্ষক সমাজ সচেতক ব্যক্তিয়ে ভাষণত শ্বাবানাৰ এই সাফল্যৰ ভাৰতৰ তথা অসমৰ উঠি অহা প্ৰজন্ম বিশেষকৈ ছাত্ৰী সমাজক প্ৰেৰণা যোগাব বুলি আশা প্ৰকাশ কৰি অভিনন্দন জনায়। আমেৰিকাৰ আন্তৰ্জাতিক আইন সংস্থাত যোগদান কৰিবলগীয়া ৰূপহী নতুন বজাৰৰ বাসিন্দা শিৰাজুল ইছলানৰ সুকন্যা শ্বাবানা ইয়াছমিনে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতেও মত বিনিময় কৰে। জীৱনত বিফলতা আহে, কিন্তু তেনে সময়ত বৈ দিব নালাগে। বৰঞ্চ প্ৰবল আত্মবিশ্বাসে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিলে সফলতা আহিব বুলি শ্বাবানা ইয়াচমিনে ভাষণত কয়। উল্লেখ্য যে মেঘালয়ৰ ইউএছটিএম ৰ পৰা এলএলএমৰ পৰা সোণৰ পদক লাভ কৰি শিক্ষা গ্ৰহণ কৰি ইমান দিন গুৱাহাটী উচ্চ ন্যায়ালয়ত আইনৰ অধ্যাৱসায়ত ব্ৰতী থকা শ্বাবানা ইয়াছমিনে শেহতীয়াকৈ এই সাফল্য অৰ্জন কৰি নিউয়ৰ্কলৈ যাবলৈ সাজু হৈছে। শ্বাবানা ইয়াছমিনৰ এই সফলতাত গৌৰৱান্বিত হৈ আজি তেওঁৰ পিতৃকো সম্বৰ্ধনা জনোৱা হয়। জ্ঞান বিকাশ বিদ্যাপিঠত অনুষ্ঠিত সম্ভৰ্ধনা সভাত শ্বাবানা ইয়াছমিনৰ পিতৃ শিৰাজুল ইছলাম, হাতীচোং কলেজৰ অধ্যাপক নেকিবুৰ ৰহমান, চিকিৎস আৰিফ আহমেদকে ধৰি বহু গণ্য মান্য লোক উপস্থিত থাকে।

**বিহু সম্ৰাট ৰঞ্জিত গগৈৰ বিহু নাচ আৰু যন্ত্ৰ বেণুৰ দ্বাৰা জুবিন গাৰ্গৰ গীত পৰিৱেশনে মন্ত্ৰমুগ্ধ কৰিলে কেবাসহস্ৰাধিক ৰাইজক**

# জুবিনময় যুৱ মঞ্চ, টংলাৰ ব'হাগী উৎসৱৰ সফল সামৰণি

## বিশ্বনাথ বিহুৱা দলৰ শ্ৰেষ্ঠ বিহু দলৰ খিতাপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৬ মে'** ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ একালৰ বাদ্যযন্ত্ৰী সতীৰ্থসকলৰ দ্বাৰা পৰিচালিত জনপ্ৰিয় বেণু যন্ত্ৰই হাজাৰ হাজাৰ বৃহত্তৰ টংলাবাসী ৰাইজক মন্ত্ৰ মুগ্ধ কৰিলে। যন্ত্ৰ বেণুৰ অন্যতম ৰাজা, পাৰ্থৰ লগতে কেবাগৰাকীও বাদ্যযন্ত্ৰ শিল্পীয়ে বাদ্য সংগত কৰা অনুষ্ঠানত জনপ্ৰিয় গায়ক ৰূপম ভূএগ্ৰাসহ অন্যান্য গায়ক গায়িকাই জুবিন গাৰ্গৰ বিভিন্ন গীত পৰিৱেশন কৰি জুবিন বিহীন প্ৰথম ব'হাগৰ ব'হাগী বিদায় ৰিক্ত হ'লেও জীপাল কৰি তোলে টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ। যুৱ মঞ্চ, টংলাই আয়োজন কৰা ২৯ সংখ্যক ব'হাগী উৎসৱৰ ৩১ বহাগৰ নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণীতে তেওঁলোকে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁলোকৰ সংগীতানুষ্ঠানৰ পূৰ্বে উদযাপন সমিতিয়ে বেণুৰ আটাইকেইগৰাকী কলা-কুশলীক ফুলাম গামোচা, মানপত্ৰ, নাহৰৰ পুলি, ফুলাম জাপিৰে বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে বিহু সম্ৰাট ৰঞ্জিত গগৈৰ বিহু দলেও মঞ্চত বিহু নাচ পৰিৱেশন কৰি অনুষ্ঠানটো সোণত সুৱগা চৰায়। পুৱতি নিশালৈকে জুবিন গাৰ্গৰ গীতৰে সোঁৱৰণ কৰা সংগীতানুষ্ঠানত টংলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মিণ্টু পাঠকে আঁত ধৰে। অনুষ্ঠানত বহাগী উৎসৱ উদযাপন সমিতিৰ যুটীয়া সম্পাদক দিগন্ত চহৰীয়াই ব'হাগী উৎসৱৰ আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰে। ওদালগুৰি জিলাৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান যুৱ মঞ্চ, টংলাৰ উদ্যোগত ১৩ মে'ৰ পৰা ১৫ মে'লৈকে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হৈছিল ২৯ সংখ্যক ব'হাগী উৎসৱ। প্ৰথম দিনা যুৱ মঞ্চ, টংলাৰ সভাপতি প্ৰবীণ হাজৰিকাই যুৱ মঞ্চৰ পতাকা উত্তোলন আৰু তাৰ পিছতে ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি অজয় ডেকাই বিহু পতাকা উত্তোলনৰে উক্ত তিনিদিনীয়া অনুষ্ঠানৰ শুভাৰম্ভণি কৰে। ইয়াৰ পিছত ৩০ গৰাকী যুৱ মঞ্চৰ সতীৰ্থৰ পবিত্ৰ স্মৃতিত উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক দিগন্ত চহৰীয়া আৰু ৰিংকু ডেকাই স্মৃতি তৰ্পণ কৰে। উক্ত অনুষ্ঠানত পৰিয়ালসহ যুৱ মঞ্চৰ বিষত ববীয়াও অংশগ্ৰহণ কৰে। উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি চৈয়দ আব্দুল মোছাব্বিৰে প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি অমিতাভ স্বৰ্গহাৰীয়ে শিশুৰ খেল-ধেমালি আৰু চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে। আবেলি বিশিষ্ট সাহিত্যিক ড° অঞ্জলি চক্ৰৱৰ্তীয়ে শিশু আৰু চেমনীয়াৰ একক বিহু নাচ প্ৰতিযোগিতা উদ্বোধন কৰে। ১৪ মেৰ' দ্বিতীয় দিনা আবেলি ৪ বজাত অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিটিচিৰ পাৰিষদ দিগন্ত বৰুৱাই উদ্বোধন কৰা মুকলি বিহুত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ওদালগুৰি জিলাৰ জিলা আয়ুক্ত জয় বিকাশ আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱা। অসমৰ আগশাৰীৰ কেইবাটাও বিহু দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত বিশ্বনাথ আঞ্চলিক বিহু দলে শ্ৰেষ্ঠ স্থান, বৰদৈচিলা বিহু দলে দ্বিতীয় স্থান, ব্ৰহ্মপুত্ৰ বিহু দলে তৃতীয় স্থান, ৰূপজ্যোতি আঞ্চলিক বিহু দলে চতুৰ্থ স্থান, মনালিছা গগৈ শ্ৰেষ্ঠ বিহুৱতী, লিজা ৰাজবংশী দ্বিতীয় শ্ৰেষ্ঠ বিহুৱতী, বিষ্ণু মালা শ্ৰেষ্ঠ বিহুৱা, নয়ন শ্ৰেষ্ঠ ঢুলীয়া, ভৈৰৱ ডেকা দ্বিতীয় শ্ৰেষ্ঠ ঢুলীয়া, মৃগাংক ডেকা শ্ৰেষ্ঠ পেঁপা বাদকৰ খিতাপ অৰ্জন কৰে। যুৱ মঞ্চই আয়োজন কৰা বহাগী উৎসৱত দাতা সকলৰ লগতে টংলা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক বিকন চন্দ্ৰ ডেকা, চিকিৎসক ডাক্তৰ দ্বীপজ্যোতি ৰাভা, বিশিষ্ট শিপিনী কবিতা বড়া, উদীয়মান খেতিয়ক অলংবাৰ মুছাহাৰী আৰু সৰ্প বান্ধৱ লাল সিঙক বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

# আজিৰে পৰা বিশ্বনাথ চাৰিআলিত পাৱাৰ গ্ৰীড কৰ্মচাৰী ইউনিয়ন(উত্তৰপূৱ সংমণ্ডল)ৰ ১৫ সংখ্যক সন্মিলনৰ শুভাৰম্ভ




**অসম বাৰ্তা, বিহালী, ১৬ মে'** ঃ বিশ্বনাথ জিলাৰ বাঘমাৰীস্থিত পাৱাৰ গ্ৰীডৰ প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে (১৬ আৰু ১৭ মে' ২৬) চিআইটিইউৰ অন্তৰ্ভুক্ত পাৱাৰ গ্ৰীড কৰ্মচাৰী ইউনিয়ন (উত্তৰপূৱ সংমণ্ডল)ৰ ১৫ সংখ্যক সন্মিলনৰ শুভাৰম্ভ হৈছে। আজি পুৱা ১০ বজাত লাল পতাকা উত্তোলন কৰে চিআইটিইউ সৰ্বভাৰতীয় সম্পাদক স্বদেশ দেৱৰায় আৰু পাৱাৰ গ্ৰীড ইউনিয়নৰ পতাকা উত্তোলন কৰে ইউনিয়নৰ সভাপতি প্ৰশান্ত শইকীয়া। এই সন্মিলনৰ প্ৰেক্ষাগৃহতে চাহ শ্ৰমিক নেতৃ ক্ৰমে শ্বহীদ সীতা মাৰাণ্ডী, নামলিন গুড়িয়া, মিছফা গুড়িয়া আৰু অনাবৃতা বাড়লাৰ সোঁৱৰণত শ্বহীদ দিৱস পালন কৰাৰ লগতে চিটুৰ অসম ৰাজ্যিক কমিটিৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক প্ৰয়াত অমল ঘোষ দস্তিদাৰৰ স্মৃতিত স্মৰণ সভাও অনুষ্ঠিত হৈ যায়। উত্তৰ পূৱ সংমণ্ডলৰ উপৰিও উড়িষ্যা, অন্ধ্ৰ প্ৰদেশ কে ধৰি বিভিন্ন ৰাজ্যৰ পৰা অহা প্ৰতিনিধি সকলক উদ্দেশ্য কৰি অভ্যৰ্থনা সমিতিৰ সভাপতি দীনেশ নায়কে আদৰণি ভাষণ প্ৰদান কৰে। চিটুৰ সৰ্বভাৰতীয় সম্পাদক স্বদেশ দেৱৰায়ে নিজৰ বক্তব্যৰ মাজেৰে সন্মিলনৰ শুভ উদ্বোধন কৰে। এই সন্মিলনতে চিটুৰ অসম ৰাজ্যিক কমিটিৰ সাধাৰণ সম্পাদক তপন শৰ্মাই অভিনন্দনমূলক বক্তব্য দাঙি ধৰে। বক্তা সকলে আন্তৰাষ্ট্ৰীয়, দেশীয় তথা ৰাজ্য পৰিস্থিতিৰ সম্পৰ্কে তথা কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰৰ শ্ৰমিক-কৰ্মচাৰী বিৰোধী নিতিৰ তীব্ৰ সমালোচনা কৰে। আৰু আগন্তুক দিনত চৰকাৰৰ এই নীতি পৰাস্ত কৰাৰ বাবে সকলো অংশৰ শ্ৰমিক-কৰ্মচাৰী ঐক্যবদ্ধ হৈ প্ৰতিৰোধ আন্দোলন গঢ়ি তোলাৰ আহ্বান জনায়। সন্মিলনত চিটুৰ ৰাজ্যিক নেতৃ সংগীতা দাস আৰু ABCMS ইউনিয়নৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰুয়েল চৰেঙ, চিটুৰ বিশ্বনাথ জিলাৰ সভাপতি পোপাল নেৱাৰ, সম্পাদক শিৱনাথ তাঁতী, শ্ৰমিক নেতা ধীৰেণ ভূমিজ, কৃষক নেতা দিলীপ বৰুৱা আৰু বিষ্ণু শৰ্মা, মহিলা নেতৃ দীপা দেৱী, মিনু দে, জানুকা দেৱী, নতুন সাহিত্য পৰিষদৰ পক্ষৰপৰা ধনেশ্বৰ বৰা, ৰামকৃষ্ণ দে, জানিৰাম দেকা, গণশিল্পী অতুল দাস, যুৱ ফেডাৰেচন আৰু ছাত্ৰ ফেডাৰেচনৰ জিলা নেতৃৰ উপৰিও অংগৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ জিলা নেতৃত্ব ও উপস্থিত থাকে।

# লখিমপুৰৰ চাউলধোৱাত গৰুসহ আটক অবৈধ গৰু সৰবৰাহকাৰী

**অসম বাৰ্তা, লীলাবাৰী, ১৬ মে'** ঃ লখিমপুৰ জিলাৰ অন্তৰ্গত চাউলধোৱাত আৰক্ষীয়ে এক নৈশ অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা ৯টাকৈ গৰুসহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আজি পুৱতি নিশা প্ৰায় ২: ১৫ বজাত লখিমপুৰ আৰক্ষী নেতৃত্বত চাউলধোৱা আৰক্ষীয়ে আউটপোষ্টৰ সমীপতে এক নিয়মীয়া তালাচী অভিযান চলাই আছিল। AS-21-AC-2383 পঞ্জীয়ন যুক্ত এখন বলেৰ' পিক-আপ বাহনক সন্দেহবশত ৰ'বলৈ সংকেত দিয়ে। আৰক্ষীৰ দলটোক দেখা মাত্ৰকেই বাহনখনে তীব্ৰ গতিৰে পলায়নৰ চেষ্টা কৰে। কিন্তু, আৰক্ষীৰ দলটোৱেও বাহনখনৰ পিছ লয় আৰু অৱশেষত পাৰঘাটৰ ওচৰত বাহনখন আগচি ধৰি ৰখাবলৈ সক্ষম হয়। আৰক্ষীৰ হাতৰ পৰা বাচিবলৈ বাহনখনৰ চালকজনে পথৰ কাষতে গাড়ীখন ৰাখি দৌৰি পলাই যাবলৈ চেষ্টা চলাই যদিও, আৰক্ষীয়ে তৎপৰতাৰে সৰবৰাহকাৰীক কৰায়ত্ত কৰে। পৰৱৰ্তী সময়ত বাহনসহ ধৃত যুৱকজনক চাউলধোৱা আউটপোষ্টলৈ লৈ অহা হয় আৰু জব্দ বলেৰ পিক-আপ বাহনখনত ৯ টাকৈ গৰু অবৈধভাবে সৰবৰাহ আৰু অমানৱীয়ভাৱে বান্ধি ৰখা হৈছিল। অতি অমানৱীয় আৰু দুৰ্দশাগ্ৰস্ত অৱস্থাত কঢ়িয়াই অনা পশুবোৰৰ মূৰ আৰু ঠেংসমূহ ৰঙা পিয়াঁজৰ বস্তা আৰু ৰছীৰে টানকৈ বান্ধি ৰখা হৈছিল। যাৰ ফলত প্ৰতিটো পশুৰ শৰীৰত গুৰুতৰ আঘাতৰ চিন স্পষ্ট হৈ পৰিছে। আৰক্ষীৰ জিম্মাত থকা সৰবৰাহকাৰীজন নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত বৰমা বিলগাঁৱৰ আব্দুল হুছেইনৰ পুত্ৰ ছাদ্দাম হুছেইন (২৮) বুলি চিনাক্ত কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে 'পশু ত্ৰুৰতা প্ৰতিৰোধ আইন'ৰ অধীনত গোচৰ ৰুজু কৰি ঘটনাৰ সৈতে জড়িত অন্য চক্ৰৰ সন্ধানত অধিক তদন্ত অব্যাহত ৰাখিছে। বিশেষ সূত্ৰে জানিব পৰা মতে অবৈধ গৰু সৰবৰাহৰ কৰা বাহনখনত থকা দুজনমান সৰবৰাহকাৰী পলাই যাবলৈ সক্ষম হয়।

# নাগ্ৰীজুলি বজাৰত সমূহীয়াকৈ গছপুলি বিতৰণ কাৰ্যসূচী

**অসম বাৰ্তা, বাগানপাৰা, ১৬ মে'** ঃ বাক্সা উপ বন বিভাগৰ উদ্যোগত আৰু নাগ্ৰীজুলি ২ নং বগৰীখুটি বনাঞ্চলৰ সহযোগত অমৃত বৃক্ষ আন্দোলনৰ অংশ হিচাপে ১৬ মে'ত নাগ্ৰীজুলি বজাৰত গছপুলি বিতৰণ কৰা হয়। এই গছপুলি বিতৰণ অনুষ্ঠানত বগৰীখুটি বন ভাৰপ্ৰাপ্ত বিষয়া সমৰজ্যোতি বড়ো, বিশিষ্ট সমাজকৰ্মী ৰাম বাসতোলা, ভিচিডিচিৰ অধ্যক্ষৰাজীৱ চৌধুৰী উপস্থিত থাকে। এই গছপুলি বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰে বিশিষ্ট কাৰ্যবাহী সদস্য লক্ষ্মী দাসে। কুমাৰীকাটা বনাঞ্চল, বগৰীবাৰী বনাঞ্চল, নাগ্ৰীজুলি বনাঞ্চল আৰু গয়বাৰী ছয়পত্ৰী ফাউণ্ডেশ্যনৰ স্বেচ্ছাসেৱী সংগঠন সমূহে যৌথভাবে গছপুলি বিতৰণ অনুষ্ঠানত সহযোগিতা আগবঢ়ায়। উল্লেখযোগ্য যে প্ৰকৃতিপ্ৰেমী মাধৱ ছেত্ৰীৰ নেতৃত্বত এই কাৰ্য সম্পন্ন কৰা হয়।

# ১৭ নং সৃজনগ্ৰাম সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক নুৰুল ইছলামে সমষ্টিৰ বিভিন্ন গাঁৱত পৰিদৰ্শন

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ মে'** ঃ ১৭নং সৃজনগ্ৰাম সমষ্টিৰ কংগ্ৰেছৰ নৱনিৰ্বাচিত বিধায়ক নুৰুল ইছলামে সমষ্টিটোৰ বিভিন্ন গাঁৱ পৰিদৰ্শন কৰি ৰাইজৰ সৈতে মত বিনিময় কৰে। এই সময়ত তেওঁ স্থানীয় সমস্যাসমূহৰ বিষয়ে অৱগত হয় আৰু উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োজনীয় গ্ৰহণৰ আশ্বাস দিয়ে। কংগ্ৰেছৰ নৱনিৰ্বাচিত বিধায়ক নুৰুল ইছলামে সৃজনগ্ৰাম সমষ্টিৰ বিভিন্ন অঞ্চলত উপস্থিত হৈ সাধাৰণ ৰাইজৰ সৈতে মুখামুখি আলোচনা কৰে। গাঁওসমূহত উপস্থিত হৈ তেওঁ পথ-ঘাট পানী যোগান, স্বাস্থ আৰু শিক্ষা খণ্ডৰ বিভিন্ন সমস্যাৰ বিষয়ে ৰাইজৰ সৈতে মত বিনিময় কৰে। ৰাইজৰ সমস্যাসমূহ অগ্ৰাধিকাৰ ভিত্তিত সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে বিধায়কগৰাকীয়ে। লগতে সমষ্টিটোৰ সামগ্ৰিক উন্নয়নৰ বাবে সকলোকে একেলগে আগবাঢ়ি অহাৰ বাবে আহ্বান জনায়। এই মত বিনিময় কাৰ্য্যসূচীত স্থানীয় গণ্যমান্য ব্যক্তি, দলীয় কৰ্মী আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকে। সমষ্টিৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লক্ষ্যৰে নৱনিৰ্বাচিত বিধায়কৰ এই গাঁও পৰিদৰ্শন আৰু ৰাইজৰ সৈতে মত বিনিময় কাৰ্য্যসূচীয়ে স্থানীয় লোকসকলৰ মাজত যথেষ্ট সহাঁৰি লাভ কৰে।

## সম্পাদকীয়

# ভোটৰ জোৱাৰ

২০২৬ চনৰ মাৰ্চৰ পৰা মে' মাহৰ ভিতৰত অসম, পুদুচেৰী, তামিলনাডু, পশ্চিমবংগ আৰু কেৰালাত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ যিদৰে আকাশচুম্বী হৈছে, তাৰ পৰিসংখ্যাই ৰাইজক একে সময়তে উৎসাহিত আৰু আশ্চৰ্যবাক্য কৰি তুলিছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, পশ্চিমবংগত ৯৩.৭১ শতাংশ ভোটদান দেশৰ নিৰ্বাচনী ইতিহাসতে অভিলেখ। অসমত ৮৬.৩৩ শতাংশ, পুদুচেৰীত ৯১.১৯ শতাংশ আৰু তামিলনাডুত ৮৬.০৩ শতাংশ ভোটদানে প্ৰমাণ কৰে যে ৰাজ্যৰ সাধাৰণ নাগৰিক সজাগ হৈ উঠিছে। স্বাধীনতাৰ পিছত এই ৰাজ্য কেইখনত ভোটদানৰ হাৰ সৰ্বাধিক হোৱাটো গণতন্ত্ৰৰ বাবে নিশ্চয় শুভ লক্ষণ। তথাপি এই উৎসৱমুখৰ পৰিসংখ্যাৰ মাজেৰে কিছুমান প্ৰশ্নই সুস্থ সন্দেহৰ সৃষ্টি কৰিছে।

প্ৰথম প্ৰশ্ন— হঠাতে ইমান বৃদ্ধি কিয়? ২০২১ চনৰ তুলনাত অসম, পশ্চিমবংগ আদিত ভোটদান ৫-৭ শতাংশ বৃদ্ধি পোৱাৰ কাৰণ কি? ৰাজনৈতিক দলসমূহে অধিক সচেতনতা সৃষ্টি কৰিছে নে ভোটাৰৰ অধিকাৰ সচেতনতা বাঢ়িছে? নে ইয়াৰ আঁৰত ভোট কেন্দ্ৰত 'হোম ভোটিং', 'অনলাইন ভোটিং' আদিৰ দৰে নতুন ব্যৱস্থাই সহায় কৰিছে? নিৰ্বাচন আয়োগে এই প্ৰশ্নৰ স্পষ্ট উত্তৰ দিয়াটো প্ৰয়োজন। দ্বিতীয় উদ্বেগজনক বিষয়— কেৰালাত ভোটদানৰ হাৰ হ্ৰাস পাই ৭৯.৫৩ শতাংশ হয়। ১৯৬০ চনত ৮৫ শতাংশ ভোট পৰা শিক্ষিত কেৰালাই আজি কিয় পিছপৰি আছে? উচ্চ শিক্ষাৰ হাৰ বৃদ্ধি পোৱা সময়ত ৰাজনৈতিক অংশগ্ৰহণ কমি যোৱাটোৱে প্ৰমাণ কৰে যে শিক্ষা আৰু ভোটদানৰ মাজত সদায় ধনাত্মক সম্পৰ্ক নাথাকে। আনকি কেৰালাত বহুতে এতিয়া 'ভোট নিদিয়া আন্দোলন'ৰ কথাও কৈ ফুৰে— এই দৃষ্টিভংগী গভীৰভাৱে নিৰীক্ষণ কৰিবলগীয়া। তৃতীয় আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন— ভোটাৰ তালিকাৰ বিশালতা আৰু স্বচ্ছতা। অসমত ১৯৬১ চনত ২৪.৪৮ লাখ ভোটাৰ আছিল; আজি সেয়া ২.১৬ কোটিৰো অধিক। পশ্চিমবংগত ১৯৫১ চনৰ ৭৬.৩৫ লাখৰ পৰা ২০২৬ চনত ৬.৩৮ কোটি। ইমান বৃহৎ সংখ্যক ভোটাৰৰ ভোট নিৰাপদ আৰু সঠিকভাৱে গণনা হয় নে? সাধাৰণ মানুহে প্ৰায়ে কয়— "আমাৰ গাঁৱত এজন মৃত লোকৰ নাম দহ বছৰ ধৰি ভোটাৰ তালিকাত আছে। তেওঁ কেনেকৈ ভোট দিয়ে?"

ইয়াৰ লগতে, নিৰ্বাচন আয়োগে 'নটা' (NOTA) আৰু বাতিল ভোটৰ সংখ্যা প্ৰকাশ নকৰাটোৱে চকুত লগা দোষ। পূৰ্বৰ নিৰ্বাচনত দেখা গৈছে যে উচ্চ ভোটদানৰ মাজতো NOTAৰ সংখ্যা বৃদ্ধিয়ে প্ৰাৰ্থীৰ প্ৰতি অসন্তোষৰ ইংগিত দিয়ে। কিন্তু এইবাৰ সেই তথ্য গুপুত ৰখাটোৱে নিৰ্বাচনী স্বচ্ছতাৰ ওপৰতে প্ৰশ্ন তুলিছে। উল্লেখ্য যে ত্ৰিপুৰা, নাগালেণ্ড আদি ৰাজ্যই ইতিমধ্যে ৯০ শতাংশৰ ওপৰত ভোটদানৰ ৰেকৰ্ড গঢ়িছে। সেই দৃষ্টিৰে অসম আৰু তামিলনাডুৰ ৮৬ শতাংশ সন্তোষজনক যদিও ইয়াক উৎসৱ বুলি নাভাবি সজাগতাৰ অভিযান আৰু শক্তিশালী কৰিব লাগিব। কাৰণ উচ্চ ভোটদানৰ মাজেও বহু সময়ত ভোট কেন্দ্ৰত দীৰ্ঘ অপেক্ষা, প্ৰতিকূল পৰিৱেশৰ অভিযোগ সততে শুনা যায়।

শেষত, নিৰ্বাচন আয়োগে যিমানেই ভোটদান বৃদ্ধিৰ কৃতিত্ব দাবী কৰক নকৰক, প্ৰয়োজন হৈছে ভোটাৰ তালিকা নিয়মিতভাৱে পৰিষ্কাৰ কৰা, মৃত ভোটাৰৰ নাম তৎকাল আঁতৰোৱা, ভোট কেন্দ্ৰত কেমেৰাৰ ব্যৱস্থা কঠোৰ কৰা, আৰু NOTA-সহ সমগ্ৰ পৰিসংখ্যা ৰাজহুৱা কৰা। তেতিয়াহে সাধাৰণ নাগৰিকে নিজৰ ভোট প্ৰকৃততে 'মূল্যৱান' বুলি অনুভৱ কৰিব। ভোটৰ হাৰ বৃদ্ধি মানে গণতন্ত্ৰ বিজয়ী— এই সাধাৰণ সূত্ৰটো যাতে আমি চক মুদি বিশ্বাস নকৰোঁ, সদায় প্ৰশ্ন কৰি যোৱাটোৱেই সজাগতাৰ চিন।

# নিটৰ অনিশ্চয়তাই কোঙা কৰা এচাম তৰুণ প্ৰজন্ম



চন্দন কুমাৰ নাথ




ভাৰতবৰ্ষৰ দৰে এখন বিশাল দেশত শিক্ষা আৰু সংস্থাপনৰ প্ৰশ্নটো কেৱল ব্যক্তিগত সফলতাৰ সৈতে জড়িত নহয়, ই সমাজৰ এক গভীৰ আৱেগিক আৰু আৰ্থ-সামাজিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। বিশেষকৈ চিকিৎসা বিজ্ঞানৰ দৰে সন্মানীয় বৃত্তিত ভৰি দিবলৈ হ'লে মেধাৰ যি অগ্নিপৰীক্ষা দিব লাগে, তাৰ নাম হ'ল 'নিট' (NEET)। প্ৰতি বছৰে লক্ষ লক্ষ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শৈশৱৰ হেঁপাহ আৰু পৰিয়ালৰ সপোন বুকুত বান্ধি এই পৰীক্ষাত বহে। কিন্তু বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা (NTA)ৰ দ্বাৰা পৰিচালিত এই পৰীক্ষাক কেন্দ্ৰ কৰি যি অভাৱনীয় কেলেংকাৰী, প্ৰশ্নকাকত ফাদিল আৰু প্ৰশাসনিক বিসংগতিৰ খবৰ পোহৰলৈ আহিল, সি কেৱল আমাৰ শিক্ষাব্যৱস্থাৰ ফোঁপোলা স্বৰূপটোকেই উদঙাই দিয়া নাই, বৰঞ্চ দেশৰ লাখ লাখ তৰুণ প্ৰজন্মৰ ভৱিষ্যতক এক অনিশ্চিত অন্ধকাৰলৈ ঠেলি দিছে। সজাগ নাগৰিক হিচাপে মই অনুভৱ কৰোঁ যে এইয়া কেৱল এটা পৰীক্ষাৰ ব্যৰ্থতা নহয়, এইয়া এক প্ৰতিষ্ঠানিক নৈতিকতাৰ স্খলন।

প্ৰথমতে, আমি ২০২৪ চনৰ পৰা আৰম্ভ হোৱা সেই ভয়াৱহ বিসংগতিসমূহৰ ফালে চকু দিলে দেখা পাওঁ যে নিটৰ ফলাফলত যি অস্বাভাৱিক নম্বৰৰ স্ফীতি ঘটিল, সি সকলোকে স্তম্ভিত কৰি তুলিছিল। একেটা পৰীক্ষা কেন্দ্ৰৰ পৰাই একাধিক শিক্ষাৰ্থীয়ে ১০০ শতাংশ নম্বৰ লাভ কৰা, অথবা সময় হেৰুওৱাৰ দোহাই দি ৰহস্যজনকভাৱে 'গ্ৰেচ মাৰ্ক' প্ৰদান কৰা কাৰ্যই এনটিএ-ৰ স্বচ্ছতাক লৈ ডাঙৰ প্ৰশ্নচিহ্ন থিয় কৰাইছিল। পাটনা বা হাজাৰীবাগৰ দৰে ঠাইত প্ৰশ্নকাকত ফাদিলৰ যি তথ্য চিবিআইৰ তদন্তত পোহৰলৈ আহিল, সি প্ৰমাণ কৰিলে যে এই কেলেংকাৰীৰ শিপা বহুত গভীৰলৈ বিয়পি আছে। যদিও উচ্চতম ন্যায়ালয়ে সমগ্ৰ দেশজুৰি পুনৰ পৰীক্ষা পতাৰ নিৰ্দেশ নিদিলে, তথাপিও আদালতৰ পৰ্যবেক্ষণত এইটো স্পষ্ট হ'ল যে ব্যৱস্থাটোত যি ছিদ্ৰৰ সৃষ্টি হৈছে, তাক অতি সোনকালে মেৰামতি নকৰিলে দেশৰ মেধাৰ ওপৰত ৰাইজে আস্থা হেৰুৱাই পেলাব। এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত যি মানসিক প্ৰভাৱ পেলাইছে, তাক শব্দৰে বৰ্ণনা কৰা কঠিন। নিটৰ দৰে এটা কঠিন পৰীক্ষাৰ বাবে এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ জীৱনৰ দুবছৰ বা তিনিবছৰ সম্পূৰ্ণৰূপে উৎসৰ্গা কৰে। তেওঁলোকে কোটা বা স্থানীয় কোচিং চেণ্টাৰসমূহৰ সৰু সৰু কোঠাত আবদ্ধ হৈ দিনে-নিশাই কেৱল কিতাপৰ মাজত ডুবি থাকে। এই নিৰন্তৰ সাধনাৰ অন্তত যেতিয়া তেওঁলোকে শুনে যে প্ৰশ্নকাকত কেইবালাখ টকাত বিক্ৰী হৈছে বা প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে পৰীক্ষা বাতিল কৰা হৈছে, তেতিয়া তেওঁলোকৰ মাজত যি নিৰাশাৰ সৃষ্টি হয়, সি মৰ্মান্তিক। ছাত্ৰ সমাজৰ বাবে ই এক প্ৰকাৰৰ 'নৈতিক আঘাত'। যিটো ব্যৱস্থাই তেওঁলোকক ন্যায় আৰু মেধাৰ ভিত্তিত বিচাৰ কৰাৰ প্ৰতিশ্ৰুতি দিছিল, সেই ব্যৱস্থাটোৱেই যদি দুৰ্নীতিৰ আশ্ৰয় লয়, তেন্তে ছাত্ৰ-ছাত্ৰীসকলৰ মনত ব্যৱস্থাটোৰ প্ৰতি তীব্ৰ ঘৃণা আৰু অবিশ্বাসৰ জন্ম হয়। পৰীক্ষাৰ দিনটোৰ বাবে অপেক্ষা কৰি থকা এজন মেধাৱী ছাত্ৰই যেতিয়া সমাজত থকা 'প্ৰশ্নকাকত মাফিয়া'ৰ দপদপনি দেখে, তেতিয়া তেওঁৰ মনত এই প্ৰশ্ন উঠাটো স্বাভাৱিক যে কষ্ট কৰি পঢ়াৰ লাভ কি? ইয়াৰ উপৰি আৰ্থ-সামাজিক দিশৰ পৰাও এই কেলেংকাৰীৰ প্ৰভাৱ অত্যন্ত ভয়াৱহ। ভাৰতৰ দৰে এখন দেশত এজন চিকিৎসক হোৱাটো বহু মধ্যবিত্ত আৰু দৰিদ্ৰ পৰিয়ালৰ বাবে দৰিদ্ৰতাৰ শিকলি ছিঙাৰ একমাত্ৰ পথ। পিতৃ-মাতৃয়ে নিজৰ পেটৰ ভাত কাটি, ঘৰ-মাটি বন্ধকত থৈ সন্তানক কোচিং ক্লাছলৈ পঠিয়ায়। নিটৰ ফলাফল যদি দুৰ্নীতিৰ দ্বাৰা প্ৰভাৱিত হয়, তেন্তে সেই দৰিদ্ৰ বা মধ্যবিত্ত মেধাৱী ছাত্ৰজনে চৰকাৰী মেডিকেল কলেজত আসন লাভৰ পৰা বঞ্চিত হয়। আনহাতে, যিসকলৰ হাতত ধনৰ শক্তি আছে, তেওঁলোকে সহজেই ব্যক্তিগত খণ্ডৰ মেডিকেল কলেজত আসন দখল কৰে। ইয়াৰ ফলত মেধাৰ ঠাইত ধনৰ শক্তি অধিক শক্তিশালী হৈ পৰে। ই সমাজত এক গভীৰ অসমতাৰ সৃষ্টি কৰে আৰু চৰকাৰী যন্ত্ৰৰ প্ৰতি সাধাৰণ মানুহৰ খং আৰু ক্ষোভ বৃদ্ধি কৰে।

নিটৰ এই বিতৰ্কই আমাৰ দেশৰ 'কোচিং উদ্যোগ'ৰ কুফলসমূহকো নগ্ন কৰি দেখুৱালে। পৰীক্ষা কেন্দ্ৰিক এই দৌৰে ছাত্ৰ-ছাত্ৰীক কেৱল নম্বৰ আহৰণৰ যন্ত্ৰত পৰিণত কৰিছে। যেতিয়াই ব্যৱস্থাটোৱে মুখ থেকেঁচা খায়, তেতিয়াই এই মেধাৱী তৰুণসকল এক অজান ভৱিষ্যতৰ গৰাহত পৰে। শেহতীয়া বাতৰি অনুসৰি, এনটিএ-ৰ সংস্কাৰৰ বাবে চৰকাৰে ইছৰোৰ প্ৰাক্তন মুৰব্বী কে. ৰাধাকৃষ্ণনৰ নেতৃত্বত এখন উচ্চস্তৰীয় কমিটি গঠন কৰি দিছে। এই কমিটিয়ে পৰীক্ষা পৰিচালনাৰ বাবে কম্পিউটাৰ ভিত্তিক পৰীক্ষা (CBT) আৰু ডিজিটেল সুৰক্ষা ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিছে। অৱশ্যে প্ৰযুক্তিয়ে সকলো সমস্যাৰ সমাধান কৰিব নোৱাৰে যদিহে প্ৰশাসনিক নৈতিকতা ঘূৰি নাহে। কেৱল পৰীক্ষাৰ পদ্ধতি সলনি কৰিলেই নহ'ব, বৰঞ্চ এনেকুৱা এক ব্যৱস্থা গঢ়ি তুলিব লাগিব য'ত গোপনীয়তা ভংগ কৰা অপৰাধীক কঠোৰতম শাস্তি প্ৰদান কৰা হয় যাতে ভৱিষ্যতে কোনেও তেনে কৰিবলৈ সাহস নকৰে। আমাৰ দেশৰ শিক্ষা মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই বুজি পোৱা উচিত যে তেওঁলোকৰ এটা সৰু ভুল বা গাফিলতিয়ে লক্ষ লক্ষ জীৱন ধ্বংস কৰিব পাৰে। পৰীক্ষাৰ দিনটো পিছুৱাই দিয়া বা বাতিল কৰাটো এটা কাৰিকৰী সিদ্ধান্ত হ'ব পাৰে, কিন্তু সেই সিদ্ধান্তৰ পাছত ছাত্ৰ এজনৰ মানসিক যন্ত্ৰণা আৰু পৰিয়ালটোৰ আৰ্থিক লোকচানৰ কোনো ভৰপাই নাই। ছাত্ৰ সমাজৰ মাজত যি অনিশ্চয়তাৰ পৰিৱেশ সৃষ্টি হৈছে, তাক দূৰ কৰিবলৈ হ'লে চৰকাৰে অতিশয় স্বচ্ছতাৰে কাম কৰিব লাগিব। শিক্ষাৰ্থীসকলৰ মনত এই বিশ্বাস ঘূৰাই আনিব লাগিব যে তেওঁলোকৰ যোগ্যতাৰ কোনো বিকল্প নাই আৰু সমাজত এতিয়াও নীতি-নিয়মৰ গুৰুত্ব আছে।

নিট কেলেংকাৰী কেৱল এক প্ৰশাসনিক বিফলতা নহয়, ই এক ৰাষ্ট্ৰীয় সংকট। সুস্থ সমাজ এখনৰ বাবে মেধাৰ মৰ্যাদা অক্ষুণ্ণ থকাটো অপৰিহাৰ্য। আমি যদি আমাৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহৰ জৰিয়তে স্বচ্ছতা আৰু নৈতিকতাৰ নিদৰ্শন দাঙি ধৰিব নোৱাৰোঁ, তেন্তে ভৱিষ্যতৰ চিকিৎসকসকলে কেনেকৈ এক নৈতিকতা সম্পন্ন সমাজ গঢ়িব? এতিয়া সময় আহি পৰিছে যে সমগ্ৰ পৰীক্ষা ব্যৱস্থাটোক আমূল পৰিৱৰ্তন কৰি ইয়াক এক সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য পৰ্যায়লৈ লৈ যোৱাৰ। মেধাৰ বলিদান দি কোনো দেশে উন্নতিৰ শিখৰত আৰোহণ কৰিব নোৱাৰে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে পুনৰ আত্মবিশ্বাসেৰে কিতাপ হাতত তুলি ল'ব পাৰে আৰু তেওঁলোকৰ সপোনবোৰ যাতে কোনো দুৰ্নীতিৰ বলি নহয়, তাৰ বাবে ৰাষ্ট্ৰই শক্তিশালী ভূমিকা গ্ৰহণ কৰিবই লাগিব। অন্যথা, এই ব্যৱস্থাই জন্ম দিয়া ক্ষোভে ভৱিষ্যতে এক বৃহৎ সামাজিক বিস্ফোৰণৰ সৃষ্টি কৰিব পাৰে, যিটো আমাৰ দেশৰ বাবে শুভ লক্ষণ নহয়।


> যদিও উচ্চতম ন্যায়ালয়ে সমগ্ৰ দেশজুৰি পুনৰ পৰীক্ষা পতাৰ নিৰ্দেশ নিদিলে, তথাপিও আদালতৰ পৰ্যবেক্ষণত এইটো স্পষ্ট হ'ল যে ব্যৱস্থাটোত যি ছিদ্ৰৰ সৃষ্টি হৈছে, তাক অতি সোনকালে মেৰামতি নকৰিলে দেশৰ মেধাৰ ওপৰত ৰাইজে আস্থা হেৰুৱাই পেলাব। এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত যি মানসিক প্ৰভাৱ পেলাইছে, তাক শব্দৰে বৰ্ণনা কৰা কঠিন। নিটৰ দৰে এটা কঠিন পৰীক্ষাৰ বাবে এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ জীৱনৰ দুবছৰ বা তিনিবছৰ সম্পূৰ্ণৰূপে উৎসৰ্গা কৰে। তেওঁলোকে কোটা বা স্থানীয় কোচিং চেণ্টাৰসমূহৰ সৰু সৰু কোঠাত আবদ্ধ হৈ দিনে-নিশাই কেৱল কিতাপৰ মাজত ডুবি থাকে। এই নিৰন্তৰ সাধনাৰ অন্তত যেতিয়া তেওঁলোকে শুনে যে প্ৰ নকাকত কেইবালাখ টকাত বিত্ৰ ী হৈছে বা প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে পৰীক্ষা বাতিল কৰা হৈছে, তেতিয়া তেওঁলোকৰ মাজত যি নিৰাশাৰ সৃষ্টি হয়, সি মৰ্মান্তিক।


# ক'ভিড প্ৰতিষেধক আৰু জনস্বাস্থ্যৰ ভৱিষ্যত

কবিতা নাথ

বিগত শতিকাৰ আটাইতকৈ ভয়াবহ স্বাস্থ্য সংকট হিচাপে চিহ্নিত ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ বিশ্বৰ আৰ্থ-সামাজিক ভেটি কঁপাই তুলিছিল। এই মহামাৰীৰ পৰা পৰিত্ৰাণ পাবলৈ বিজ্ঞানী আৰু চিকিৎসা বিশেষজ্ঞসকলে যি দ্ৰুতগতিত প্ৰতিষেধক আৱিষ্কাৰ কৰিলে, তাক চিকিৎসা বিজ্ঞানৰ ইতিহাসত এক বিৰল কৃতিত্ব হিচাপে গণ্য কৰা হয়। কিন্তু শেহতীয়া কিছু বছৰত ক'ভিড-১৯ প্ৰতিষেধক, বিশেষকৈ ইয়াৰ পাৰ্শ্বক্ৰিয়া আৰু মানৱ শৰীৰত ইয়াৰ দীৰ্ঘকালীন প্ৰভাৱক লৈ বিশ্বজুৰি এক তীব্ৰ বিতৰ্কৰ সূচনা হৈছে। বিশেষকৈ বিশ্ববিখ্যাত ফাৰ্মাচিউটিকেল কোম্পানী 'এষ্ট্ৰাজেনেকা'ই (AstraZeneca) আদালতত দিয়া স্বীকাৰোক্তি আৰু পৰৱৰ্তী সময়ত বজাৰৰ পৰা তেওঁলোকৰ প্ৰতিষেধক প্ৰত্যাহাৰ কৰা ঘটনাই জনমানসত এক গভীৰ ত্ৰাস আৰু সন্দেহৰ সৃষ্টি কৰিছে। এই বিষয়টো কেৱল এতিয়া এক চিকিৎসা বিজ্ঞানৰ বিষয় হৈ থকা নাই, বৰঞ্চ ই এক সামাজিক, আইনী আৰু নৈতিক প্ৰশ্ন হিচাপেও থিয় দিছে।




প্ৰণিধানযোগ্য যে, মহামাৰীৰ সময়ত ভাৰতত সৰ্বাধিক ব্যৱহৃত হোৱা 'কভিশ্বিল্ড' (Covishield) প্ৰতিষেধকটো আছিল অ'ক্সফৰ্ড-এষ্ট্ৰাজেনেকাৰ ফৰ্মূলাৰ ওপৰত ভিত্তি কৰি নিৰ্মিত। শেহতীয়াকৈ ব্ৰিটেইনৰ এখন আদালতত এষ্ট্ৰাজেনেকাই স্বীকাৰ কৰিছে যে তেওঁলোকৰ প্ৰতিষেধকৰ ফলত অতি বিৰল হ'লেও 'থ্ৰম্ব'ছিছ উইথ থ্ৰম্ব'চাইট'পেনিয়া চিণ্ড্ৰম' (TTS) নামৰ এক জটিল ৰোগ হ'ব পাৰে। এই ৰোগত আক্ৰান্ত ব্যক্তিৰ তেজ গোট মৰা (Blood Clotting) আৰু তেজৰ প্লেটলেটৰ সংখ্যা অস্বাভাৱিকভাৱে কমি যোৱাৰ দৰে সমস্যাই দেখা দিয়ে। এই স্বীকাৰোক্তিৰ পাছতেই ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত যিসকল ব্যক্তিয়ে এই প্ৰতিষেধক গ্ৰহণ কৰিছিল, তেওঁলোকৰ মাজত একপ্ৰকাৰৰ আতংকৰ সৃষ্টি হোৱা দেখা গৈছে। যদিও বিশেষজ্ঞসকলে কয় যে এনে পাৰ্শ্বক্ৰিয়াৰ সম্ভাৱনা লাখৰ ভিতৰত মাত্ৰ কেইজনমানৰ ক্ষেত্ৰতহে থাকে, তথাপিও জনস্বাস্থ্যৰ দৰে সংবেদনশীল বিষয়ত এই অতি নগণ্য সংখ্যাটোকো আওকাণ কৰিব নোৱাৰি, কাৰণ ই মানুহৰ জীৱনৰ সৈতে জড়িত। বিগত দুই-তিনি বছৰত ভাৰতৰ বিভিন্ন প্ৰান্তত আমি দেখা পাইছো যে কম বয়সীয়াকৈ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা আচৰিত ধৰণে বৃদ্ধি পাইছে। বিশেষকৈ সুস্থ-সবল যুৱক-যুৱতী বা ক্ৰীড়াবিদৰ হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হোৱা ঘটনাবোৰে সাধাৰণ মানুহক চিন্তিত কৰি তুলিছে। সামাজিক মাধ্যমত এনে বহু খবৰ বিয়পি পৰিছে য'ত দেখা গৈছে যে কোনো বিশেষ শাৰীৰিক অসুস্থতা নোহোৱাকৈয়ে মানুহ হঠাৎ ঢলি পৰিছে। যদিও চিকিৎসা বিজ্ঞানৰ সকলো গৱেষণাই এই মৃত্যুসমূহক পোনপটীয়াকৈ ক'ভিড প্ৰতিষেধকৰ সৈতে সংযোগ কৰা নাই, তথাপিও জনমানসত এক ধাৰণা গঢ় লৈ উঠিছে যে এই সকলোবোৰ প্ৰতিষেধকৰেই পৰিণতি। এই ক্ষেত্ৰত চৰকাৰী আৰু বেচৰকাৰী পৰ্যায়ত অধিক স্বচ্ছ আৰু ব্যাপক গৱেষণাৰ প্ৰয়োজন আছিল, যিটো আমাৰ দেশত হয়তো সঠিক সময়ত হোৱা নাই। আই.চি.এম.আৰ (ICMR) ৰ দৰে সংস্থাসমূহে তেওঁলোকৰ অধ্যয়নত ক'ভিড-১৯ প্ৰতিষেধকক এই আকস্মিক মৃত্যুৰ বাবে দায়ী নহয় বুলি ক'লেও, এষ্ট্ৰাজেনেকাৰ শেহতীয়া আইনী স্বীকাৰোক্তিয়ে সেই সুৰক্ষা কৱচৰ ওপৰত এক প্ৰশ্নচিহ্ন আঁকি দিলে। চিকিৎসা বিজ্ঞানৰ বিশে-যকসকলৰ মতে, ক'ভিড-১৯ ভাইৰাছটো নিজেই এক জটিল প্ৰকৃতিৰ আছিল যিয়ে মানুহৰ হৃদযন্ত্ৰ, স্নায়ুতন্ত্ৰ আৰু হাওঁফাওঁত দীৰ্ঘকালীন প্ৰভাৱ পেলাই থৈ গৈছে। যাকেই 'লং ক'ভিড' (Long COVID) বুলি কোৱা হয়। কিন্তু প্ৰতিষেধক গ্ৰহণৰ পাছত হোৱা পাৰ্শ্বক্ৰিয়া আৰু ভাইৰাছৰ প্ৰভাৱৰ মাজত থকা সূক্ষ্ম পাৰ্থক্যটো সাধাৰণ ৰাইজে বুজি পোৱাটো কঠিন। প্ৰতিষেধক প্ৰস্তুতকাৰী কোম্পানীসমূহৰ বাণিজ্যিক স্বাৰ্থ আৰু মহামাৰীৰ সময়ত প্ৰতিষেধক অনুমোদৰ বাবে দেখুওৱা খৰধৰ অৱস্থাই এতিয়া সংশয়ৰ সৃষ্টি কৰিছে। সাধাৰণতে এটা প্ৰতিষেধক বজাৰলৈ উলিয়াই দিবলৈ ১০ৰ পৰা ১৫ বছৰ পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন হয়, কিন্তু ক'ভিডৰ ক্ষেত্ৰত এই কাম মাত্ৰ এবছৰৰ ভিতৰত কৰা হৈছিল। জৰুৰীকালীন অৱস্থাৰ বাবে এয়া প্ৰয়োজনীয় আছিল যদিও ইয়াৰ দীৰ্ঘকালীন সুৰক্ষাৰ দিশটো কিমান দূৰ সুনিশ্চিত কৰা হৈছিল, সেয়া এতিয়া এক চৰ্চাৰ বিষয় হৈ পৰিছে। ভাৰতীয় প্ৰেক্ষাপটত চালে দেখা যায় যে ভাৰত চৰকাৰে কভিশ্বিল্ড আৰু কভেক্সিনৰ দৰে প্ৰতিষেধকৰ জৰিয়তে এক বৃহৎ টিকাকৰণ অভিযান চলাইছিল। ইয়াৰ ফলত মহামাৰীৰ মৃত্যুহাৰ লক্ষণীয়ভাৱে হ্ৰাস পাইছিল আৰু সমাজখন পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিল। ইয়াৰ ইতিবাচক দিশটোক আমি কোনোমতেই অস্বীকাৰ কৰিব নোৱাৰো। কিন্তু যিসকল লোকৰ স্বাস্থ্যৰ অৱনতি ঘটিছে বা যিসকলে প্ৰতিষেধকৰ পাৰ্শ্বক্ৰিয়াৰ বাবে প্ৰাণ হেৰুৱাইছে, তেওঁলোকৰ পৰিয়ালৰ প্ৰতি থকা দায়বদ্ধতাৰ পৰা ফাৰ্মাচিউটিকেল কোম্পানীসমূহ সাৰি যাব নোৱাৰে। ইউৰোপীয় দেশসমূহত এতিয়া ক্ষতিপূৰণৰ দাবীৰে শ শ গোচৰ তৰা হৈছে। ভাৰততো উচ্চতম ন্যায়ালয়ত এই সন্দৰ্ভত আবেদন দাখিল কৰা হৈছে, য'ত প্ৰতিষেধকৰ পাৰ্শ্বক্ৰিয়াৰ ওপৰত এক স্বাধীন তদন্ত কমিটি গঠনৰ দাবী কৰা হৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল তথ্যৰ স্বচ্ছতা। চৰকাৰী স্বাস্থ্য সংস্থাসমূহে প্ৰতিষেধকৰ পাৰ্শ্বক্ৰিয়া সম্পৰ্কীয় তথ্যসমূহ ৰাজহুৱা কৰাৰ ক্ষেত্ৰত অধিক সক্ৰিয় হ'ব লাগিব। ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ত এক নিৰপেক্ষ কমিটি গঠন কৰি শেহতীয়া মৃত্যুসমূহৰ সৈতে প্ৰতিষেধকৰ কিবা বৈজ্ঞানিক সম্পৰ্ক আছে নেকি, তাৰ পুংখানুপুংখ বিশ্লেষণ কৰাটো জৰুৰী। কেৱল 'অত্যন্ত বিৰল' বুলি কৈ দায় সাৰিলে জনসাধাৰণৰ মাজত থকা তীব্ৰ ভয় আৰু বিভ্ৰান্তি দূৰ নহয়। বৰঞ্চ ই ভৱিষ্যতে যিকোনো ৰাজহুৱা স্বাস্থ্য কাৰ্যসূচী বা প্ৰতিষেধক অভিযানৰ প্ৰতি মানুহৰ আস্থা চিৰদিনৰ বাবে কমাই পেলাব পাৰে। স্বাস্থ্যৰ অৱনতিৰ এই সমগ্ৰ বিষয়টোত আন এক দিশো জড়িত হৈ আছে। মহামাৰীৰ পাছত মানুহৰ জীৱনশৈলীৰ ব্যাপক পৰিৱৰ্তন ঘটিছে। মানসিক চাপ, শাৰীৰিক পৰিশ্ৰমৰ অভাৱ আৰু অস্বাস্থ্যকৰ খাদ্যভাসৰ পৰিৱৰ্তনেও হৃদৰোগৰ সম্ভাৱনা বঢ়াই তুলিব পাৰে। গতিকে প্ৰতিটো মৃত্যুকে কেৱল প্ৰতিষেধকৰ দোষ বুলি গণ্য কৰাটোও বৈজ্ঞানিক নহ'ব। ইয়াক এক বহুমুখী সমস্যা হিচাপে গ্ৰহণ কৰি গভীৰ নিৰীক্ষণৰ প্ৰয়োজন। চিকিৎসকসকলৰ মতে, যিসকল লোকে ক'ভিড-১৯ প্ৰতিষেধক গ্ৰহণ কৰিছে, তেওঁলোকে নিয়মীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰা উচিত, বিশেষকৈ হৃদযন্ত্ৰ আৰু তেজৰ অৱস্থা পৰীক্ষা কৰি থকাটো মংগলজনক।

তাৰ বাবে বৰ্তমানৰ এই বিতৰ্কসমূহৰ পৰা শিক্ষা গ্ৰহণ কৰাটোৱেই হ'ব আটাইতকৈ বুদ্ধিমানৰ কাম। ক'ভিড-১৯ প্ৰতিষেধক আছিল এক জৰুৰীকালীন ঢাল যিয়ে কোটি কোটি মানুহৰ প্ৰাণ ৰক্ষা কৰিছিল। কিন্তু এই ঢালখনৰ যিবোৰ খুঁত এতিয়া ধৰা পৰিছে, সেইবোৰক লৈ নিৰ্মোহভাৱে বিচাৰ কৰাৰ সময় আহি পৰিছে। এষ্ট্ৰাজেনেকাৰ শেহতীয়া স্থিতি আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চলি থকা গৱেষণাসমূহক গুৰুত্ব সহকাৰে লৈ আমাৰ স্বাস্থ্য নীতি নিৰ্ধাৰকসকলে নতুন নিৰ্দেশনা জাৰী কৰিব লাগে। যিসকল লোকে এতিয়াও স্বাস্থ্যৰ জটিলতাত ভুগি আছে, তেওঁলোকক বিশেষ চিকিৎসা সেৱা আৰু আইনী সুৰক্ষা আগবঢ়োৱাটো চৰকাৰৰ নৈতিক দায়িত্ব। জনস্বাস্থ্যৰ দৰে এটা সংবেদনশীল বিষয়ত ৰাজনীতি বা বাণিজ্যিক মুনাফাতকৈ মানুহৰ জীৱনৰ মূল্য বহুত বেছি। বিজ্ঞানৰ জয়যাত্ৰা অব্যাহত থাকক, কিন্তু সেই যাত্ৰা স্বচ্ছতা, নৈতিকতা আৰু জনসাধাৰণৰ সুৰক্ষাৰ নিশ্চিয়তাৰ ওপৰত ভিত্তি কৰিহে হ'ব লাগে। ভৱিষ্যতে যাতে এনে কোনো সংকটত আমি পুনৰ অনিশ্চয়তাৰ মাজত সোমাই পৰিব নালাগে, তাৰ বাবে বৰ্তমানৰ এই বিতৰ্কসমূহৰ পৰা শিক্ষা গ্ৰহণ কৰাটোৱেই হ'ব আটাইতকৈ বুদ্ধিমত্তাৰ কাম।

# প্ৰকৃতি ধ্বংস কেতিয়াও উন্নয়ন হ'ব নোৱাৰে

ডিম্পী বৰ্মন

ইয়াৰ দ্বাৰা মই অসম চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক আন্তৰিকভাৱে অৱগত আৰু অনুৰোধ জনাব বিচাৰিছোঁ যে উন্নয়নৰ নামত অমূল্য প্ৰাকৃতিক সম্পদসমূহ ধ্বংস কৰাৰ পৰা বিৰত থাকক। ২০২৬ চনৰ মে' মাহৰ সাম্প্ৰতিক তথ্য অনুসৰি দীপৰ বিলৰ দাঁতিকাষৰীয়া অঞ্চলত ইতিমধ্যে শতাধিক পূৰ্ণবয়স্ক গছ কাটি পেলোৱা হৈছে, আৰু অনুমান অনুসৰি এই প্ৰকল্পটোৰ বাবে প্ৰায় ২০০ৰ পৰা ৩৮২টা গছ উচ্ছেদ কৰা হ'ব। এই গছবোৰ অসংখ্য চৰাইৰ বাসস্থান, বহু জীৱৰ আশ্ৰয়, আৰু অসমৰ জীৱবৈচিত্ৰ্যৰ এক জীৱন্ত অংশ।

দীপৰ বিল গুৱাহাটীৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰা এক অমূল্য জলাশয়। বান নিয়ন্ত্ৰণ কৰা, পৰিৱেশৰ উষ্ণতা নিয়ন্ত্ৰণত সহায় কৰাৰ লগতে বহু পৰিভ্ৰমী চৰাই, জলজ প্ৰাণী আৰু অন্যান্য জীৱৰ জীৱনধাৰণৰ আধাৰ হিচাপে পৰিচিত। বছৰ বছৰ ধৰি গঢ় লৈ উঠা এই প্ৰাকৃতিক পৰিৱেশ এবাৰ ধ্বংস হৈ গ'লে, কিছুমান নতুন পুলি ৰোপণ কৰি তাক পুনৰ আগৰ দৰে গঢ়ি তোলা সম্ভৱ নহয়। আটাইতকৈ চিন্তাজনক কথাটো হ'ল — আমাৰ সমাজত এতিয়াও বহুতে ভাবে যে প্ৰকৃতি ধ্বংস নকৰাকৈ উন্নয়ন সম্ভৱ নহয়। কিন্তু পৃথিৱীৰ বহু উন্নত দেশে ইতিমধ্যে প্ৰমাণ কৰিছে যে এই ধাৰণা সম্পূৰ্ণ ভুল। জাৰ্মানী, নৰৱে, জাপান, আনকি চীনৰ দৰে দেশসমূহেও আধুনিক নগৰ, উদ্যোগ আৰু বিশ্বমানৰ অবকাঠামো গঢ়ি তুলিছে, কিন্তু তাৰ বাবে নিজৰ বন, নদী, জলাশয় আৰু জীৱবৈচিত্ৰ্য সম্পদ সমূহৰ ক্ষতিসাধন হ'বলৈ দিয়া নাই।

জাৰ্মানীৰ দৰে বহু উন্নত দেশত গছ আৰু পৰিৱেশ সুৰক্ষাৰ বাবে অত্যন্ত কঠোৰ আইন আছে। জাৰ্মানীৰ "Federal Nature Conservation Act" অনুসৰি ১ মাৰ্চৰ পৰা ৩০ ছেপ্টেম্বৰলৈকে ডাঙৰ গছ কটা বা গছৰ ডাল ব্যাপকভাৱে কটাটো কঠোৰভাৱে নিয়ন্ত্ৰিত বা বহু ক্ষেত্ৰত নিষিদ্ধ, কাৰণ এই সময়ছোৱা চৰাইৰ বাস সজা আৰু বংশবৃদ্ধিৰ সময়। চৰকাৰ এই বিষয়ে সজাগ যে উন্নয়নৰ নামত জীৱবৈচিত্ৰ্য ধ্বংস কৰা মানে ভৱিষ্যৎ ধ্বংস কৰা।

কেৱল সেয়াই নহয়, জাৰ্মানীৰ বহু অঞ্চলত ব্যক্তিগত সম্পত্তিত থকা পূৰ্ণবয়স্ক গছ কাটিবলৈও চৰকাৰী অনুমতি বাধ্যতামূলক। বহু চহৰত "Tree Protection Ordinance" নামৰ বিশেষ আইন আছে, য'ত নিৰ্দিষ্ট আকাৰ বা বয়সৰ গছ কাটিলে জৰিমনা বা আইনগত ব্যৱস্থা লোৱা হয়। অৰ্থাৎ গছক কেৱল ব্যক্তিগত সম্পত্তি হিচাপে নহয়, সমাজ আৰু পৰিৱেশৰ সম্পদ হিচাপেও গণ্য কৰা হয়। ইয়াৰ উপৰিও জাৰ্মানীৰ নগৰ পৰিকল্পনাত "Green Urban Planning"ক বিশেষ গুৰুত্ব দিয়া হয়। নতুন ৰাস্তা, উৰণ সেতু তথা আন্তঃগাঁথনি নিৰ্মাণৰ সময়ত প্ৰকৃতিক সুৰক্ষা দিবলৈ বিকল্প পৰিকল্পনা ব্যৱহাৰ কৰা হয়।

চীনৰ দৰে বিশ্বৰ অন্যতম বৃহৎ উন্নয়নশীল দেশেও বৰ্তমান নগৰ বনায়ন, জলাশয় সংৰক্ষণ আৰু সেউজ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। চৰকাৰ তথা জনসাধাৰণ এই ক্ষেত্ৰত সজাগ যে প্ৰকৃতিক ধ্বংস কৰি কৰা উন্নয়ন কেতিয়াও দীৰ্ঘস্থায়ী হ'ব নোৱাৰে। বাস্তৱিক উন্নয়ন সেইটোৱেই, য'ত অৰ্থনৈতিক অগ্ৰগতি আৰু পৰিৱেশ সুৰক্ষা একেলগে আগবাঢ়ে।

দুৰ্ভাগ্যজনকভাৱে ভাৰতত বহু ক্ষেত্ৰত পৰিৱেশ সুৰক্ষাৰ আইন কেৱল কাগজতে সীমাবদ্ধ থকা দেখা যায়। ৰাতিৰ ভিতৰতে গছ কাটি পেলোৱা, জলাশয় সংকুচিত কৰা আৰু "উন্নয়ন"ৰ নামত সাধাৰণ মানুহৰ উদ্বেগ আৰু পৰিৱেশবিদসকলৰ সতৰ্কবাণীক উপেক্ষা কৰা ইত্যাদি। কিন্তু যি উন্নয়নে মানুহৰ শ্বাহ-প্ৰশ্বাস, পানী, বতাহ আৰু ভৱিষ্যতক বিপদমুখী কৰি তোলে, সেয়া সঁচা অৰ্থত কেনেকৈ উন্নয়ন হ'ব পাৰে?

আজিৰ দিনত অসমৰ দৰে পৰিৱেশ-সংবেদনশীল ৰাজ্যত দীপৰ বিলৰ দৰে অমূল্য জলাশয় ধ্বংস হোৱাটো কেৱল এটা পৰিৱেশগত সমস্যা নহয়, এয়া ভৱিষ্যৎ প্ৰজন্মৰ জীৱন আৰু অস্তিত্বৰ সৈতে জড়িত এক ডাঙৰ সংকট। সঁচা উন্নয়ন সেইটোৱেই, য'ত মানুহ আৰু প্ৰকৃতি একেলগে জীয়াই থাকিব পাৰে। যদি পৃথিৱীৰ উন্নত দেশসমূহে উন্নয়নৰ লগতে বননী আৰু পৰিৱেশ সংৰক্ষণ কৰিব পাৰে, তেন্তে ভাৰতেও নিশ্চয় এনে এটা পথ বাছি ল'ব পাৰে য'ত উন্নয়ন আৰু প্ৰকৃতি ধ্বংস একে কথা হৈ নাথাকে।

শেষত অসম চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ জনাইছোঁ — অনুগ্ৰহ কৰি উন্নয়নৰ নামত প্ৰকৃতিৰ উপাদানসমূহ ধ্বংস নকৰিব। এখন সভ্য সমাজৰ উন্নয়ন কেতিয়াও বন, জলাশয়, আৰু জীৱন ধ্বংসৰ ওপৰত স্থিত হ'ব নোৱাৰে। উন্নয়নৰ নামত ভৱিষ্যৎ প্ৰজন্মৰ বাবে কেৱল কংক্ৰিট, দূষণ আৰু নিঃশ্বাসহীন দেশ গঢ়ি নুতুলিব। পৃথিৱীৰ বহু উন্নত দেশেই ইতিমধ্যে প্ৰমাণ কৰিছে যে প্ৰকৃতি সুৰক্ষিত ৰাখিও উন্নয়ন সম্ভৱ। দীপৰ বিল অসমৰ উশাহ। এই উশাহ বন্ধ কৰি কোনো উন্নয়ন কেতিয়াও সত্যিকাৰ উন্নয়ন হ'ব নোৱাৰে।

**সামান্য কথাক কেন্দ্ৰ কৰি ৭ বছৰীয়া ছাত্ৰীক কাঠৰ বেটেৰে প্ৰহাৰ কৰাৰ অভিযোগ**

## মৰিয়নিৰ ডেঞ্চ স্কুলত কণমানি ছাত্ৰীক নৃত্য শিক্ষকৰ নিৰ্মম প্ৰহাৰ, তীব্ৰ চাঞ্চল্য

**অসম বাৰ্তা, মৰিয়নি, ১৬ মে' ঃ** মৰিয়নি নগৰৰ মাজমজিয়াত অৱস্থিত RX ডেঞ্চ স্কুলত সংঘটিত এক নিন্দনীয় ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, বিদ্যালয়খনৰ নৃত্য শিক্ষক "চনু কুমাৰে"- এগৰাকী ৭ বছৰীয়া কণমানি ছাত্ৰীক সামান্য কথাক কেন্দ্ৰ কৰি কাঠৰ বেটেৰে নিৰ্মমভাৱে প্ৰহাৰ কৰে। জানিব পৰা মতে, বিদ্যালয়ত নৃত্য শিক্ষণ চলি থকা সময়ত কোনো সামান্য বিষয়ক লৈ শিক্ষকজনে ছাত্ৰী গৰাকীৰ ওপৰত ক্ষুব্ধ হৈ উঠে আৰু পিছত কাঠৰ বেটেৰে প্ৰহাৰ কৰে। ঘটনাটো ঘটনাটোৰ পিছতে মৰিয়নি অঞ্চলত তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সচেতন মহলে অভিযুক্ত শিক্ষকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

## পাথৰিঘাটৰ বিশিষ্ট সমাজ সংগঠক ৰতিকান্ত ডেকাৰ মৃত্যুত শোকৰ ছাঁ

**অসম বাৰ্তা, পাথৰিঘাট, ১৬ মে' ঃ** ঐতিহাসিক পাথৰিঘাটৰ ১নং চেঙাপাৰা গাঁৱৰ বিশিষ্ট সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী ৰতিকান্ত ডেকাৰ ৮১বছৰ বয়সত আকস্মিক বিয়োগ হয়। ১৯৪৫ চনত জন্ম গ্ৰহণ কৰা ৰতিকান্ত ডেকা পাথৰিঘাট সাহিত্য সভা, পাথৰিঘাট শাখা কেওঁট সন্মিলন, ১নং চেঙাপাৰা নবোদয় ৰঙালী বিহু, ১নং চেঙাপাৰা লক্ষ্মী পূজাৰ লগতে আন বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। বৃহত্তৰ পাথৰিঘাট অঞ্চলত শিক্ষা, সংস্কৃতি, সাহিত্য সকলো দিশতে অৰিহণা যোগাই ছিল প্ৰয়াত ৰতিকান্ত ডেকাই। উচ্চ ৰক্তচাপত ভুগি গুৱাহাটী এখন ব্যক্তিগত চিকিৎসালয়ত বৃহস্পতিবাৰে নিশা ৯ বজাত শেষ নিশ্বাস ত্যাগ কৰে ৰতিকান্ত ডেকাই। প্ৰয়াত ডেকাই ইহসংসাৰত তিনিজন পুত্ৰ-বোৱাৰী, তিনিজনী জী-জোৱাই, নাতি-নাতিনী অজস্ৰ গুণমুগ্ধক এৰি যায়। প্ৰয়াত ৰতিকান্ত ডেকাৰ মৃত্যুত বিধায়ক ড° পৰমানন্দ ৰাজবংশী, বিজেপি দৰং জিলা সভাপতি মকুন্দ ডেকা, জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন্দ্ৰ ডেকা, জিলা পৰিষদৰ সদস্যা ৰূপালী দেৱী, পাথৰিঘাট গাঁও পঞ্চায়তৰ সভানেত্ৰী ডেইজী চহৰীয়া, পাথৰিঘাট কেওঁট সন্মিলনী, পাথৰিঘাট শাখা সাহিত্য সভা, পাথৰিঘাট আঞ্চলিক ছাত্ৰ সন্থা, নবোদয় আঞ্চলিক ৰঙালী বিহু সন্মিলনী, দ্বীগজ ঐক্য মঞ্চ পথৰুঘাটৰ লগতে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি বিশেষে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

## শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি অজয় গগৈৰ সংবাদমেল

**অসম বাৰ্তা, জয়সাগৰ, ১৬ মে' ঃ** শিৱসাগৰ ৰাজীৱ ভৱনত সংবাদমেল সম্বোধন কৰে জিলা কংগ্ৰেছৰ সভাপতি অজয় গগৈয়ে। নিৰ্বাচনৰ পাছত মিত্ৰজোঁটৰ পৰাজয়ৰ মূল কাৰণ হিচাপে অখিল গগৈয়ে গৌৰৱ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বিষয়টোক সহজভাৱে গ্ৰহণ কৰা নাই শিৱসাগৰ জিলা কংগ্ৰেছে। অখিল গগৈৰ অভিযোগক সম্পূৰ্ণ নস্যাৎ কৰে জিলা কংগ্ৰেছে। নিৰ্বাচনত জয় পৰাজয় থাকে আৰু সেই কথাবোৰ বিশ্লেষণ নকৰাকৈ অখিল গগৈয়ে পোনপটীয়াকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৰাকীক পৰাজয়ৰ মূল কাৰণ হিচাপে অভিযোগ কৰা বিষয়টোত কংগ্ৰেছ কৰ্মীসকলে মনত যথেষ্ট দুখ পাইছে। সভাপতি গৰাকীয়ে কয় আমি নিৰ্বাচনত ৰাইজৰ দলক সম্পূৰ্ণ সহায় আগবঢ়াইছিলো। কিন্তু সেই কষ্ট স্বীকাৰ নকৰিলে অখিল গগৈয়ে। এইদৰে ৰাইজৰ দলৰ সভাপতি গৰাকীয়ে মন্তব্য কৰি থাকিলে অদূৰ ভৱিষ্যতে মিত্ৰজোঁটত ৰাইজৰ দল থাকিবনে নাই ৰাইজে সিদ্ধান্ত লব মত প্ৰকাশ কৰে সভাপতি গৰাকীয়ে। নিৰ্বাচনত মিত্ৰজোঁটৰ পৰাজয়ৰ মূল কাৰণ হিচাপে অখিল গগৈয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক জগৰীয়া কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জিলা কংগ্ৰেছৰ।

## ডিব্ৰুগড়ত বিদ্যালয় সমূহত বিশৃংখলতা দূৰ কৰি শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰাৰ দায়িত্ব শিক্ষকৰ; বিদ্যালয়সমূহৰ পৰিদৰ্শক কবিতা ডেকা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ মে' ঃ** শ্ৰেণীত পাঠদান কৰাৰ আগতে শিক্ষকে নিজকে শ্ৰেণীটোৰ পৰিৱেশৰ লগত খাপ খুৱাই ল'বলৈ প্ৰস্তুত হ'ব লাগে। এটা সম্পূৰ্ণভাৱে সু-সজ্জিত কোঠাক তেওঁ শ্ৰেণীকোঠা হিচাপে বাছি ল'ব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে পাঠদানৰ সময়ত এক সুস্থ পৰিৱেশ গঢ়ি ল'ব পাৰে। ইয়াৰ উপৰি শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ লগে-লগে ছাত্ৰ-ছাত্ৰীৰ মাজত থকা বিশৃংখলতা দূৰ কৰি এক শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰাৰ দায়িত্ব শিক্ষকৰ। এই মন্তব্য ডিব্ৰুগড় বিদ্যালয়সমূহৰ পৰিদৰ্শক কবিতা ডেকাৰ। আজি ঐতিহাসিক বাগ্মীবৰ নীলমণি ফুকন উচ্চ মাধ্যমিক বিদ্যালয়ত জিলা আঁচনি বিষয়খ দীপক বুঢ়াগোহাঁই আঁতধৰা শিক্ষা বিভাগৰ শৈক্ষিক সভাত উপস্থিত থাকি পৰিদৰ্শক কবিতা ডেকাই কয় যে- আজি জিলাখনৰ আমোলাপট্টি শৈক্ষিক কেন্দ্ৰৰ শতাধিক শিক্ষকৰ উপস্থিতি এই বিশেষ শৈক্ষিক সভাখন আয়োজন কৰা হৈছে। জিলা খনৰ মুঠ ১৫৮টা শৈক্ষিক কেন্দ্ৰৰ ভিতৰত এই আমোলাপট্টি শৈক্ষিক কেন্দ্ৰতে প্ৰথম আৰম্ভণি। সভাখনৰ যোগেদি শিক্ষক সকলৰ সৈতে মতবিনিময় দ্বাৰাই শিক্ষাৰ অগ্ৰগতি আভাস লোৱা। শিক্ষা অনুষ্ঠানত যদি শিক্ষাৰ পৰিৱেশ নাথাকে তেন্তে ছাত্ৰ-ছাত্ৰী কেনেকৈ পাঠ গ্ৰহণ কৰিব? শিক্ষকেই শৈক্ষিক পৰিৱেশ গঢ় দিব লাগিব। শিক্ষকেই মানৱ সম্পদ গঢ় দিব লাগিব। এজন শিক্ষকৰ ওপৰতেই একো একোজন ছাত্ৰৰ ভৱিষ্যত জীৱনৰ গতিপথ নিৰ্ণয় কৰে। গতিকে বিদ্যালয়ত প্ৰৱেশ কৰা লগে লগে শিক্ষকে ব্যক্তিগত সকলো সমস্যাৰ ত্যাগ কৰাটো অতি প্ৰয়োজন। কিয়নো অভিভাৱ সকলে তেওঁলোকৰ সন্তানক শিক্ষকৰ ওপৰতে এৰি যায়। সেয়েহে ছাত্ৰসকলৰ বাহ্যিক আৰু আভ্যন্তৰীণ দুয়ো দিশৰে অনুশাসন ৰক্ষা কৰাটো শিক্ষকৰ কৰ্তব্য। অনুশাসন ৰক্ষাৰ বাবে তেওঁ সততে দৈহিক শাস্তিৰ প্ৰয়োগৰ পৰা বিৰত থাকিব লাগে। ব্যক্তিগত আৰু পাঠ্য সম্বন্ধীয় যিকোনো সমস্যা ছাত্ৰ-ছাত্ৰীসকলে যাতে বীনা দিদ্ধাই শিক্ষকজনক সুধিব পাৰে তাৰ বাবে তেওঁ বন্ধুভাৱাসম্পন্ন মনোভাৱ গঢ়ি লোৱা উচিত। শিক্ষকে ছাত্ৰ-ছাত্ৰীক পাঠদানৰ সময়ত বিভিন্ন কথা কোৱাৰ পৰিৱৰ্তে প্ৰশ্নৰ উত্তৰ সঠিকভাৱে দিবলৈ উৎসাহিত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীক কেৱল মুখস্থ কৰাৰ পৰিৱৰ্তে, চিন্তা কৰা, প্ৰশ্ন কৰা আৰু বিশে-ষণাত্মকভাৱে কথা বুজি পোৱাৰ ক্ষমতা বৃদ্ধি কৰা। শিক্ষক-অভিভাৱকৰ সম্পৰ্ক সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উন্নতিৰ বাবে অভিভাৱকসকলৰ সৈতে নিয়মীয়াকৈ যোগাযোগ ৰখা আৰু আলোচনা কৰি ৰোল মডেল হিচাপে নিজে আদৰ্শ আচৰণ আৰু অনুশাসন মানি চলি ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰা। এনে কাৰ্যৰ পৰা ছাত্ৰ-ছাত্ৰী সকল শিকনৰ প্ৰতি অধিক আগ্ৰহী হৈ পৰাটো নিশ্চিত। আনহাতে শিক্ষক আৰু অভিভাৱকৰ মাজত সু-সম্পৰ্ক স্থাপন কৰি ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰা আৰু শিশুৰ চৰিত্ৰ গঠনত সহায় কৰা। প্ৰকৃততে, প্ৰাথমিক শিক্ষকে শিশুৰ জীৱনৰ আধাৰশিলা স্থাপন কৰে আৰু তেওঁলোকক এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ প্ৰেৰণা যোগায় বুলি উল্লেখ কৰি পৰিদৰ্শক কবিতা ডেকাই ভাষণ প্ৰসংগত কয় যে- শিক্ষাই মানুহক বিভিন্ন জ্ঞান আৰু গুণ আহৰণত সহায় কৰে, কৰ্মহীন শিক্ষা অবাস্তৱ। কৰ্ম শিক্ষাই মানুহক ভালদৰে জীয়াই থাকিবলৈ শিকায়। মুল্যবোধৰ শিক্ষাই মানুহক যোগ্য নাগৰিক ৰূপে জীৱন-যাপন আৰু সু-চিন্তা কৰিবলৈ শিকায়। উভয় পদ্ধতিৰ সমন্বয় শিক্ষাই হ'ল সমাজৰ সকলোৰ কাৰণে মঙ্গল বা কল্যাণকৰ। ভাল-বেয়া, সুন্দৰ-অসুন্দৰ, সত্য-অসত্য, ন্যায়-অন্যায়, হিত-অহিতৰ মাজত পাৰ্থক্য সৃষ্টি কৰাৰ জ্ঞান অৰ্জনেই হৈছে প্ৰকৃত শিক্ষা। বিদ্যালয়ত শিক্ষাৰ প্ৰসাৰ বৃদ্ধি কৰিবলৈ আন্তঃগাঁথনি উন্নয়ন, বিনামূলীয়া পাঠ্যপুথি বিতৰণ, আৰু ডিজিটেল শিক্ষাৰ ব্যৱস্থা কৰা অতি প্ৰয়োজন। ইয়াৰ লগতে শিক্ষানুষ্ঠান আৰু অভিভাৱকৰ মাজত সজাগতা সৃষ্টি কৰাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয় এৰাৰ প্ৰৱণতা হ্ৰাস কৰিব পাৰি। 'চৰকাৰী বিদ্যালয়ত শিক্ষাৰ মান নিম্নগামী হোৱাৰ কাৰণে যদি ছাত্ৰ-ছাত্ৰী কমি যায়, চৰকাৰী শিক্ষা ব্যৱস্থাত অভিভাৱকসকলে যদি আস্থা হেৰুৱাই তেনেহ'লে চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা কমিব। সেই ব্যৱস্থা দূৰ কৰিবলৈ শিক্ষকে সদায়ে সচেতন অৱলম্বন কৰাতো অত্যন্ত প্ৰয়োজন। সভাত জিলা আঁচনি বিষয়া দীপক বুঢ়াগোহাঁই কয় যে- বিদ্যালয় সমূহত এফ এল এন, টি এল এমৰ উপযুক্ত ব্যৱহাৰৰ, শিক্ষকৰ দিনলিপি পাঠ পৰিকল্পনা, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, আন্তঃ গাঁথনি ইত্যাদি সমূহ সঠিক কাৰ্যকৰী কৰাৰ লগতে লিখন, পঠন আৰু সাংখ্যিকতা বিষয়ে দক্ষতা অৰ্জন কৰাতো অতি গুৰুত্বপূৰ্ণ। সেই বাবে শিক্ষকে অতি সচেতন হোৱাটো বাঞ্ছনীয়। তেওঁ লগতে কয় যে- বিদ্যালয়ৰ বিজ্ঞানাগাৰ আৰু পুথিভঁৰাল ছাত্ৰ-ছাত্ৰী সকলৰ সম্পদ। এই সম্পদক সঠিক ব্যৱহাৰ আৰু ৰক্ষা কৰা দায়িত্ব শিক্ষক সমাজৰ। সকলো ছাত্ৰ-ছাত্ৰীক ইয়াৰ সৈতে যুক্ত কৰাটো শ্ৰেয়। তেওঁ বিদ্যালয়ৰ সমূহৰ পৰিদৰ্শন কৰি পোৱা কিছু অভিজ্ঞতা সভাত উল্লেখ কৰে। সভাত জিলা শৈক্ষিক পৰিষদৰ সভাপতি ড° উইন কেন, প্ৰভাত দেউৰী আৰু শিক্ষক সকলৰ হৈ স্মৃতা বৰবৰা, চন্দন ফুকন, মিতালি মহন্ত, তজমুল আলি, জুৰি দেৱী আদিয়ে নিজ নিজ মতা-মত আগবঢ়ায়। সভাত ছয় নং আমোলাপট্টি নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয় শিক্ষক সকল ইউনিৰ্ফৰ বিষয়ে আলোচনাত ঠাই পায়। পৰিদৰ্শন ডেকাই বিদ্যালয়ৰ শিক্ষক সকলৰ একে সাজ-পোছাক পিন্ধনৰ কাৰ্যক ভূয়শী প্ৰশংসা কৰে। উল্লেখযোগ্য যে- উক্ত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক লগতে শিক্ষক সকলেও একে সাজ-পোছাক পৰিধান কৰে। সভাত জিলা শৈক্ষিক পৰিষদৰ সভাপতি ড° উইন কেন, সম্পাদক উদয়শংকৰ গগৈ, সদস্য অজয় কোঁৱৰ, ডিব্ৰুগড় চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰভাত দেউৰী, ভিক্টোৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষ ৰঞ্জন ফুকন, বিএন পিৰ অধ্যক্ষ মিনাক্ষী ফুকন, বৰবৰুৱাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া দিপালী নৰহ য়েইন, বি আৰ পি ৰূমী কোঁৱৰ, বি আৰ পি আই চি স্মৃতা বৰবৰা চি আৰ চিচি চৌভিক বৰদলৈ, মঞ্জু দিহিংঙীয়া, ভাস্কৰ বৰা আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ৰাষ্ট্ৰীয় ডেংগু দিৱস উপলক্ষে নলবাৰীত সজাগতা সভা অনুষ্ঠিত




**অসম বাৰ্তা, নলবাৰী, ১৬ মে' ঃ** ৰাষ্ট্ৰীয় ডেংগু দিৱস উপলক্ষে আজি নলবাৰীৰ গণেশ মন্দিৰ প্ৰাংগনত এখনি সজাগতা সভা অনুষ্ঠিত হয়। WARIORS মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোৰ্তিময় সমাজ অসম, নলবাৰী জিলা সমিতিৰ উদ্যোগত আৰু নলবাৰী অসামৰিক চিকিৎসালয় তথা কমাৰকুছি স্বাস্থ্য কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত সভাখনত ডেংগু ৰোগ সম্পৰ্কে জনসচেতনতা বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাত উপস্থিত থাকে নলবাৰী অসামৰিক চিকিৎসালয়ৰ যুটীয়া সঞ্চালক মানৱ চৌধুৰী, জিলা সমন্বয়ক হিৰণ্ময়ী দেৱী, গিৰিন দাসকে ধৰি কেবাগৰাকীও স্বাস্থ্য কৰ্মী। যুটীয়া সঞ্চালক মানৱ চৌধুৰীয়ে ডেংগু জ্বৰৰ লক্ষণ, প্ৰতিৰোধ আৰু সাৱধানতামূলক ব্যৱস্থাৰ ওপৰত বক্তব্য আগবঢ়ায়। আনহাতে, জিলা সমন্বয়ক হিৰণ্ময়ী দেৱীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা আৰু ডেংগু প্ৰতিৰোধত সজাগ হোৱাৰ আহ্বান জনায়। অনুষ্ঠানত WARIORS ৰ জিলা সম্পাদিকা মঞ্জু বৈশ্য, সহ-সম্পাদিকা মুন্মা বৰ্মন, কাৰ্য্যকৰী সদস্যা বিজুমণি মেধি, ইভা বৰ্মন, ৰাখী দাসৰ লগতে বহু ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সভাৰ শেষত মঞ্জু বৈশ্যই সকলোকে ধন্যবাদ জ্ঞাপন কৰে। উক্ত সচেতনতামূলক পদক্ষেপৰ বাবে স্থানীয় ৰাইজে সংস্থাটোক শলাগ লয়।


**অভিযুক্ত শিক্ষকক চাকৰিৰ পৰা বৰ্খাস্ত**

## হোজাইত আজমলৰ স্কুলত শিক্ষাৰ্থীক নিৰ্মম প্ৰহাৰ; অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, ডবকা, ১৬ মে' ঃ** হোজাই আজমল নেতৃত্বাধীন মৰ্কজ একাডেমী স্কুলত সংঘটিত হয় জঘন্য ঘটনা। ঘটনা অনুসৰি মোৰাঝাৰ থানাৰ অন্তৰ্গত তাৰকাটা গাৱঁৰ এজন এঘাৰ বছৰীয়া ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰক এজন শিক্ষকে অমানুষিকভাৱে নিৰ্মম প্ৰহাৰ কৰাৰ ঘটনা পোহৰলৈ অহাৰ পিছতে সমগ্ৰ অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সকলোৱে একেমুখে দানৱৰূপী শিক্ষক গৰাকীৰ এনে কাৰ্যক তীব্ৰ ভাষাৰে গৰিহনা দিয়াৰ লগতে প্ৰশাসনে উচিৎ তদন্তমৰ্মে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰে। উল্লেখ্য যে এই ঘটনা সংঘটিত হোৱাৰ বাবে আজমল নেতৃত্বাধীন সকলো স্কুল-কলেজৰ ওপৰত সন্দেহ উপজিছে ৰাইজৰ। আজমলৰ ধনবল-বাহুবল থকাৰ বাবে আজমলৰ স্কুল-কলেজ সমূহক শিক্ষাৰ্থী সুৰক্ষিত নহয় বুলি একাশই অভিযোগ উত্থাপন কৰে। ইফালে এই ঘটনা সংঘটিত হোৱাৰ পিছতে হোজাই মৰ্কজ একাডেমীৰ প্ৰতিষ্ঠাপক মৌলানা বদৰুদ্দিন আজমলে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ভূক্তভোগী শিক্ষাৰ্থী গৰাকীৰ পৰিয়াল আৰু মৰ্কজুল মা'আৰিফৰ কৰ্তৃপক্ষৰ লগত আলোচনাত মিলিত হয়। মৌলানা বদৰুদ্দিন আজমলে এই ঘটনাক দুখ প্ৰকাশ কৰাৰ লগতে অভিযুক্ত শিক্ষক গৰাকীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় বুলি জানিব পৰা গৈছে। ভূক্তভোগী শিক্ষাৰ্থী গৰাকীৰ শৈক্ষিক যাত্ৰাত মৌলানা বদৰুদ্দিন আজমলে সহায়-সহযোগিতা আগবঢ়াব বুলি পৰিয়ালৰ লোকক প্ৰতিশ্ৰুতি দিয়ে। মৌলানা বদৰুদ্দিন আজমলৰ এই পদক্ষেপক পৰিয়ালৰ লোক সন্তুষ্টি বুলি জানিব পৰা গৈছে।

## 'নাছা'লৈ যাত্ৰা কৰিব কলিয়াবৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ জোনাক জ্যোতি বৰদলৈ

**অসম বাৰ্ত, কলিয়াবৰ, ১৬ মে' ঃ** অহা ২ ডিচেম্বৰত 'নাছা' লৈ যাত্ৰা কৰিব কলিয়াবৰৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ জোনাক জ্যোতি বৰদলৈয়ে। এই খবৰে এতিয়া আনন্দিত কৰিছে কলিয়াবৰ বাসীক কলিয়াবৰৰ এখন আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় কলিয়াবৰ গুৰুকুলৰ ছাত্ৰ তথা কুঁৱৰীটোল মাধৱ গাঁৱৰ ৰাজীৱ বৰদলৈ আৰু জ্যোতিমালা বৰদলৈৰ পুত্ৰ জোনাকে বিশ্বক নেতৃত্ব দিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ গৱেষণা কেন্দ্ৰ ঋনাছাঞ্চ লৈ যোৱাৰ সুবিধা লাভ কৰিছে। আজি বিদ্যালয় খনত উপস্থিত হৈ ছাত্ৰজনৰ সৈতে হোৱা কথা বতৰাত ছাত্ৰ জনে আমেৰিকা যাত্ৰাৰ উৎসুকতা প্ৰকাশ কৰে। বিদ্যালয় খনৰ বিজ্ঞান শিক্ষক যতিন বৰাৰ নেতৃত্বত এদল শিক্ষকে এই শৈক্ষিক যাত্ৰাত সহযোগ কৰা মেধা ছাত্ৰ জনৰ সাফল্যত আনন্দিত হৈছে বিদ্যালয় খনৰ পৰিচালক আৰু অধ্যক্ষ ক্ৰমে ৰাতুল বৰুৱা আৰু প্ৰিয়ংকা বৰাই। উল্লেখ্য যে ১৯৫৮ চনতে প্ৰতিষ্ঠা লাভকৰা বিশ্বৰ অন্যতম গৱেষণা কেন্দ্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰ চৰকাৰৰ এক স্বতন্ত্ৰ সংস্থা, যি দেশখনৰ অসামৰিক মহাকাশ কাৰ্যসূচী, বিমান চালনা বিজ্ঞান



(aeronautics) আৰু মহাকাশ গৱেষণাৰ বাবে দায়বদ্ধ হৈ থকা কেন্দ্ৰ টোলৈ যোৱাৰ সুবিধা লাভ কৰা ছাত্ৰ জোনাক জ্যোতি বৰদলৈয়ে হৈছে অসমৰ একমাত্ৰ ছাত্ৰ। ছাত্ৰ জনৰ তত্ত্বাৱধানত থকা বিজ্ঞান শিক্ষক যতিন বৰাই সংবাদ মাধ্যমক কয় কেইবাটাও পৰীক্ষাত অবতীৰ্ন হোৱাৰ পাছত জোনাক জ্যোতিয়ে এই সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। তাতেই এতিয়া উৎফুল্ল হৈ পৰিছে ছাত্ৰ গৰাকীৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ। কলিয়াবৰৰ এই ছাত্ৰ জনৰ লগতে ভাৰতৰ মুঠ ১৭ গৰাকী ছাত্ৰই এই যাত্ৰাত অংশ ল'ব। ছাত্ৰগৰাকীয়ে নাছাত অংশ লৈ সমগ্ৰ কলিয়াবৰৰ লগতে বিদ্যালয়খনৰ আন ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সুন্দৰ বাৰ্তা কঢ়িয়াই আনিব বুলি আশা কৰিছে সকলোৱে।

**খোৱাপানীৰ বাবে হাহাকাৰ উপভোক্তা ৰাইজৰ**

## প্ৰধানমন্ত্ৰীৰ সপোনৰ আঁচনি জল জীৱন ধোঁৱাচাঙত

**অসম বাৰ্তা, বেৰেজীয়া, ১৬ মে' ঃ** "হৰ ঘৰ জল" ধ্বনিৰে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সপোনৰ আঁচনি জল জীৱন মিচন শেহতীয়াকৈ ধোঁৱাচাঙত উঠাৰ উপক্ৰম হৈছে। ভাৰতৰ প্ৰতিঘৰ গৃহস্থিকে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ এখনি সুন্দৰ আঁচনি জল জীৱন মিচনক একাংশ বিষয়া-কৰ্মচাৰীৰ অমনোযোগীতাৰ বাবে অসফল হোৱাৰ দিশেৰে গতি কৰিব ধৰিছে। উল্লেখ্য যে ৰাজ্যখনৰ নগাঁও মহখুলিস্থিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত কেইবাখনো জল জীৱন আঁচনি পৰিচালনা সমিতি আৰু উপভোক্তাৰ আন্তৰিক সহযোগিতাত সুন্দৰভাৱে ৰূপায়ণ হবলৈ ধৰাৰ সময়তে শেহতীয়াকৈ আকস্মিক ভাৱে বিদ্যুতকৰ্তন সমস্যাই আঁচনি সমূহ সফল ৰূপায়ণত হেঙাৰ হবলৈ ধৰিছে। স্মতব্য যে যদিও জিলা জনস্বাস্থ্য কাৰীকৰি বিভাগৰ তত্ত্বাবধানত জল জীৱন আঁচনিসমূহ পৰিচালিত হয়, জানিবপৰা মতে পঞ্চায়ত আৰু জিলা পৰিষদৰ পৰা বিদ্যুৎ বিল সমূহ পৰিশোধ কৰে। জানিব পৰা মতে গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগত এই জল জীৱনৰ বিদ্যুৎ বিল অথবা অনান্য মেৰামতিৰ টকা আগতিয়াকৈ জমা থাকে যদিও বিভাগীয় বিষয়া-কৰ্মচাৰীৰ অমনোযোগীতাৰ বাবে সময়মতে বিল পৰিশোধ নোহোৱাৰ বাবেই স্মাৰ্ট মিটাৰ সংযোগৰ পিছৰে পৰা সঘনাই আমস্মিক বিদ্যুৎ কৰ্তন সমস্যাই দেখা দিছে। যাৰ ফলত জল জীৱন আঁচনি সমূহৰ উপভোক্তা ৰাইজ পানীৰ দৰে মৌলিক সমস্যাৰ সন্মুখিন হব লগা হৈছে। যিহেতু জল জীৱন আঁচনিৰ পানী ব্যৱহাৰৰ কৰি কৰি অন্য পানী ব্যৱহাৰ নোহোৱা হৈছে, এনে সময়ত হঠাতে আঁচনি সমূহৰ পানী বিদ্যুৎ বিল পৰিশোধ নকৰাৰ বাবে বন্ধ হৈ পৰাত উপভোক্তা ৰাইজ অত্যন্ত সমস্যাত পৰিছে। এই ক্ষেত্ৰত উল্লেখ কৰা ভাল যে নগাঁওজন স্বাস্থ্য কাৰিকৰী বিভাগৰ মাজ-জাজৰি-দৰঙিয়াল গাঁও পঞ্চায়তৰ অন্তৰ্গত বগৰিগুৰি (দলংঘাট) জল জীৱন আঁচনিখন আজি ৫ দিন ধৰি আকস্মিক বিদ্যুৎ কৰ্তনৰ বাবে বন্ধ হৈ থকাত ৪৫০ ঘৰ উপভোক্তা ৰাইজ বিশুদ্ধ খোৱাপানীৰ সমস্যাত পৰিব লগা হৈছে। স্থানীয় ৰাইজে ক্ষুভেৰে জনাই যে এনেদৰে জনতাৰ উপকাৰৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সমগ্ৰ ভাৰতবৰ্ষতে বলবত কৰা সুদুৰপ্ৰসাৰী জল জীৱন আঁচনিখন বিষয়া-কৰ্মচাৰীৰ অমনোযোগীতাৰ বাবেই বিফল হোৱাৰ দিশত গতি কৰিছে। এই ক্ষেত্ৰত জনসাধাৰণৰ সমস্যাৰ প্ৰতি গুৰুত্ব দি সঠিক পদক্ষেপ গ্ৰহণৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ দাবী জনাইছে।

## কামৰূপ জিলা ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাৰ যৌথ সভা



**অসম বাৰ্তা, ৰঙ্গিয়া, ১৬ মে' ঃ** সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অসম উন্নতি সভা কামৰূপ জিলা সমিতিৰ সহযোগত ৰঙ্গিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ শ্বহীদ ভৱনত এখন যৌথ সভা অনুষ্ঠিত কৰা হয়। অসম উন্নতি সভাৰ কামৰূপ জিলাৰ সমিতিৰ সভাপতি খগেন হীৰাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাখন পৰিচালনা কৰে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাঃসম্পাদক তৌফিকুৰ ৰহমানে। সভাত উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যলয় সম্পাদক ভৱজ্যেতি ডেকাই কয় যে সদৌ অসম ছাত্ৰ সন্থাৰ ভাতৃ সংগঠন অসম উন্নতি সভা। অসম উন্নতি সভাৰ কামৰূপ জিলা সমিতি খনে আমাৰ যুৱক যুৱতী সকলক অৰ্থনৈতিক ভাৱে সবল কৰা, কৰ্ম সংস্কৃতিৰে স্বাৱলম্বনৰ লক্ষ্যৰে আগবঢ়াই নিয়াটো প্ৰধান লক্ষ্য। আমাৰ যুৱক-যুৱতী সকলে যেতিয়া অৰ্থনৈতিক ভাৱে সবল হ'ব তেতিয়া আমাৰ নিবনুৱা সমস্যাৰ কিছু হলেও সমাধান হব। সভাত উপস্থিত থাকি অসম উন্নতি সভাৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি ডম্বৰু কলিতাই কয় আমি নৱ-প্ৰজন্মক সংস্থাপনৰ বাট দেখুৱাব লাগিব। আমি সকলোৱে মিলি কৃষি কৰ্মৰ জৰিয়তেই অৰ্থনৈতিক সংগ্ৰামখনত আগবাঢ়িব লাগিব। ছাগলীৰ ফ্ৰাম, কুকুৰাৰ ফ্ৰাম, কলখেতি ইত্যাদি বিষয়ৰ ওপৰত চিন্তা কৰি আগবাঢ়িব লাগিব, তেতিয়াহে আমি বজাৰ আমাৰ পথাৰ আমাৰ বুলি কব পাৰিম। সভাত উপস্থিত থাকি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি সুৰজিত কলিতাই ছাত্ৰ সন্থা আৰু উন্নতি সভাই যৌথভাৱে কৃষি বিপ্লৱত আগবঢ়াৰ বাবে কয়। সভাত উপস্থিত থাকি ৰোহিনী কুমাৰে কৰ্মমুখী চিন্তাৰে জিলা সমিতিখনক আগবাঢ়িব লৈ পৰামৰ্শ আগবঢ়াই। সভাত মোহন মাধৱ বৰ্মনে কয় আমি ছাত্ৰ-ছাত্ৰী সকলক নিযুক্তি পৰীক্ষা সমূহত সহায়ক হোৱাৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব, কৃষি কৰ্মত উৎসাহিত কৰাৰ বাবে কৃষি কৰ্মৰ প্ৰশিক্ষণ, মীন বিভাগত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি স্বাৱলম্বীতাৰ পথ দেখুৱাব লাগিব বুলি পৰামৰ্শ আগবঢ়াই। সভাত ননিধৰ কলিতা, উমেশ কলিতা, ত্ৰৈলোক্য কলিতা, অতুল কলিতাই বক্তব্য আগবঢ়াই। উক্ত সভাত আগন্তুক বৰ্ষৰ বাবে অসম উন্নতি সভাৰ কামৰূপ জিলা সমিতিৰ সভাপতি হিচাপে খগেন হীৰা, সাঃসম্পাদক হিচাপে ইমদাদুৰ ৰহমানক দায়িত্ব দিয়া হয়। ডম্বৰু কলিতা, ৰোহিনী কুমাৰ, মোহন মাধৱ বৰ্মনক কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰা হয়। আজিৰ সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত উপস্থিত থাকেকামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা গোলোক ৰাজবংশী, অসম সেনাৰ নন্দেশ্বৰ দাস, কামালুৰ জামান সহ ভালেমান ছাত্ৰ নেতা।

## গোলকগঞ্জ জীৱেশ চন্দ্ৰ প্ৰধানী জাতীয় বিদ্যালয়ৰ সফলতাৰ ধাৰা অব্যাহত

**উত্তীৰ্ণ হাৰ ১০০ শতাংশ**

**অসম বাৰ্তা, গোলোকগঞ্জ, ১৬ মে' ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জস্থিত জীৱেশ চন্দ্ৰ প্ৰধানী জাতীয় বিদ্যালয়-এ ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উজ্জ্বল সফলতা লাভ কৰি পুনৰবাৰ নিজৰ কৃতিত্বৰ ধাৰা অব্যাহত ৰাখিছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ঘোষণা কৰা ফলাফল অনুসৰি বিদ্যালয়খনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ৭৫ গৰাকী পৰীক্ষাৰ্থীৰ সকলোই উত্তীৰ্ণ হয়। ফলত বিদ্যালয়খনৰ উত্তীৰ্ণ হাৰ হৈছে শতভাগ। ইয়াৰে ৬৯ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত আৰু ৬গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। লগতে ১৫ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰসহ উত্তীৰ্ণ হোৱাৰ উপৰিও সৰ্বমুঠ ৮৯ সংখ্যা লেটাৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ সমান্তৰালভাৱে উচ্চতৰ মাধ্যমিক পৰীক্ষাতো বিদ্যালয়খনৰ ফলাফল সন্তোষজনক হয়। ক'লা শাখাত মুঠ ২৯ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ইয়াৰে ২২ গৰাকী প্ৰথম বিভাগত, ৩ গৰাকী দ্বিতীয় বিভাগত আৰু ৪ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। তদুপৰি ৬ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰসহ উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিজ্ঞান শাখাতো ১ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত, ৩গৰাকী দ্বিতীয় বিভাগত আৰু ৪ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ এনে ধাৰাবাহিক সফলতাত গোলকগঞ্জ অঞ্চলৰ ৰাইজ, অভিভাৱক তথা শৈক্ষিক মহলে গভীৰ সন্তুষ্টি প্ৰকাশ কৰিছে।

## কামৰূপ জিলাত মাছ মৰাৰ ক্ষেত্ৰত বি এন এছ এছৰ অধীনত বিশেষ নিষেধাজ্ঞা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ মে' ঃ** কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই যোৱা ২৭ মাৰ্চত এক নিৰ্দেশ যোগে মাছৰ প্ৰাকৃতিক প্ৰজনন আৰু বংশ বৃদ্ধি নিশ্চিত কৰাৰ উদ্দেশ্যৰে কামৰূপ জিলাৰ সকলো মীন ক্ষেত্ৰ আৰু প্ৰাকৃতিক জলাশয়ত বি এন এছ এছৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে তৎকালীনভাৱে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা সমগ্ৰ জিলাতে অহা ১৫ জুলাই পৰ্যন্ত প্ৰযোজ্য হৈ থাকিব। নিষেধাজ্ঞা অনুসৰি ১ এপ্ৰিলৰ পৰা ১৫ জুলাই লৈ মাছৰ প্ৰজনন ঋতুৰ সময়ছোৱাত অসম মীন বিধি ১৯৫৩ৰ ২৩ (১) ৰ অধীনত ঘোষিত মীন ক্ষেত্ৰত ৭ ছেঃ মিঃ বাৰ/১৪ ছেঃ মিঃ তকৈ কম পাঁহিৰ বেৰজাল, মহাজাল, ফাঁচিজাল বা অন্য কোনো জাল ব্যৱহাৰত বাধা আৰোপ কৰা হৈছে। তদুপৰি অসম মীন বিধি ১৯৫৩ৰ ২৩ (২) অনুসৰি সমগ্ৰ বছৰ জুৰি মীন ক্ষেত্ৰ সমূহত ১ ছেঃ মিঃ বাৰ/ ২ ছেঃ মিঃ তকৈ কম পাঁহৰ জালেৰে মাছ মৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তদুপৰি ২৩ ক (১) বিধিৰ অধীনত ১ এপ্ৰিলৰ পৰা ৩১ জুলাইৰ সময়ছোৱাত কেতবোৰ বিশেষ প্ৰজাতিৰ পোনা দিব পৰা মাছ ধৰা, ক (২) বিধিৰ অধীনত ১ আগষ্টৰ পৰা ৩১ অক্টোবৰৰ সময়ছোৱাত খোৱা বা আন যিকোনো উদ্দেশ্যৰে কেতবোৰ বিশেষ প্ৰজাতিৰ মাছৰ পোৱালি বিক্ৰী কৰা, মাছ ধৰা আৰু মৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

## বাৰিষাৰ আগমন !গুৱাহাটীত

কাম বন্ধ কৰি দিব লাগিব। লগতে নিৰ্মাণৰ সময়ত মাটি দ'মাই থোৱাতো বাধা আৰোপ কৰা হৈছে। জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ স্বপ্নীল পালে জানিবলৈ দিয়ে যে পাহাৰীয়া অঞ্চলত অবৈজ্ঞানিকভাৱে মাটি কটা আৰু মাটি ভৰ্তি কৰাৰ বাবেই বৰষুণ দিলে কৃত্ৰিম বান আৰু ভূমিস্খলনে জটিল ৰূপ লয়। তেওঁ কয়, “দ'মাই থোৱা মাটি পানীৰ লগত মিহলি হৈ নলাবোৰ বন্ধ কৰি দিয়ে। ফলত বৰষুণৰ পানী পাৰ হ'ব নোৱাৰি আৰু বহু সময়লৈকে অঞ্চলবোৰ জলমগ্ন হৈ থাকে।” প্ৰশাসনে গুৱাহাটীৰ একাধিক অঞ্চলক ‘স্পৰ্শকাতৰ ভূমিস্খলনপ্ৰৱণ এলেকা’ হিচাপে চিহ্নিত কৰিছে। এই এলেকাসমূহ হৈছে: খাৰঘুলি, নৱগ্ৰহ, নুনমাটি, কামাখ্যা, চানমাৰি, কাহিলিপাৰা, খানাপাৰা, বোন্দা, চুণচালি, লিচুবাগান, হেঙেৰাবাৰী, নৰকাসুৰ, দুৰ্গা সৰোবৰ, ফটাশিল আদি। ইয়াৰ ভিতৰত চুণচালিত সৰ্বাধিক ৭৭টা স্থান, খাৰঘুলিত ৩৭টা স্থান, নুনমাটিত ৪০টা স্থান, হেঙেৰাবাৰীত ৩০টা স্থান, কাহিলিপাৰাত ২৫টা স্থান আৰু খানাপাৰাত ৩৩টা স্থান আটাইতকৈ বেছি বিপদসংকুল বুলি প্ৰশাসনৰ তথ্যত উল্লেখ আছে। ইফালে, ভূমি অধিকাৰ সংগ্ৰাম সমিতিৰ সভাপতি প্ৰণৱজ্যোতি কলিতাই প্ৰশাসনৰ এই পদক্ষেপক আধা-উদ্যম বুলি সমালোচনা কৰে। তেওঁ কয়, “কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্বতে গুৱাহাটী মহানগৰীৰ ৩৯২টা পাহাৰীয়া এলেকা ভূমিস্খলনপ্ৰৱণ বুলি চিহ্নিত কৰিছিল। কিন্তু চিহ্নিত কৰিয়েই থৈ দিছে। এই অঞ্চলসমূহ সুৰক্ষিত কৰাৰ বাবে কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা নাই।” কলিতাই লগতে কয় যে ফটাশিল, ভঙাগড়, গোটানগৰ, হেঙেৰাবাৰী, জালুকবাৰী, লংকেশ্বৰ, কাহিলিপাৰা, কালাপাহাৰ, খাৰঘুলি, কইনাধৰা, মালিগাঁও, চুণচালি, নৱগ্ৰহ, নৰকাসুৰ, নাৰেংগী, নুনমাটি আদি অঞ্চলবোৰত বসবাস কৰা লোকসকল অতি দৰিদ্ৰ। বিকল্প বাসস্থান নথকাৰ বাবে তেওঁলোকে শঙ্কাৰ মাজেও পাহাৰৰ কাষতে বা পাহাৰৰ ওপৰতে জীৱন-জীৱিকা নিৰ্বাহ কৰি আছে। “প্ৰতি বছৰে বাৰিষা আহিলে এই লোকসকলে মৃত্যুৰ লগত খেলি থাকে। কিন্তু জিলা প্ৰশাসন বা আন কোনো চৰকাৰী বিভাগেই তেওঁলোকৰ ভৱিষ্যতৰ দায়িত্ব লোৱাত আগ্ৰহী নহয়” বুলি কলিতাই অভিযোগ উত্থাপন কৰে। তেওঁ দাবী কৰে যে প্ৰশাসনে কেৱল নিষেধাজ্ঞা জাৰি কৰি আৰু এলেকা চিহ্নিত কৰি দায়িত্ব সামৰি লয়। অথচ ইতিমধ্যে গুৱাহাটীৰ বহু স্থানত বাৰিষাৰ আগতীয়া বৰষুণেই মাটি খহনিৰ সৃষ্টি কৰিছে। সূত্ৰৰ মতে, গুৱাহাটী পৌৰ নিগম, জিএমডিএ, ৰাজহ চক্ৰ বিষয়া, মহানগৰ আৰক্ষী, বন বিভাগ, লোক নিৰ্মাণ বিভাগ, পৰিবহণ বিভাগ আৰু মাটি সংৰক্ষণ বিভাগক এই নিষেধাজ্ঞা মানি চলিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে। যিকোনো উলংঘনকাৰীৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব। কিন্তু নাগৰিক সংগঠনসমূহৰ মতে শুধু নিষেধাজ্ঞা নহয়, ভূমিস্খলনপ্ৰৱণ অঞ্চলৰ বাসিন্দাসকলৰ পুনৰ্বাসনৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা প্ৰয়োজন।

## ২৪ ঘণ্টাত দ্বিতীয়বাৰলৈ

বাঢ়িল সংপীড়িত প্ৰাকৃতিক গেছ (চিএনজি)ৰ দাম। ৰাজধানীৰ গেছ বিতৰক সংস্থা ইন্দ্ৰপ্ৰস্থ গেছ লিমিটেডে (আইজিএল) দেওবাৰে সমগ্ৰ নেটৱৰ্কতে চিএনজিৰ মূল্য প্ৰতি কিলোগ্ৰামত এক টকাকৈ বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে ১৫ মে'ত পেট্ৰ'ল-ডিজেলৰ মূল্য ৩ টকাকৈ বৃদ্ধি কৰাৰ সমান্তৰালকৈ চিএনজিৰ দাম প্ৰতি কিলোগ্ৰামত ২ টকা বঢ়াইছিল আইজিএলে। সেই অনুসৰি মাত্ৰ তিনিদিনৰ ভিতৰতে নতুন দিল্লীত চিএনজিৰ মূল্য মুঠতে ৩ টকা বৃদ্ধি পালে। সংশোধনৰ পিছত দিল্লীত হাজাৰ হাজাৰ অটো, টেক্সি আৰু বাণিজ্যিক বাহনত ব্যৱহৃত চিএনজিৰ মূল্য ৮০.০৯ টকাত উপনীত হৈছে। চহৰখনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে চিএনজিৰ দাম ৮০ টকাৰ গণ্ডী পাৰ কৰিলে। প্ৰসংগক্ৰমে, নয়দা আৰু গাজিয়াবাদত বৰ্তমান চিএনজিৰ মূল্য প্ৰতি কিলোগ্ৰামত ৮৮.৭০ টকা। উল্লেখ্য যে ১৫ মে'ত আইজিএলে প্ৰতি কেজি চিএনজিৰ মূল্য ২ টকা বৃদ্ধি কৰাৰ পিছত মূল্যটি ৭৯.০৯ টকালৈ উঠিছিল। দেওবাৰৰ এক টকাৰ বৃদ্ধিয়ে এই মূল্য ৮০ টকাৰ সীমা অতিক্ৰম কৰালে। এই পদক্ষেপে চিএনজি-নিৰ্ভৰ ব্যক্তিগত বাহনৰ মালিক, টেঁচিালক আৰু অটো-যোগীসকলৰ পৰিবহণ ব্যয় যথেষ্ট বঢ়াই দিব বুলি আশংকা কৰা হৈছে। ফলস্বৰূপে পৰোক্ষভাৱে সাধাৰণ যাত্ৰী আৰু সামগ্ৰী পৰিবহণৰ ভাৰাও বৃদ্ধি পাব পাৰে। দিল্লী পেট্ৰ'ল ডিলাৰ এছ'চিয়েশ্যনৰ সভাপতি নিশাল সিংহানীয়ে কয়, “তিনিদিনৰ ভিতৰতে চিএনজিৰ মূল্য দুবাৰকৈ বৃদ্ধি কৰা হৈছে। প্ৰথমে ২ টকা, তাৰ পিছত এক টকা। বৰ্তমান দিল্লীত চিএনজিৰ মূল্য প্ৰতি কিলোগ্ৰামত ৮০.০৯ টকা। এই একেৰাহে মূল্যবৃদ্ধিয়ে অটো, টেক্সি আৰু বাণিজ্যিক বাহনৰ পৰিচালনা ব্যয় আকাশচুম্বী কৰিব। যাৰ জেৰা পৰিব অনাগত দিনত ভাৰা আৰু অন্যান্য সামগ্ৰীৰ পৰিবহণ ভাড়াতো।” এই মূল্যবৃদ্ধিৰ আঁৰত থকা প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে পশ্চিম এছিয়াৰ উত্তপ্ত পৰিস্থিতি। বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ বাণিজ্যিক পথ হৰমুজ জলদ্বীপ বন্ধ হৈ থকা অৱস্থাত বিশ্বব্যাপী তেল আৰু গেছৰ প্ৰায় পঞ্চমাংশ পৰিবহণ বেয়াই পৰিছে। ইৰাণ-ইজৰাইল-আমেৰিকাৰ সামৰিক সংঘাতে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য চৰম অস্থিৰ কৰি তুলিছে। সমালোচনাৰ প্ৰত্যুত্তৰত কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, “বিশ্বজুৰি খাৰুৱা তেলৰ মূল্য তীব্ৰভাৱে বৃদ্ধি পোৱা সত্ত্বেও ভাৰতে পেট্ৰ'ল আৰু ডিজেলৰ মূল্যবৃদ্ধি যথেষ্ট সীমিত কৰি ৰাখিছে। বহু দেশত ইন্ধনৰ মূল্য ২০ শতাংশৰ পৰা প্ৰায় ১০০ শতাংশলৈ বাঢ়িলেও ভাৰতত পেট্ৰ'লৰ মূল্য বাঢ়িছে মাত্ৰ ৩.২ শতাংশ আৰু ডিজেলৰ ৩.৪ শতাংশ।” তেওঁ লগতে কয় যে বিশ্ববজাৰত খাৰুৱা তেল প্ৰতি বেৰেলত ১০০ ডলাৰৰ সীমা অতিক্ৰম কৰাৰ পিছতো ভাৰতৰ ৰাজহুৱা খণ্ডৰ তেল কোম্পানীসমূহে গ্ৰাহকক সকাহ দিবলৈ কেইবাসপ্তাহ ধৰি লোকচান গ্ৰহণ কৰি আহিছিল। ইফালে দিল্লীৰ লগতে অন্যান্য মহানগৰীতো ইন্ধনৰ মূল্য বৃদ্ধিৰ সম্ভাৱনা উডুউৰা হৈছে। চিএনজিৰ বৰ্ধিত মূল্যই যাতে অটো আৰু টেক্সি ভাড়াত প্ৰত্যক্ষ প্ৰভাৱ নেপেলায় সেই বিষয়ে চৰকাৰক ব্যৱস্থা ল'বলৈ ৰাইজৰ ফালৰ পৰা দাবী উত্থাপিত হৈছে।

## ভৰলুমুখৰ গছ কটা বিৰোধী

দাসৰ বিৰুদ্ধে আদালতে চমন জাৰি কৰিছে। অলপতে আৰক্ষীয়ে আদালতত অভিযোগনামা দাখিল কৰাৰ পিছতে ন্যায়ালয়ৰ তৰফৰ পৰা এই চমন প্ৰেৰণ কৰা হয়। গোলাঘাট আৰক্ষী থানাৰ জৰিয়তে অভিযুক্ত অধিবক্তাগৰাকীৰ বাসগৃহলৈ প্ৰেৰণ কৰা চমন অনুসৰি, অহা ২৫ জুনত তেওঁক আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। চৰকাৰী পক্ষই ভৰলুমুখৰ গছ কটা বিৰোধী আন্দোলনৰ সৈতে জড়িত থকাৰ বাবেই দাসক এই গোচৰটোত অভিযুক্ত সজাইছিল। প্ৰাপ্ত তথ্য আৰু অধিবক্তাগৰাকীৰ সামাজিক মাধ্যমৰ বিবৃতি অনুসৰি, ভৰলুমুখৰ পৰিৱেশ সুৰক্ষা আন্দোলনৰ সময়ত তেওঁৰ বিৰুদ্ধে চৰকাৰে গোচৰ ৰুজু কৰিছিল। উক্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত পূৰ্বতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ১২ দিনৰ বাবে অনিন্দিতা দাসক অগ্ৰিম জামিন মঞ্জুৰ কৰিছিল। বৰ্তমান গোচৰটোৰ তদন্ত প্ৰক্ৰিয়া শেষ কৰি অভিযোগনামা দাখিল হোৱাত আদালতৰ পৰা PRC 165ǘ26 নম্বৰৰ অধীনত ‘অভিযুক্তলৈ চমন’ প্ৰেৰণ কৰা হৈছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অনিন্দিতা দাসে সামাজিক মাধ্যমত উল্লেখ কৰে যে এগৰাকী অধিবক্তা হৈও সমাজৰ স্বাৰ্থত মাত মতাৰ বাবেই তেওঁ জীৱনত প্ৰথমবাৰৰ বাবে আদালতৰ কাঠগড়াত থিয় হ'বলগীয়া হৈছে। তেওঁ লগতে কয় যে ইয়াৰ পিছতো নিজৰ স্থিতিত অটল থাকি গছ, প্ৰকৃতি তথা সমাজৰ সুৰক্ষাৰ হকে সদায় কণ্ঠ নিগৰাই যাব। উল্লেখ্য যে, গুৱাহাটীৰ উন্নয়নমূলক প্ৰকল্পৰ নামত ভৰলুমুখ অঞ্চলত ব্যাপক হাৰত প্ৰাচীন গছ কাটি ধ্বংস কৰাৰ বিৰুদ্ধে স্থানীয় সচেতন নাগৰিক আৰু পৰিৱেশপ্ৰেমীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। সেই আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা অনিন্দিতা দাসৰ বিৰুদ্ধে চৰকাৰী পক্ষই আইনী ব্যৱস্থা গ্ৰহণ কৰে। বৰ্তমান আদালতৰ এই চমন জাৰি হোৱাৰ পিছত ৰাজ্যৰ পৰিৱেশ কৰ্মী আৰু সচেতন মহলৰ মাজত বিষয়টোক লৈ বিশেষ চৰ্চা আৰম্ভ হৈছে। অহা ২৫ জুনত হ'বলগীয়া পৰৱৰ্তী আদালতৰ শুনানি আৰু এই সন্দৰ্ভত হ'বলগীয়া আইনী প্ৰক্ৰিয়াক লৈ এতিয়া সচেতন ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ পৰিছে।

## ধৰ্মীয় সংখ্যালঘু লোকে

সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে অসমৰ মুছলমানসকলক লুইতপৰীয়া অসমীয়া হিচাপে আঁকোৱালি লোৱা বুলি মন্তব্য কৰাৰ লগতে অনাগত লোক পিয়লক লৈ এটা ডাঙৰ মন্তব্য কৰে। ড° বসন্ত কুমাৰ গোস্বামীৰ মন্তব্য- কৰি কয় যে আহি থকা লোক পিয়লত চৰ চাপৰিৰ লোকসকলে যদি সহযোগ নকৰে তেন্তে অসমীয়া দ্বিতীয় শ্ৰেণীৰ নাগৰিক হোৱাটো ১০০ শতাংশই নিশ্চিত। অৱশ্যে এই লোকসকলে ‘ব’ নিলিখো ‘অ’ লিখিব বুলি কোৱা কথা উল্লেখ কৰে আৰু এয়া জাতিটোৰ বাবে ইতিবাচক দিশ বুলি অভিহিত কৰে। চৰবাসীয়ে যদি লোক পিয়লত অসমীয়া পৰিচয় নিদিলেহেতেন তেতিয়াহ'লে ১৯৩১চন, ১৯৪১চন অথবা ১৯৫১ চনতেই অসমীয়া সংখ্যা লঘিষ্ঠ হ'লহেতেন। মুছলমান মাত্ৰেই বিদেশী নহয়। জাকত জীন যোৱা বিদেশী আমাৰ বাপটি সাহোন বুলিও মন্তব্য কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। অহা লোকপিয়লটোক মুল লক্ষ্য বুলি অভিহিত কৰি ড° বসন্ত কুমাৰ গোস্বামীৰ মন্তব্য- বড়ো জনগোষ্ঠী বা মিচিং জনগোষ্ঠীয়ে কেতিয়াও অসমীয়া বুলি নকয়। কিন্তু চৰবাসীয়েহে অসমীয়া বুলি কব। চৰাঞ্চলত অসমীয়াত ফেল কৰা ল'ৰা-ছোৱালী এজনো নাই বুলিও মন্তব্য কৰে। চৰ অঞ্চলত অসমীয়া বিষয়ত ১০০ৰ ভিতৰত ১০০ নম্বৰ পোৱা ছাত্ৰ ছাত্ৰীৰ প্ৰসংগ উত্থাপন কৰি শিৱসাগৰ, যোৰহাটত অসমীয়াত ফেল কৰা ল'ৰা- ছোৱালীৰ সংখ্যা অধিক বুলি মন্তব্য কৰে। চৰ অঞ্চলত এজন ল'ৰা-ছোৱালীয়েও অসমীয়াত ফেল কৰা নাই। এয়া এনেই কোৱা কথা নহয়, এয়া ষ্টেটিকটিকচ। অসম সাহিত্য সভাই জাতি জনগোষ্ঠী, চৰ চাপৰি অঞ্চলৰ লুইতপৰীয়া অসমীয়াসকলক লৈ সমন্বয় সাধনৰ চেষ্টা চলাইছে। ড° বসন্ত কুমাৰ গোস্বামীয়ে আৰু কয় যে ৰাজনীতিয়ে সমাজখন ভাঙি থানবান কৰে আৰু সাহিত্য সভাই সংস্কৃতিৰে সেই ভগা হাড়বোৰ যোৰা দিবলৈ কয়াকুছিলৈ আহিছো বুলি মন্তব্য কৰে। ড° বসন্ত কুমাৰ গোস্বামীয়ে বিচিত্ৰতাৰ মাজত ঐক্যৰ সূতাডাল উলিয়াই সাংস্কৃতিক বান্ধোনেৰে নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ যত্ন কৰিব লাগিব বুলি কয়। যিটো চৰ চাপৰিবাসীয়ে কৰিছে। অসম সাহিত্য সভাৰ উদ্যোগত আৰু ‘চৰ-চাপৰি ভাষা-সাহিত্য-সংস্কৃতি উপ-সমিতি’ৰ সহযোগত কয়াকুছিত অনুষ্ঠিত বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৱেশ- ২০২৬ শীৰ্ষক অনুষ্ঠানত সাহিত্য সভাৰ উপ-সভাপতি পদুম হাজৰিকা, প্ৰধান সম্পাদক দেৱজিৎ বৰা, ইছমাইল হুছেইন, বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰ, গিৰিধৰ চৌধুৰী, চাদুল্লা খানকে ধৰি বহু লোকে অংশগ্ৰহণ কৰে।

## দেশত নহয় কোনো লকডাউন, কিন্তু সংকটৰ বাবে সাজু

অত্যধিক সামগ্ৰী কিনি জমা নকৰিবলৈ অনুৰোধ জনায়। শুকুৰবাৰে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰধানমন্ত্ৰীৰ এই আহ্বানক পূৰ্ণ সমৰ্থন জনাই কয় যে বৰ্তমান বিশ্বৰ পৰিস্থিতি বেয়া ফালে ঢাল খাইছে, সেয়েহে ভাৰতে আগতীয়া প্ৰস্তুতি চলোৱা অতি প্ৰয়োজনীয়। ৰিজিজুৱে স্পষ্টভাৱে কয় যে ভাৰতত বৰ্তমান কোনো ডাঙৰ সংকট নাই। কিন্তু পশ্চিম এছিয়াৰ অশান্তিয়ে বিশ্বৰ শক্তি বজাৰ আৰু বাণিজ্যত প্ৰভাৱ পেলোৱাৰ বাবে আমি দায়িত্বশীলভাৱে কাম কৰিব লাগিব। তেওঁ জানিবলিয়ে দিয়ে যে অহা কেবিনেট বৈঠকত এই সংকটৰ সময়ত কেনেদৰে শক্তি সংৰক্ষণ কৰিব পাৰি আৰু ইন্ধনৰ যোগান নিয়মীয়াকৈ কেনেকৈ চলাই ৰাখিব পাৰি, সেই বিষয়ে বিস্তাৰিত আলোচনা অনুষ্ঠিত হ'ব। বিশেষকৈ খাৰুৱা তেলৰ দাম বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ইন্ধন ব্যৱহাৰ কমোৱাৰ ওপৰত বৈঠকটোত গুৰুত্ব দিয়া হ'ব বুলি আশা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, “পশ্চিম এছিয়াৰ এই সংকট ভাৰতে সৃষ্টি কৰা নাই, কিন্তু ইয়াৰ প্ৰভাৱ আমাৰ ওপৰতো পৰিব পাৰে। সেয়েহে আমি আগতিয়াকৈ সাজু থাকিব লাগিব।” তেওঁ লগতে উল্লেখ কৰে যে যোৱা বাৰ বছৰ ধৰি প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ ভিতৰতে উৎপাদন বৃদ্ধি কৰি বিদেশৰ পৰা আমদানি কমাবলৈ অহৰহ চেষ্টা কৰি আহিছে। তথাপি ভাৰত তেল আমদানি কৰা দেশসমূহৰ ভিতৰত দ্বিতীয় স্থানত আছে। গতিকে এনে কঠিন সময়ত আমি আমাৰ নেতাৰ কথা শুনাটো উচিত। এয়া লৈ ৰাজনীতি নকৰিবলৈ ৰিজিজুৱে বিৰোধী দলসমূহক আহ্বান জনায়। তেওঁ কয়, “সাধাৰণ সময়ত আমি ৰাজনীতি কৰিব পাৰো, কিন্তু সংকটৰ সময়ত সমগ্ৰ দেশ আৰু বিৰোধী দলসমূহ একগোট হৈ দেশৰ নেতাৰ লগত থিয় দিয়াটো প্ৰয়োজন।” ভাৰতে নিজৰ প্ৰয়োজনীয় খাৰুৱা তেলৰ এক বৃহৎ অংশ বিদেশৰ পৰা কিনে, যাৰ বাবে বিদেশত হোৱা যিকোনো যুদ্ধ বা উত্তেজনাই ভাৰতত প্ৰভাৱ পেলায়। চৰকাৰে সোণৰ আমদানি শুল্ক বৃদ্ধি বা অন্যান্য যিবোৰ সিদ্ধান্ত লৈছে, সেয়া কেৱল দেশৰ স্বাৰ্থত লোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। কেৱল জনসাধাৰণেই নহয়, চৰকাৰী বিভাগসমূহকো খৰচ কমাবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনায় যে সকলো মন্ত্ৰালয়ক শক্তিৰ ব্যৱহাৰ পঞ্চাশ শতাংশতকৈ অধিক কমাবলৈ কোৱা হৈছে। লগতে অতি প্ৰয়োজন নহ'লে বিদেশ ভ্ৰমণ বাতিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। যদি দেশৰ কোটি কোটি জনসাধাৰণে প্ৰধানমন্ত্ৰীৰ এই আহ্বান মানি চলে, তেন্তে ইয়াৰ এক অতি ইতিবাচক প্ৰভাৱ পৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। শেষত ৰিজিজুৱে দেশত লকডাউন বা জৰুৰীকালীন অৱস্থা ঘোষণা হোৱাৰ সকলো উৰাবাতৰি খণ্ডন কৰি কয় যে দেশত কোনো লকডাউন নাই। মানুহে অযথা ভয় খাব নালাগে। কেৱল ভৱিষ্যতৰ সুৰক্ষাৰ বাবে আমি সাৱধান আৰু সাজু হৈ থকাটোৱেই মূল লক্ষ্য।

## এডভাণ্টেজ আছাম ২.০ৰ

আছাম ২.০ৰ যোগেদি অসম চৰকাৰে যিবোৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি আৰু চুক্তি লাভ কৰিছিল, সেইবোৰ কিমান কাৰ্যকৰী হ'ল— সেই প্ৰশ্ন স্বাভাৱিকভাৱে উত্থাপিত হৈছিল। এই প্ৰশ্নৰ উত্তৰ এতিয়া দিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। দেওবাৰে সামাজিক মাধ্যম এ'ত (পূৰ্বৰ টুইটাৰ) এখন পোষ্টযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে এডভাণ্টেজ আছাম ২.০ৰ প্ৰতিশ্ৰুতি বাস্তৱায়নৰ এক বিস্তাৰিত খতিয়ান দাঙি ধৰে। তেওঁ কয়, “২০২৫ৰ প্ৰথমাৰ্ধতে এডভাণ্টেজ আছাম ২.০ত আমি লাভ কৰিছিলোঁ ৫ লাখ কোটি টকাৰো অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি। সেই প্ৰতিশ্ৰুতিসমূহৰ পূৰ্ণতা হিচাপে স্বাক্ষৰিত বুজাবুজি চুক্তিৰ অধীনৰ প্ৰকল্পসমূহৰ ৬০ শতাংশই ইতিমধ্যে ৰূপায়ণৰ উন্নত পৰ্যায়ত উপনীত হৈছে। ইতিমধ্যে বহুকেইটা বিনিয়োগ প্ৰতিশ্ৰুতি কাৰ্যকৰী হৈছে। সামগ্ৰিকভাৱে বিনিয়োগসমূহ সম্পূৰ্ণ বাস্তৱায়িত হ'লে এয়া অসমৰ বাবে নিশ্চিতভাৱে এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হ'ব।” উল্লেখ্য যে, এডভাণ্টেজ আছাম ২.০ৰ জৰিয়তে অসম চৰকাৰে মুঠ ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগ প্ৰতিশ্ৰুতি লাভ কৰিছিল। ইয়াৰে প্ৰায় ৩.১ লাখ কোটি টকাৰ বিনিয়োগেৰে বিভিন্ন প্ৰকল্প উন্নত পৰ্যায়ত আছে আৰু কিছুমান প্ৰকল্প ইতিমধ্যে কাৰ্যকৰী হৈ উঠিছে। গুৰুত্বপূৰ্ণ কথা হৈছে, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বিনিয়োগৰ বাবে হোৱা চুক্তিসমূহ কেবিনেটৰ অনুমোদন সাপেক্ষে সম্পন্ন কৰা হৈছিল। চলিত বৰ্ষৰ মাৰ্চ মাহত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ‘এডভাণ্টেজ আছাম ২.০’ৰ অধীনত অসম চৰকাৰে দেশৰ ৬৯টা আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ সৈতে ‘বিনিয়োগ নিশ্চিতকৰণ’ চুক্তি স্বাক্ষৰ কৰে। সেই অনুষ্ঠানত মুঠ ২, ৬৪, ৩৮৯ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অসম চৰকাৰে এতিয়ালৈকে এই সন্মিলনৰ জৰিয়তে তিনি লাখ কোটি টকাৰ বিনিয়োগ প্ৰত্যক্ষভাৱে ‘গ্ৰাউণ্ড’লৈ আনিবলৈ সক্ষম হৈছে। সম্পৰ্কিত বিনিয়োগকাৰীসকলে নিজ পৰ্যায়ত কাম আৰম্ভ কৰি দিছে। মুখ্যমন্ত্ৰী শৰ্মাই পূৰ্বেই সদৰি কৰিছিল যে ২০২৬ চনৰ ভিতৰত অসম চৰকাৰে ৫ লাখ কোটি টকাৰ বিনিয়োগৰ সীমা স্পৰ্শ কৰিব সক্ষম হ'ব। তেওঁৰ দ্বিতীয় কাৰ্যকাল আৰম্ভ হোৱাৰ পাছত এই লক্ষ্য সোনকালেই বাস্তৱায়িত হ'ব বুলি আশা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। এডভাণ্টেজ আছাম ২.০ৰ অধীনৰ সকলো বিনিয়োগ চুক্তি এইবছৰৰ ভিতৰতে কাৰ্যকৰী কৰাৰ প্ৰতিশ্ৰুতিও তেওঁ দোহাৰে।

## ভাৰত-নেডাৰলেণ্ডৰ মাজত ১৭খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ

পৰিসমাপ্তিত দুয়োখন দেশে মুঠ ১৭খন চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিসমূহে প্ৰতিৰক্ষা, খনিজ সম্পদ, ছেমিকণ্ডা”ৰ, নবীকৰণযোগ্য শক্তি, কৃত্ৰিম বুদ্ধিমত্তা, আৰু স্বাস্থ্যসেৱাকে ধৰি অগ্ৰাধিকাৰ ক্ষেত্ৰসমূহত সহযোগিতাৰ নতুন দুৱাৰ মুকলি কৰিছে। বৈঠকত পশ্চিম এছিয়াৰ বৰ্তমান সংকট পৰিস্থিতিৰ ওপৰত গভীৰ আলোচনা হয়। দুয়োগৰাকী নেতাই হৰমুজ জলদ্বীপ বন্ধ কৰাৰ ফলত বিশ্ব শক্তি যোগান আৰু বাণিজ্যৰ ওপৰত পৰা সম্ভাব্য প্ৰভাৱৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰে। তেওঁলোকে যিকোনো ধৰণৰ নিষেধাজ্ঞামূলক ব্যৱস্থাৰ বিৰোধিতা কৰাৰ লগতে এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয়ভাৱে গ্ৰহণ কৰা পদক্ষেপসমূহলৈ সমৰ্থন জনায়। উল্লেখ্য যে, ২৮ ফেব্ৰুৱাৰীত আমেৰিকা আৰু ইজৰাইলে ইৰাণৰ ওপৰত চলোৱা যৌথ আক্ৰমণৰ প্ৰত্যুত্তৰত ইৰাণে লোৱা ব্যৱস্থাৰ ফলত বিশ্ব শক্তি ব্যৱস্থা যথেষ্ট প্ৰভাৱিত হৈছে। লগতে ৰাছিয়া-ইউক্ৰেইন সংঘাতে সৃষ্টি কৰা অস্থিৰতা আৰু স্থানীয় নিৰাপত্তা পৰিস্থিতিও বৈঠকৰ অন্যতম আলোচ্য বিষয় আছিল। বৈঠকৰ পাছত মুকলি ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, “বিগত দশকটোত ভাৰত-নেডাৰলেণ্ড সম্পৰ্কে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে। ইউৰোপৰ ভিতৰত নেডাৰলেণ্ড ভাৰতৰ অন্যতম প্ৰধান বাণিজ্যিক অংশীদাৰ। ২০২৪-২৫ বৰ্ষত এই দ্বিপাক্ষিক বাণিজ্য ২৭.৮ বিলিয়ন মাৰ্কিন ডলাৰত উপনীত হোৱাৰ আশা কৰা হৈছে। লগতে নেডাৰলেণ্ড ভাৰতৰ চতুৰ্থ বৃহত্তম বিদেশী বিনিয়োগকাৰী দেশ, যিয়ে ভাৰতত মুঠ ৫৫.৬ বিলিয়ন মাৰ্কিন ডলাৰ পোনপটীয়া বিদেশী বিনিয়োগেৰে অৰ্থনৈতিক বিকাশত অৰিহণা যোগাই আছে।” প্ৰধানমন্ত্ৰী মোদীয়ে লগতে উল্লেখ কৰে যে, পৰিৱৰ্তিত বিশ্ব ভূ-ৰাজনীতিৰ প্ৰেক্ষাপটত ভাৰত আৰু নেডাৰলেণ্ডে নিজৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয়, “উদ্ভাৱন, বিনিয়োগ, বহনক্ষমতা আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আমাৰ সহযোগিতাক নতুন শিখৰলৈ লৈ যোৱাটো সময়ৰ প্ৰয়োজন। এই দৃষ্টিভংগীৰেই আমি দুয়োখন দেশৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বৰ স্তৰলৈ উন্নীত কৰিছোঁ।” নেডাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটেনেও ভাষণত এই কৌশলগত অংশীদাৰিত্বক স্বাগতম জনায় আৰু শক্তি, বন্দৰ, স্বাস্থ্যসেৱা, কৃষি ব্যৱসায়, আৰু প্ৰযুক্তিৰ দৰে ক্ষেত্ৰত আগন্তুক দিনবোৰত অধিক সহযোগিতাৰ আশা প্ৰকাশ কৰে। বৈঠকৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ডাচচ কোম্পানীসমূহৰ শীৰ্ষ পৰিচালকসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ গোলমেজ বৈঠকত অংশগ্ৰহণ কৰে। তাত তেওঁ ভাৰতৰ সংস্কাৰপৰ্ণ অৰ্থনৈতিক নীতি, উন্নয়নশীল আন্তঃগাঁথনি, আৰু প্ৰতিভাৰ অপাৰ সম্ভাৱনাৰ বিষয়ে বক্তব্য আগবঢ়ায়। প্ৰধানমন্ত্ৰী মোদীয়ে ডাচচ উদ্যোগপতিসকলক ভাৰতলৈ আহি সামুদ্ৰিক খণ্ড, নবীকৰণযোগ্য শক্তি, ডিজিটেল প্ৰযুক্তি, ছেমিকণ্ডাক্টৰ, কৃত্ৰিম বুদ্ধিমত্তা আৰু স্বাস্থ্যসেৱাৰ দৰে ক্ষেত্ৰত বিনিয়োগৰ সুযোগ সৃষ্টি কৰিবলৈ আমন্ত্ৰণ জনায়। তেওঁ কয়, “আজিৰ ভাৰাত উৎপাদন খণ্ড বিশ্ববিখ্যাত ব্যয়বহুল হৈ পৰিছে, আনহাতে সেৱা খণ্ড দক্ষতা আৰু উদ্ভাৱনৰ এক শক্তিশালী ইঞ্জিন।” তেওঁ লগতে যোগ দিয়ে, “আজিৰ ভাৰত বিশালতা আৰু স্থিৰতাৰ প্ৰতীক। বিশ্বৰ দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি হিচাপে আমি আন্তঃগাঁথনি, শক্তি, আৰু সংযোগৰ ক্ষেত্ৰত এক অভূতপূৰ্ব পৰিৱৰ্তনৰ সাক্ষী হৈ আছো।” দ্বাদশ বছৰ ধৰি ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা মোদীয়ে স্থিৰ সংস্কাৰ আৰু নীতিৰ ভৱিষ্যদ্বাণীযোগ্যতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, “আমি মহাকাশ, খনি, পাৰমাণৱিক শক্তিৰ দৰে ক্ষেত্ৰসমূহ ব্যক্তিগত খণ্ডৰ বাবে মুকলি কৰি দিছোঁ। ভাৰত-ইউৰোপীয় ইউনিয়নৰ মুক্ত বাণিজ্য চুক্তি সোনকালে কাৰ্যকৰী কৰাটোৱে আমাৰ দুয়োখন দেশৰ অৰ্থনৈতিক ভৱিষ্যতৰ বাবে অতি গুৰুত্বপূৰ্ণ।” শেষত প্ৰধানমন্ত্ৰী মোদীয়ে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এ'ত (পূৰ্বৰ টুইটাৰ) পোষ্ট কৰি কয় যে, টাটা গ্ৰুপ আৰু এএছএমএলৰ মাজত ছেমিকণ্ডা”ৰ উৎপাদনৰ বাবে স্বাক্ষৰিত সমন্বয় চুক্তিয়ে ভাৰতত অৰ্ধপৰিবাহী ইক'চিষ্টেম বিকাশৰ বাবে এক যুগান্তকাৰী পদক্ষেপ। ইফালে নেডাৰলেণ্ড ভ্ৰমণৰ সময়ছোৱাতে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত-ইউৰোপীয় ইউনিয়ন মুক্ত বাণিজ্য চুক্তিৰ সম্ভাৱনা আৰু সাংস্কৃতিক সহযোগিতাৰ প্ৰসাৰৰ বিষয়েও আলোচনা কৰে।

## অসমতো লাউডস্পীকাৰত

বিজেপি বিধায়ক দিগন্ত কলিতাই অসমতো একে নীতি অনুসৰণ কৰাৰ আহ্বান জনাইছে। তেওঁ কয় যে আজানৰ বাবে দিনটোত পাঁচবাৰ লাউডস্পীকাৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে অপ্ৰয়োজনীয় আৰু অসমতো তাক নিষিদ্ধ কৰা উচিত। বিধায়কগৰাকীয়ে কয়, “ধৰ্ম পবিত্ৰ আৰু সন্মানৰ যোগ্য হ'লেও, দিনটোত বাৰে বাৰে লাউডস্পীকাৰৰ ব্যৱহাৰে ওচৰে-পাজৰে বাস কৰা লোকসকলক চৰম অসুবিধা দিয়ে। মাইকত পাঁচবাৰকৈ নামাজ আদায় কিয় কৰিব লাগে?” তেওঁ স্পষ্ট কৰি কয় যে ধৰ্ম পবিত্ৰ, কিন্তু ইয়াৰ বাবে আনৰ অসুবিধা সৃষ্টি কৰাটো কেতিয়াও উচিত নহয়। তথাপি তেওঁ শুকুৰবাৰে এটা ব্যতিক্ৰমৰ পৰামৰ্শ দিয়ে। কলিতাই কয়, “শুকুৰবাৰে লাউডস্পীকাৰযোগে আজান দিয়াৰ অনুমতি দিব পাৰি, কিয়নো সেইদিনা বহুসংখ্যক মুছলমান একেলগ হৈ সন্মিলিত প্ৰাৰ্থনা কৰে। সেয়া এটা ব্যতিক্ৰম হ'ব পাৰে।” কিন্তু আন দিনা এই ব্যৱহাৰ সম্পূৰ্ণ বন্ধ কৰিব লাগে বুলি তেওঁ দৃঢ়ভাৱে মত পোষণ কৰে। ইফালে, ৰাস্তাত নামাজ পৰাৰ বিষয়েও তেওঁ তীব্ৰ বিৰোধিতা প্ৰকাশ কৰে। কলিতাই কয়, “ৰাস্তাত নামাজ পৰা উচিত নহয়, কিয়নো ই ট্ৰাফিক প্ৰভাৱিত কৰে আৰু সাধাৰণ যাত্ৰীসকলৰ বাবে প্ৰচণ্ড অসুবিধাৰ সৃষ্টি কৰে। নামাজ আদায় কৰি অসমৰ ৰাজপথত কোনেও চলাব নোৱাৰিব দাদাগিৰি।” তেওঁ কঠোৰ ভাষাত সকীয়াই দিয়ে যে ৰাজপথ দখল কৰি কোনো ধৰ্মীয় অনুষ্ঠান পালন কৰাটো গ্ৰহণযোগ্য নহয়। বিধায়কজনে লগতে কয় যে অসমে পশ্চিমবংগৰ ধৰ্মীয় প্ৰতিষ্ঠানত লাউডস্পীকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত গৃহীত নীতি অনুসৰণ কৰা উচিত। উল্লেখযোগ্য যে, পশ্চিমবংগত বিজেপি ক্ষমতালৈ অহাৰ পাছত নৱনিযুক্ত মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে ধৰ্মীয় অনুষ্ঠানত লাউডস্পীকাৰ ব্যৱহাৰ আৰু ৰাস্তা ব্যৱহাৰ কৰি ধৰ্মীয় অনুষ্ঠান পালনৰ ওপৰত নিষেধাজ্ঞা ঘোষণা কৰিছে। কলিতাই কয়, “প্ৰত্যেক শুকুৰবাৰে নামাজ আদায় কৰি আন মানুহক অসুবিধা দিয়া সেয়া হ'ব নোৱাৰে।” তেওঁৰ এই মন্তব্যৰ পিছতে ৰাজ্যৰ ৰাজনৈতিক আৰু সাম্প্ৰদায়িক মহলত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

## ৰাজস্থানত চলন্ত ৰাজধানী

থিৰুৱনন্তপুৰম-নিজামুদ্দিন ৰাজধানী এ'ক্সপ্ৰেছ ৰেলখনত জুই লাগে। জুয়ে প্ৰথমে ৰেলখনৰ B1 আৰু B2 নামৰ দুটা শয্যা শ্ৰেণীৰ ডবা আগুৰি ধৰে। যাত্ৰীসকলে ধোঁৱা দেখি হাহাকাৰ কৰি উঠে। ঘটনাৰ খবৰ পোৱামাত্ৰ স্থানীয় গাঁওবাসী আৰু ৰেল কৰ্মচাৰীয়ে তৎপৰতাৰে যাত্ৰীসকলক উদ্ধাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। সময়মতে সচেতনতা আৰু দ্ৰুত কাৰ্যপন্থাৰ বাবে অগ্নিকাণ্ডত এতিয়ালৈকে কোনো লোক নিহত বা আহত হোৱাৰ খবৰ লাভ কৰা হোৱা নাই। ৰেলখনৰ অন্যান্য ডবাৰ যাত্ৰীসকলকো সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰা হৈছে। ঘটনাস্থলীত উদ্ধাৰ আৰু অগ্নি নিৰ্বাপণ কাৰ্য চলাই আছে ৰাজস্থান ৰেল পুলিচ আৰু দমকল বাহিনী। অগ্নিকাণ্ডৰ সঠিক কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। বৈদ্যুতিক চৰ্ট চাৰ্কিট নাইবা আন কোনো ত্ৰুটিৰ বাবে জুই লাগিছে নেকি—পৰীক্ষা-নিৰীক্ষা অব্যাহত আছে। প্ৰত্যক্ষদৰ্শীসকলে জানিবলৈ দিয়ে যে প্ৰথমে B2 ডবাৰ পৰা ধোঁৱা ওলাবলৈ ধৰে, কিছু সময়ৰ পিছতে জুই বিয়পি B1 ডবালৈও বিয়পি পৰে। যাত্ৰীসকলে ৰেলৰ ইমাৰ্জেন্সি চেইন টানি ৰেল ৰখাৰ চেষ্টা কৰে। ঘটনাস্থলীত ৰেলখন কিছুসময় বন্ধ হৈ থাকে। পিছত অগ্নি নিৰ্বাপণৰ পিছত ৰেলখন পুনৰ যাত্ৰা আৰম্ভ কৰে নে নাই সেয়া নিশ্চিত হোৱা হোৱা নাই। ৰেল বিভাগৰ এজন উচ্চ পদস্থ বিষয়াৰ মতে, “ভাগ্যক্ৰমে ডবা দুখন বেছি ভীড় নাছিল। আৰু যাত্ৰী সজাগ হোৱাৰ বাবে বৃহৎ দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিল।” ইফালে এই ঘটনাই পুনৰ বাৰ চলন্ত ৰেলযোগী যাত্ৰীৰ নিৰাপত্তা সন্দৰ্ভত প্ৰশ্ন তুলিছে।

## উচ্চতম ন্যায়ালয়ৰ বিচাৰক

এতিয়াৰে পৰা দেশৰ শীৰ্ষ আদালতখনত মুখ্য ন্যায়াধীশকে ধৰি মুঠ বিচাৰকৰ সংখ্যা ৩৩ গৰাকীৰ পৰা বৃদ্ধি পাই ৩৮ গৰাকী হ'ব। ইতিমধ্যে এই সন্দৰ্ভত চৰকাৰে এটা অধ্যাদেশ জাৰি কৰিছে। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ছচিয়েল মিডিয়া প্লেটফৰ্ম এ'ত (পূৰ্বৰ টুইটাৰ) এটা পোষ্টযোগে জনাইছে যে এই অধ্যাদেশৰ দ্বাৰা উচ্চতম ন্যায়ালয় আইন, ১৯৫৬ সংশোধন কৰা হৈছে। সংশোধনী অনুসৰি মুখ্য ন্যায়াধীশগৰাকীক বাদ দি অন্যান্য বিচাৰকৰ সংখ্যা ৩৩ গৰাকীৰ পৰা ৩৭ গৰাকীলৈ বৃদ্ধি কৰা হৈছে। অৰ্থাৎ মুখ্য ন্যায়াধীশগৰাকীৰ লগত মুঠ বিচাৰক হ'ব ৩৮ গৰাকী। উল্লেখ্য যে, ইয়াৰ পূৰ্বে যোৱা ৫ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেট বৈঠকত বিচাৰকৰ সংখ্যা বৃদ্ধিৰ প্ৰস্তাৱ অনুমোদন কৰা হৈছিল। লগতে চৰকাৰে এই বৃদ্ধিক আনুষ্ঠানিক ৰূপ দিবলৈ সংসদত ‘উচ্চতম ন্যায়ালয় সংশোধনী বিধেয়ক, ২০২৬’ উত্থাপন কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰিছে। চৰকাৰৰ মতে, দেশৰ শীৰ্ষ আদালতখনৰ কাৰ্যক্ষমতা শক্তিশালী কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছিল। বৰ্তমান সময়ত উচ্চতম ন্যায়ালয়ত ৯২ হাজাৰতকৈও অধিক গোচৰ দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ পৰি আছে। বিচাৰকৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত গোচৰসমূহৰ শুনানি প্ৰক্ৰিয়া দ্ৰুত হ'ব আৰু সাধাৰণ জনসাধাৰণে সময়মতে ন্যায় লাভ কৰিব পাৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১২৪(১)ৰ অধীনত সংসদক আইন প্ৰণয়ন কৰি উচ্চতম ন্যায়ালয়ৰ বিচাৰকৰ সংখ্যা নিৰ্ধাৰণ কৰাৰ আইনী অধিকাৰ দিয়া হৈছে। আদালতত ক্ৰমাগতভাৱে বাঢ়ি অহা গোচৰৰ ভাৰ গণনা কৰি সময়ৰ লগে লগে বিচাৰকৰ সংখ্যা সলনি কৰি অহা হৈছে। উচ্চতম ন্যায়ালয় আইন, ১৯৫৬ অনুসৰি আৰম্ভণিতে মুখ্য ন্যায়াধীশগৰাকীক বাদ দি বিচাৰকৰ সংখ্যা আছিল মাত্ৰ ১০ গৰাকী। পিছলৈ বিভিন্ন সময়ত এই সংখ্যা বৃদ্ধি কৰা হয়: ১৯৬০ চনত ১৩ গৰাকী, ১৯৭৭ চনত ১৭ গৰাকী, ১৯৮৬ চনত ২৫ গৰাকী, আৰু ২০০৮ চনত ৩০ গৰাকীলৈ। শেষবাৰৰ বাবে ২০১৯ চনত আইনখন সংশোধন কৰি বিচাৰকৰ সংখ্যা ৩০ গৰাকীৰ পৰা ৩৩ গৰাকীলৈ বৃদ্ধি কৰা হৈছিল। আজিৰ এই ৰাষ্ট্ৰপতিৰ অনুমোদনৰ জৰিয়তে সেই সংখ্যা পুনৰ বৃদ্ধি পাই ৩৭ গৰাকী (মুখ্য ন্যায়াধীশ বাদি) আৰু মুঠ ৩৮ গৰাকী হৈছে। ন্যায়িক মহলত এই সিদ্ধান্তক আদালতৰ গোচৰৰ চাপ হ্ৰাস কৰাৰ দিশত এক ঐতিহাসিক পদক্ষেপ হিচাপে অভিহিত কৰা হৈছে।

## হৰমুজ প্ৰণালীত ভাৰতীয় জাহাজৰ ওপৰত আক্ৰমণ

প্ৰণালীত ভাৰতীয় জাহাজৰ ওপৰত আক্ৰমণৰ ঘটনা অব্যাহত আছে, যাৰ ফলশ্ৰুতিত ভাৰত চৰকাৰ উদ্বিগ্ন হৈ পৰিছে। সংঘাত আৰম্ভ হোৱাৰ পৰা এতিয়ালৈকে ভাৰতৰ পতাকাযুক্ত মুঠ দুখন জাহাজত আক্ৰমণ কৰা হৈছে। শেহতীয়াকৈ যোৱা ১৩ মে'ত এখন জাহাজত আক্ৰমণ সংঘটিত হয়। এই আক্ৰমণক কেন্দ্ৰ কৰি ভাৰতে তীব্ৰ ভাষাৰে গৰিহণা জনাইছে। লগতে ৰাষ্ট্ৰসংঘতো ভাৰতে এই বিষয়টো উত্থাপন কৰিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পৰ্বথানেনী হৰিশে এক বিশেষ বৈঠকত কয় যে, বাণিজ্যিক জাহাজ পৰিবহণক লক্ষ্য কৰি লোৱা, অসামৰিক ক্ৰুৰ জীৱন বিপদত পেলোৱা আৰু হৰমুজ প্ৰণালীত জাহাজ পৰিবহণৰ স্বাধীনতাত বাধা দিয়া কোনো ভাবেই গ্ৰহণযোগ্য নহয়। তেওঁ লগতে জাহাজৰ নিৰাপদ যাত্ৰা নিয়ন্ত্ৰণ কৰা আন্তঃৰাষ্ট্ৰীয় আইনক সম্পূৰ্ণ সন্মান জনাব লাগে বুলি উল্লেখ কৰে। প্ৰসংগক্ৰমে, ওমানৰ উপকূলত ভাৰতৰ পতাকাযুক্ত এখন বাণিজ্যিক জাহাজত আক্ৰমণ হোৱাৰ পিছতে শক্তি আৰু যোগান ব্যৱস্থাৰ সুৰক্ষা সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ বিশেষ বৈঠকত হৰিশে এই মন্তব্য কৰে। ১৩ মে'ত হোৱা আক্ৰমণটোৰ সৈতে কোন জড়িত আছিল, সেয়া এতিয়াও স্পষ্টকৈ জানিব পৰা হোৱা নাই। আক্ৰমণৰ পিছতে ওমান কৰ্তৃপক্ষই ছোমালিয়াৰ পৰা যাত্ৰা কৰা জাহাজখনৰ ১৪ গৰাকী ক্ৰু সদস্যক উদ্ধাৰ কৰে। আহত বা নিহত হোৱাৰ কোনো খবৰ পোৱা নাই বুলি সূত্ৰই জানিবলৈ দিয়ে। ইফালে, ছ'চিয়েল মিডিয়া এ'ত এখন পোষ্টযোগে পৰ্বথানেনী হৰিশে কয় যে ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ বৈঠকত তেওঁ শেহতীয়াকৈ পশ্চিম এছিয়াৰ সংঘাতৰ ফলত সৃষ্টি হোৱা শক্তি আৰু সাৰ সংকটৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে বিশদভাৱে শ্বেয়াৰ কৰিছে। সংকটৰ প্ৰতি সঁহাৰি জনাবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ সমান্তৰালভাৱে হ্ৰস্বম্যাদী আৰু গাঁথনিগত ব্যৱস্থা গ্ৰহণ কৰা অতি প্ৰয়োজন বুলিও তেওঁ উল্লেখ কৰে। হৰিশে পুনৰ্ব্যক্ত কৰি কয়, “বাণিজ্যিক জাহাজক লক্ষ্য কৰি লোৱা, অসামৰিক ক্ৰুক বিপদত পেলোৱা আৰু হৰমুজ প্ৰণালীত নৌ পৰিবহণৰ স্বাধীনতাত বাধা দিয়াটো কোনো অৱস্থাতে গ্ৰহণযোগ্য নহয়। এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় আইনক সম্পূৰ্ণৰূপে সন্মান কৰিব লাগিব।” ভাৰত চৰকাৰে এই বিষয়টো কূটনৈতিক ভাৱে ওমান আৰু অন্যান্য সংশি-ষ্ট দেশৰ সৈতে আলোচনা কৰি থকাৰ উপৰি ভাৰতীয় বাণিজ্যিক জাহাজসমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ নিৰাপত্তা ব্যৱস্থা জোৰদাৰ কৰাৰ কথা সূত্ৰই জানিবলৈ দিয়ে।

## নেডাৰলেণ্ডছৰ পৰা

প্ৰৱেশ কৰাৰ লগে লগে তেওঁক এক অভূতপূৰ্ব সন্মান জনোৱা হয়। ছুইডেনৰ অত্যাধুনিক গ্ৰীপেন যুঁজাৰু বিমানে প্ৰধানমন্ত্ৰী মোদীৰ বিমানখনক আকাশত এস্কৰ্ট কৰে। এই দৃশ্যই দুয়োখন দেশৰ মাজত থকা শক্তিশালী প্ৰতিৰক্ষা আৰু কৌশলগত সম্পৰ্কৰ প্ৰতীক হিচাপে চিহ্নিত হৈছে। ছুইডেনৰ গ'টেনবাৰ্গ চহৰত অৱতৰণ কৰাৰ পিছতে প্ৰধানমন্ত্ৰী মোদীয়ে বিমানবন্দৰত উষ্ম আদৰণি লাভ কৰে। তেওঁক সাদৰেৰে আগবঢ়াই নিবলৈ ছুইডেনৰ প্ৰধানমন্ত্ৰী উলফ ক্ৰীষ্টাৰছন নিজেই বিমানবন্দৰত উপস্থিত থাকে। দুয়োগৰাকী নেতাৰ মাজত এক আন্তৰিক বৈঠক অনুষ্ঠিত হয়, য'ত দ্বি-পাক্ষিক সম্পৰ্ক, প্ৰতিৰক্ষা প্ৰযুক্তি, আৰু বহনক্ষম উন্নয়নৰ দিশসমূহ আলোচিত হয়। ছুইডেন দীৰ্ঘদিন ধৰি প্ৰতিৰক্ষা প্ৰযুক্তি আৰু আধুনিক সামৰিক সঁজুলিৰ বাবে বিশ্ববিখ্যাত। এনে পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীক আদৰিবলৈ গ্ৰীপেন যুঁজাৰু বিমানৰ এস্কৰ্টে এই ভ্ৰমণক অধিক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। ইফালে, ছুইডেন ভ্ৰমণৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনত বসবাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতেও এক বিশেষ সাক্ষাৎ-সন্মিলনত মিলিত হয়। তাত তেওঁ ভাৰতৰ বিকাশৰ কাহিনী, সংস্কাৰ আৰু বৈদেশিক নীতিৰ বিষয়ে প্ৰৱাসী ভাৰতীয়ৰ আগত বক্তৃতা দিয়ে। প্ৰৱাসী ভাৰতীয়সকলে প্ৰধানমন্ত্ৰী মোদীক বিপুল উদ্যমে আদৰণি জনায়। বিশে-ষকসকলে কয় যে ভাৰত আৰু ছুইডেনৰ সম্পৰ্কৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ অত্যন্ত তাৎপৰ্যপূৰ্ণ। ছুইডেনৰ উচ্চ প্ৰযুক্তি আৰু ভাৰতৰ বৃহৎ বজাৰৰ মাজত সম্ভাৱনাময় সহযোগিতাৰ দুৱাৰ মুকলি হৈছে। দেওবাৰে আৰম্ভ হোৱা এই ভ্ৰমণ সোমবাৰলৈকে চলিব।

## নগাঁও লোকসভা সমষ্টিত

কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিব। বদৰুদ্দিন আজমলে ইউনিফৰ্ম চিভিল ক'ড (UCC) প্ৰসংগত কয়, “আমি UCCৰ বিৰোধিতা কৰিম। পূৰ্বেও বিৰোধিতা কৰি আহিছিলো। বিধানসভাত ইউনিফৰ্ম চিভিল ক'ডৰ বিৰোধিতা কৰিব।” ইফালে, কংগ্ৰেছ দলৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে তেওঁ তীব্ৰ সমালোচনা আগবঢ়ায়। আজমলে কয়, “ধৰ্ম নিৰপেক্ষ দলৰ পৰিচয় জীয়াই ৰাখিবলৈ হ'লে এজন হিন্দু বিধায়কক বিধানসভাৰ দলপতিৰ দায়িত্ব দিব লাগিব কংগ্ৰেছে। কংগ্ৰেছ এতিয়া মুছলিম লীগত পৰিণত হৈছে।” তেওঁ কটাক্ষ কৰি কয়, “ৰকিবুল হুছেইনে শেষ কৰিলে কংগ্ৰেছ দলক। কংগ্ৰেছৰ পিছত এতিয়া ‘M’ লাগি গৈছে।” উল্লেখ্য যে, বদৰুদ্দিন আজমলৰ এই মন্তব্যক বহুতে আগন্তুক নগাঁও লোকসভা উপ-নিৰ্বাচন আৰু ৰাজ্যৰ ৰাজনৈতিক সমীকৰণৰ প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰিছে। কংগ্ৰেছৰ ফালৰ পৰা এতিয়ালৈকে আজমলৰ এই অভিযোগসমূহৰ কোনো আনুষ্ঠানিক প্ৰত্যুত্তৰ পোৱা হোৱা নাই।

ৰাইজৰ বৰঙণিৰে পৰিচালিত ৩৪ বছৰ পুৰণি এখন স্ব-নিৰ্ভৰ পানী যোগান আঁচনি

# জল জীৱন অভিযানৰ অধীনত সমূহীয়া অংশগ্ৰহণৰ নিদৰ্শন হৈ পৰিছে নেলী পানী যোগান আঁচনি

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৬ মে'** ঃ যি সময়ত পুঁজিৰ অভাৱত বিভিন্ন ঠাইত পানী যোগান আঁচনি বন্ধ হোৱাৰ উপক্ৰম হৈছে তেনে সময়তে গ্ৰাম্য জল ব্যৱস্থাপনাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু সমূহীয়া দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন হৈ পৰিছে মৰিগাঁও জিলাৰ নেলী পানী যোগান আঁচনি। ১৯৯২ চনত স্থাপিত নেলী পানী যোগান আঁচনিয়ে যোৱা ৩৪ বছৰ ধৰি নীৰৱচ্ছিন্নভাৱে প্ৰায় ৩২৫টা পৰিয়ালৰ প্ৰায় ২ হাজাৰ লোকক খোৱাপানীৰ সুবিধা প্ৰদান কৰি আহিছে। এই আঁচনিখনৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰজন অংশীদাৰীত্বৰে মাচুল সংগ্ৰহৰ ব্যৱস্থা। ২০১৬ চনত জল ব্যৱহাৰকাৰী সমিতি গঠন হোৱাৰ পিছৰে পৰা স্থানীয় বাসিন্দাসকলে স্বেচ্ছাই প্ৰতিমাহে প্ৰায় ১০০ টকাকৈ ব্যৱহাৰ মাচুল জমা দি আহিছে। সংগৃহীত ধন আঁচনিখনৰ বেংক একাউণ্টত জমা কৰি যন্ত্ৰপাতি মেৰামতি, ৰক্ষণাবেক্ষণ, পাইপলাইন সংস্থাপন আৰু অন্যান্য প্ৰয়োজনীয় কাৰ্যত ব্যয় কৰা হয়। ৰাইজৰ এই স্বতঃস্ফূৰ্ত সঁহাৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জল জীৱন অভিযান আৰম্ভ কৰাৰ সময়ত গুৰুত্ব আৰোপ কৰা 'জন ভাগিদাৰী'ৰ প্ৰকৃত প্ৰতিফলন। কেৱল চলিত মে' মাহতেই সংগৃহীত মাচুলৰ ধনৰ পৰা প্ৰায় ৬০ হাজাৰ টকা নতুন পাইপলাইন সংস্থাপন আৰু প্ৰয়োজনীয় মেৰামতিৰ কামত ব্যয় কৰা হৈছে। শেহতীয়াকৈ যন্ত্ৰ মেৰামতি, চুইচ ভাল্‌ভ চাৰ্ভিচিং আৰু ফিল্টাৰ মিডিয়া সলনি কৰাৰ কামো সম্পন্ন কৰা হৈছে, যাৰ ফলত আঁচনিখন অধিক স্ব-নিৰ্ভৰশীল হৈ উঠিছে। অতিৰিক্ত জিলা আয়ুক্ত (জনস্বাস্থ্য কাৰিকৰী) নীতিশ বৰাই কালি আঁচনিখন পৰিদৰ্শন কৰি ইয়াৰ কাৰ্যক্ষমতা, ৰক্ষণাবেক্ষণ ব্যৱস্থা আৰু আঁচনিখনৰ সফল পৰিচালনাত স্থানীয় জনসাধাৰণৰ ভূমিকাৰ বুজ লয়। তেওঁ সমিতিখনৰ কেছ বুক, ভাউচাৰ আদি আৰ্থিক নথিপত্ৰৰ স্বচ্ছ আৰু সুসংগঠিত সংৰক্ষণ ব্যৱস্থাৰ শলাগ লয় আৰু "ন'প্লাষ্টিক জ'ন" হিচাপে আঁচনিখন পৰিচালনাৰ বাবে স্থানীয় ৰাইজৰ প্ৰচেষ্টাক প্ৰশংসা কৰে। জল ব্যৱহাৰকাৰী সমিতিৰ সদস্যবৃন্দ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়ববীয়া, কাৰিকৰী কৰ্মচাৰী আৰু অন্যান্য ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মকৰ্তাসকল এই পৰিদৰ্শন আৰু পৰ্যালোচনা বৈঠকত উপস্থিত থাকে। প্ৰায় ৩৫ বছৰীয়া এই আঁচনিখনে আজি জল ব্যৱস্থাপনাত 'জন ভাগিদাৰী'ৰ এক সফল আদৰ্শ হিচাপে আত্মপ্ৰকাশ কৰি জনঅংশগ্ৰহণৰ জৰিয়তে ৰাজহুৱা পৰিকাঠামোৰ দীঘলীয়া স্থায়িত্ব কেনেদৰে নিশ্চিত কৰিব পাৰি, তাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰিছে।

■ এক পথ দুৰ্ঘটনাত নিহত দম্পতী, আহত কণমানি কন্যা ■

# শোকস্তব্ধ বিজনীৰ ভূমুকিপাৰা; একেলগে জ্বলিল পতি-পত্নীৰ দুখনকৈ চিতা

সামৰিক মৰ্যাদাৰে শেষ শ্ৰদ্ধাঞ্জলি চিআইএছএফৰ

**অসমবাৰ্তা, বিজনী, ১৬ মে' ঃ** শোকাকুল পৰিৱেশৰ মাজত সমাপন হ'ল এক পথ দুৰ্ঘটনাত নিহত পতি আৰু পত্নীৰ শেষকৃত্য। শুকুৰবাৰে সন্ধিয়া চিৰাং জিলাৰ বিজনী থানাৰ অন্তৰ্গত বিজনী-কুকলুং পথৰ উত্তৰ শিলবাৰীত এক ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত হয় চিআইএছএফত কৰ্মৰত জোৱান ৰাহুল পাটগিৰি আৰু পত্নী অনামিকা ৰায় পাটগিৰি। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হৈছিল একমাত্ৰ আঠ বছৰীয়া কন্যা কস্তুৰী পাটগিৰি। ঘটনাৰ বিৱৰণী অনুসৰি শুকুৰবাৰে সন্ধিয়া স্থানীয় মন্দিৰত হোৱা বাৰ্ষিক পূজা সমাপন কৰি নিজৰ এএছ ২৬এফ ০৫২৫ নম্বৰৰ স্কুটি খনেৰে গৃহাভিমুখী হোৱাৰ সময়তে বিজনীৰ দিশৰ পৰা তীব্ৰ বেগত অহা এএছ ২৬এফ ২২২৯ নম্বৰৰ ছুইফট বাহনে পিছফালৰ পৰা মহটিয়াই নিয়ে। দুৰ্ঘটনাটোত পত্নী অনামিকা পাটগিৰি ৰায় থিতাতে নিহত হোৱাৰ লগতে সংকটজনক অৱস্থাত স্বামী ৰাহুল পাটগিৰি আৰু কন্যা কস্তুৰী পাটগিৰিক বঙাইগাঁৱৰ ব্যক্তিগত খণ্ডৰ লোৱাৰ আছাম হস্পিতাললৈ প্ৰেৰণ কৰা হয় যদিও কিছু সময় পাছতেই ৰাহুল পাটগিৰিৰ মৃত্যু হয়। আনহাতে পিতৃ মাতৃক হেৰুৱাই নিঠৰুৱা কন্যা কস্তুৰী ৰায় বৰ্তমানেও চিকিৎসাধীন অৱস্থাত আছে হস্পিতাল খনত। স্থানীয় ৰাইজৰ ভাষ্য অনুসৰি ছুইফট বাহনখনে প্ৰায় বিশ মিটাৰ চোঁচৰাই লৈ যোৱাৰ অন্তত গাড়ী এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে বাহনখনৰ চালকে। উল্লেখ্য আনুমানিক দহ দিনমান আগতে ছুটি লৈ ঘৰলৈ আহিছিল ৰাহুল পাটগিৰিয়ে। ঘটনাক কেন্দ্ৰ কৰি পৰিয়ালটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে অঞ্চলটোত শোকৰ ছাঁ পৰে। এই ক্ষেত্ৰত স্থানীয় সচেতন লোকে সংসাৰত এৰি যোৱা একমাত্ৰ কন্যা সন্তানটিৰ ভৱিষ্যতকলৈ চিন্তিত হৈ পৰিছে। আনহাতে ৰাজপথত তীব্ৰ বেগত চলোৱা বাহন সমূহৰ ওপৰত প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে স্থানীয় লোকে। অৱশ্যে দুৰ্ঘটনা সংঘটিত কৰা বাহনখনৰ চালক জনক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ধৃত চালকজন অৰূপ বসুমতাৰী। চিৰাঙৰ ছাপাগুৰীৰ এটা শ্ব'ৰুমৰ কৰ্মচাৰী অৰূপ বসুমতাৰীয়ে অত্যধিক সুৰা সেৱন কৰি গাড়ী চলাইছিল বুলি জানিব পৰা গৈছে। ইফালে শনিবাৰে আবেলিৰ ভাগত মৰণোত্তৰ পৰীক্ষাৰ অন্তত পতি-পত্নীৰ নশ্বৰদেহ স্বগৃহত আহি উপস্থিত হোৱাত পৰিয়ালটোত কান্দোনৰ ৰোল উঠা পৰিলক্ষিত হয়। স্থানীয় লোক, পৰিয়াল, আত্মীয় স্বজনে শেষ শ্ৰদ্ধা জনাই স্থানীয় ৰাজহুৱা শ্মশানলৈ মৃতদেহ লৈ যোৱাৰ পাছত শ্মশানত চিআইএছএফৰ তৰফৰ পৰা সামৰিক মৰ্যাদাৰে শেষ শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ লগে লগে এটা পৰিয়ালক থানবান কৰি একে সময়তে জ্বলি উঠে পতি-পত্নীৰ দুখনকৈ চিতা। কিন্তু দুখন চিতাত একে সময়তে চিৰদিনৰ বাবে হেৰাই যোৱা সপোন বোৰৰ বিষয়ে নাজানে একমাত্ৰ আঠ বছৰীয়া জীয়ৰী কস্তুৰী পাটগিৰিয়ে। কাৰণ দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হৈ হস্পিতালৰ বিছনাত বৰ্তমানেও চিকিৎসাধীন হৈ আছে কস্তুৰী।

টীকাকৰণক লৈ সমাজত চলি থকা ভ্ৰান্ত ধাৰণা নোহোৱা কৰাৰ ওপৰত গুৰুত্ব আৰোপ

# মৰিগাঁও জিলাত ব্যাপক ৰূপত ১৮ মে'ৰ পৰা ১৪-১৫ বছৰীয়া কিশোৰীৰ এইচপিভি টীকাকৰণৰ বিশেষ অভিযান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৬ মে' ঃ** মহিলাসকলৰ মাজত জৰায়ুৰ মুখৰ কৰ্কট ৰোগ (চাৰ্ভিকেল কেন্সাৰ) প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে মৰিগাঁও জিলাৰ শিক্ষানুষ্ঠানসমূহৰ ১৪-১৫ বছৰীয়া ছাত্ৰী আৰু আন কিশোৰীসকলৰ বাবে অহা ১৮ মে'ৰ পৰা এইচ পি ভি টীকাকৰণৰ বিশেষ অভিযান চলোৱা হ'ব। জিলাখনৰ মুঠ ৩০টা কেন্দ্ৰত এই বিশেষ অভিযান চলোৱা হ'ব আৰু ছাত্ৰী তথা কিশোৰীসকলক এই কেন্দ্ৰলৈ নি টীকাকৰণ কৰোৱা হ'ব। আজি অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) নীতিশা বৰাৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এই সম্পৰ্কীয় এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত তেওঁ জিলাখনত চলি থকা এইচ পি ভি টীকাকৰণ অভিযানৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ লগতে শিক্ষানুষ্ঠানসমূহলৈ এই অভিযান সম্প্ৰসাৰণৰ প্ৰস্তুতিৰ বুজ লয়। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীক অৱগত কৰোৱা হয় যে মৰিগাঁও জিলাত এইচ পি ভি টীকাকৰণ কাৰ্যসূচী ইতিমধ্যে আৰম্ভ হৈছে আৰু শিক্ষানুষ্ঠানৰ ছাত্ৰীসকলক লক্ষ্য হিচাপে লৈ বিশেষ টীকাকৰণ অভিযান অহা ১৮ মে'ৰ পৰা আৰম্ভ হ'ব। অহা ৩১ মে'ৰ ভিতৰত এই অভিযান সম্পূৰ্ণ কৰা হ'ব। জিলাখনৰ বাবে মুঠ ৯, ৫৭৪ গৰাকী কিশোৰীৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে কাৰ্যসূচী সফলভাৱে ৰূপায়ণৰ বাবে সকলো স্তৰত সমন্বিত আৰু সুসংগঠিত পদক্ষেপ গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে টীকাকৰণক লৈ সমাজত থকা বিভিন্ন ভ্ৰান্ত ধাৰণা আৰু ভুল তথ্য, বিশেষকৈ টীকা গ্ৰহণে আন স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰে বুলি চলি থকা অপপ্ৰচাৰ দূৰ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ সকলো স্তৰৰ মাজত অধিক সচেতনতা সৃষ্টিৰ জৰিয়তে অধিক সংখ্যক অংশগ্ৰহণ নিশ্চিত কৰাৰ বিষয়েও সভাত বিস্তৃত আলোচনা হয়। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক ডাঃ অপূৰ্ব ঠাকুৰীয়া, সহকাৰী আয়ুক্ত সন্তোষ বুঢ়াগোহাঁই, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰা, এন এইচ এমৰ ডি পি এম জুফিন ছুলতানা, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ বিষয়ববীয়া তথা অন্যান্য সংশ্লিষ্ট অংশীদাৰসকল উপস্থিত থাকে।

## সুদৰ্শনালয়ত RSS প্ৰধানক সৌজন্যমূলক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

দেওবাৰে পুৱা ১১ বজাত মুখ্যমন্ত্ৰীগৰাকীয়ে আৰএছএছৰ মুখ্য কাৰ্যালয়ত পদাৰ্পণ কৰে আৰু প্ৰায় আধাঘণ্টা ধৰি মোহন ভাগৱতৰ সৈতে বিভিন্ন বিষয়ত আলোচনা চলায়। বৈঠক শেষ হোৱাৰ পিছত মুখ্যমন্ত্ৰী শৰ্মাই সুদৰ্শনালয়ৰ পৰা ওলাই যায়। তবে এই সাক্ষাৎ সন্দৰ্ভে তেওঁ কোনো মন্তব্য প্ৰদান কৰাৰ পৰা বিৰত থাকে। ইফালে, মুখ্যমন্ত্ৰী ওলাই যোৱাৰ পাছতে আৰএছএছ প্ৰধান মোহন ভাগৱতৰ নেতৃত্বত সংঘৰ বিষয়াববীয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠক প্ৰায় পাঁচ ঘণ্টা ধৰি চলে। দিনৰ তিনি বজাত বৈঠক সমাপ্ত কৰি ভাগৱতে সুদৰ্শনালয়ৰ পৰা গুৱাহাটী বিমানবন্দৰ অভিমুখে যাত্ৰা কৰে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শপত গ্ৰহণ কৰাৰ পিছত আৰএছএছ প্ৰধানক সাক্ষাৎ কৰা এইটো প্ৰথম ঘটনা। বিশ্লেষকসকলে এই বৈঠকক অহা বিধানসভা নিৰ্বাচন আৰু ৰাজ্যৰ ৰাজনৈতিক সমীকৰণৰ প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰিছে।

সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিকত কৃতিত্ব সহকাৰে উত্তীৰ্ণ গোলাঘাটৰ সাংবাদিকৰ সন্তানক সম্বৰ্ধনা

# গোলাঘাট মিডিয়া ফ'ৰামৰ প্ৰতিষ্ঠা দিৱস



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ মে' ঃ** গোলাঘাট মিডিয়া ফ'ৰামৰ অষ্টম সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি গোলাঘাটৰ শংকৰদেৱৰ শিশু বিদ্যা নিকেতনৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ সাংবাদিকৰ আঠগৰাকী কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে গোলাঘাট মিডিয়া ফ'ৰামৰ সভাপতি দিগন্ত কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গোলাঘাট জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত জিণ্টু বৰা, প্ৰবীণ সাংবাদিক তথা গোলাঘাটৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তি দ্বীপেন দত্ত, গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক ৰোহিত গগৈ, গোলাঘাট প্ৰেছ ক্লাবৰ সভাপতি তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা, গোলাঘাট শংকৰদেৱৰ শিশু বিদ্যা নিকেতনৰ প্ৰধানাচাৰ্যা দিব্যজ্যোতি গোস্বামী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি গোলাঘাটৰ অতিৰিক্ত জিলা আয়ুক্ত জিণ্টু বৰাই ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যি এক তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। অতিৰিক্ত আয়ুক্ত বৰাই কঠোৰ অধ্যৱসায়, পৰিশ্ৰমৰ জৰিয়তে ছাত্ৰ ছাত্ৰীসকলক অধ্যয়নত ব্ৰতী হৈ নিজৰ লগতে অসমৰ নাম উজলাই তুলিবলৈ আহ্বান জনায়। তেখেতে ছাত্ৰ ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষা সমূহতো অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়। গোলাঘাট মিডিয়া ফ'ৰামৰ যুটীয়া সম্পাদকদ্বয় পংকজ হাজৰিকা আৰু মোস্তাক হুছেইনে আত ধৰা সভাখনত সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ ছাত্ৰ আৰ্য়ান গগৈ, পৰী জয় গুপ্তা, হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ দৃষ্টি বৰুৱা, কাশ্যপী কুইন বৰা, নন্দন ৰাজ শইকীয়া, ফাৰহাজ চুলতানা, অয়নদীপ গগৈ আৰু গৌৰীছ হাজৰিকাক সম্বৰ্ধনা পত্ৰ গামোচা, অভিধান আৰু গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। সভাত সম্বৰ্ধনা গ্ৰহণ কৰি দৃষ্টি বৰুৱা আৰু নন্দন ৰাজ শইকীয়াই তেওঁলোকৰ সফলতাৰ আঁৰৰ কথা ব্যক্ত কৰাৰ লগতে মিডিয়া ফ'ৰামক এইসম্বৰ্ধনাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীৰ লগতে সাংবাদিক তথা শুভাকাংক্ষী সকলক একোটিকৈ গছপুলি প্ৰদান কৰা হয়। উল্লেখ্য যে এই অনুষ্ঠানৰ পূৰ্বে গোলাঘাট মিডিয়া ফ'ৰাম আৰু গোলাঘাট বন বিভাগৰ যৌথ উদ্যোগত গোলাঘাট নগৰৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ মাজত গছপুলি বিতৰণ কৰা হয়।

# মাজুলীৰ শালমৰাত ভয়াবহ খহনীয়া, পৰিস্থিতিৰ বুজ ল'লে বিধায়ক ভুবন গাম আৰু জিলা আয়ুক্তই



**অসম বাৰ্তা, উজনী মাজুলী, ১৬ মে' ঃ** বাৰিষা অহাৰ লগে লগে মাজুলীৰ শালমৰাত ব্ৰহ্মপুত্ৰই লৈছে ভয়ংকৰ ৰূপ। খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাৰ সময়তে আজি অঞ্চলটো পৰিদৰ্শন কৰে মাজুলী জিলাৰ আয়ুক্ত আৰু বিধায়কগৰাকীয়ে। খহনীয়াই ত্ৰাসৰ সৃষ্টি কৰা অঞ্চলটোত আজি উপস্থিত হোৱা আয়ুক্ত আৰু বিধায়ক গৰাকীয়ে শালমৰাৰ স্পৰ্শকাতৰ খহনীয়া অঞ্চল নিজে প্ৰত্যক্ষ কৰি অঞ্চলটোত খহনীয়া প্ৰতিৰোধ কৰাৰ দীৰ্ঘ আৰু হ্ৰস্ব ম্যাদী দুয়োখন আঁচনিৰ জৰুৰী প্ৰয়োজনীয়তা উপলব্ধি কৰিছে বুলি সাংবাদিকৰ আগত বক্তব্য প্ৰকাশ কৰে। বৰ্তমান চলি থকা খহনীয়া পৰিস্থিতিৰ বুজ লৈ আয়ুক্তগৰাকীয়ে জৰুৰীকালীনভাৱে প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰাৰো নিৰ্দেশ দিয়ে ব্ৰহ্মপুত্ৰ বৰ্ডৰ বিষয়া কৰ্মচাৰীক। ব্ৰহ্মপুত্ৰ বৰ্ডৰ বিষয়া কৰ্মচাৰীক লগত লৈ খহনীয়া প্ৰত্যক্ষ কৰা বিধায়ক আৰু আয়ুক্ত গৰাকীয়ে বৰ্ডৰ বিষয়া সকলক শীঘ্ৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে দীৰ্ঘ কালিন আঁচনিৰ বাবে উৰ্ধতন মহলৰ শীৰ্ষ বিষয়াৰ লগত শীঘ্ৰে আলোচনাত বহিব বুলিও জানিবলৈ দিয়ে। এই সম্পৰ্কত কাইলৈৰ পৰাই খহনীয়া ৰোধৰ বাবে জৰুৰীকালীনভাৱে পৰ্কুপাইন পেলোৱাৰ কাম আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে জলসম্পদ বিভাগে। ইফালে, খহনীয়া প্ৰতিৰোধত ব্ৰহ্মপুত্ৰ বৰ্ডৰ ভূমিকাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে অঞ্চল বাসীয়ে। খৰালিৰ সময়ত বৰ্ডে কোনো ধৰণৰ ফলপ্ৰসূ কাম নকৰাৰ অভিযোগ উত্থাপন কৰি কয় যে ব্ৰহ্মপুত্ৰ বৰ্ডৰ হাতত মাজুলী সুৰক্ষা নিশ্চিত নহয়। অঞ্চল বাসীৰ অভিযোগৰ প্ৰত্যুত্তৰত বিধায়ক গৰাকীয়ে এতিয়াৰে পৰা খহনীয়া প্ৰতিৰোধৰ দায়িত্ব অসম চৰকাৰে গ্ৰহণ কৰিব বুলিও মন্তব্য কৰে। পূৰ্বৰ ৪৯ কোটি টকাৰ ব্ৰহ্মপুত্ৰ বৰ্ডে কৰা খহনীয়া প্ৰতিৰোধৰ আচঁনি কেনেদৰে ৰূপায়ণ কৰিলে বৰ্তমান কি পৰিস্থিতি আছে তাৰ তথ্য জমা দিবলৈ ব্ৰহ্মপুত্ৰ বৰ্ড বিষয়াক নিৰ্দেশ দিয়ে বিধায়ক গৰাকীয়ে। এই অঞ্চলটোত চলি থকা খহনীয়া আজিৰ নহয়। ১৯৫০ চনৰ বৰ ভূমিকম্পৰ পিছৰে পৰা চলি থকা খহনীয়াই দশকৰ পাছত দশক এবিঘা, দুবিঘা, কোনো বছৰ এক হেক্টৰ পৰ্যন্ত খহাই খহাই শাল মৰা নামৰ বৃহত্তৰ মৌজাটোৰ সকলোতকৈ বৃহৎ অঞ্চল হিচাপে পৰিগণিত শালমৰাৰ নামত সামান্য অকণমান ভূমি বাছি আছেগৈ। সেই সমান্য ভূমি ভাগতে সহস্ৰাধিক পৰিয়ালে কোনোমতে ভেটি এটাত ঘৰ এটা থিয় কৰি জীৱন অতিবাহিত কৰি আহিছে। তাকো প্ৰতি বছৰেই খহনীয়াই শেষ আশ্ৰয় স্থলকনলৈও ভাবুকি মাটি আনিছে। প্ৰায় ২০০৪ চনৰে পৰাই অঞ্চলটোত বিজ্ঞানসন্মত খহনীয়া প্ৰতিৰোধ আঁচনিৰে ব্ৰহ্মপুত্ৰ বৰ্ড নামৰ কেন্দ্ৰীয় সংস্থা তোক খহনীয়া প্ৰতিৰোধ আঁচনি ৰূপায়ণৰ দায়িত্ব দি আহিছে যদিও প্ৰতিৰোধৰ নামত কেৱল শ শ কোটি টকা ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। বিপৰীতে একথা তুমিও ৰক্ষা কৰিব পৰা নাই আঁচনিয়ে। এনে ব্যৰ্থতাৰেই বিগত বাইছ বছৰ খহনীয়া প্ৰতিৰোধৰ দায়িত্ব বাহী ব্ৰহ্মপুত্ৰ বৰ্ডক নতুন চৰকাৰখনে বা বিধায়ক গৰাকীয়ে নাকী লগাব পাৰে সেইয়া লক্ষণীয় হ'ব।

# নাজিৰাত উইচডম কচিং চেণ্টাৰ শুভাৰম্ভ; কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**অসম বাৰ্তা, নামতি, ১৬ মে' ঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত নাজিৰা নগৰৰ ৬নং ৱাৰ্ডত যোৱা ১৫ মে'ত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উইচডম কচিং চেণ্টাৰ নামৰ এটা গুণ মানবিশিষ্ট আৰু উন্নত মানদণ্ডৰ এটা কচিং চেণ্টাৰৰ শুভাৰম্ভ কৰা হয়। লগতে এই অনুষ্ঠানতে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ৯গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে নাজিৰা নগৰৰ বিশিষ্ট যুৱ সমাজকৰ্মী তথা এসময়ত দক্ষ আৰু অভিজ্ঞ ঘৰুৱা শিক্ষকৰূপে পৰিচিত আব্দুৰ ৰহমান(জানমণি)ৰ সঞ্চালনাত শুভাৰম্ভ কৰা উইচডম কচিং চেণ্টাৰত প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰা হ'ব। এই অনুষ্ঠানতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৯গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সঞ্চালক আব্দুৰ ৰহমানে আঁত ধৰা এই অনুষ্ঠানত উপস্থিত থাকে নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক গজেন শৰ্মা, নাজিৰা এম চি ক্লাবৰ সভাপতি জাকিৰুল হুছেইন, শিক্ষকদ্বয় মুক্তাক আহমেদ, নেকীবুদ্দিন আহমেদ, যুৱ সমাজকৰ্মীদ্বয় প্ৰশান্তবৰঠাকুৰ আৰু প্ৰসেনজিত বৰুৱাকে ধৰি বহু অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত অধ্যাপক গজেন শৰ্মাকে ধৰি বিশিষ্ট ব্যক্তিসকলে ভাষণ প্ৰসংগত উইচডম কচিং চেণ্টাৰে অনাগত দিনত মেধাবী ছাত্ৰ-ছাত্ৰী গঢ় দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

## ডিব্ৰুগড়ৰ কছাৰীবাৰীৰ বয়োজ্যেষ্ঠ সৰবৰাহী মহিলা, সমাজকৰ্মী মীৰা সোণোৱালৰ মৃত্যু; শোকৰ ছাঁ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ মে' ঃ** ডিব্ৰুগড়ৰ কছাৰীবাৰী, মানকটা অঞ্চলৰ বয়োজ্যেষ্ঠ সৰ্ববৰাহী মহিলা সমাজ কৰ্মী, পূৰ্বেৰুণ সঙ্ঘৰ প্ৰতিষ্ঠা কালৰ সদস্যা, মানকটা শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাকালৰ সদস্য, কছাৰীবাৰী ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী মীৰা সোণোৱালৰ কালি বাৰ্দ্ধক্যজনিত কাৰণত নিজা বাসগৃহত (৮৫) কালি পৰলোকগামী হয়। মৃত্যু সময়ত পুত্ৰ-বোৱাৰী, চাৰি গৰাকী জী-জোঁৱাই, নাতি-নাতিনী আত্মীস্বজন ইহ সংসাৰত এৰি যায়। অঞ্চলটোৰ এগৰাকী সমাজকৰ্মী হিচাপেও জনাজাত সোণোৱালৰ মৃত্যুত সমাজখনৰ বাবে বহু অপূৰণীয় ক্ষতি হয় বুলি বিভিন্ন জনে মত প্ৰকাশ কৰে। কালিৰে পৰা আৰম্ভ হোৱা ৪৭ সংখ্যক কছাৰীবাৰী ৰঙালীবিহু সন্মিলন চলি থকা কাৰ্যসূচী তেখেতৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বিহু সন্মিলনখনি সাময়িকভাৱে স্থগিত ৰাখি বিদেহ আত্মাৰ সদগতিৰ কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা হয়। আনহাতে আজিৰ পুৱা ভাগৰ সকলো কাৰ্যসূচী আৰু প্ৰতিযোগিতাসমূহ বাতিল কৰে। তেখেতৰ বিয়োগত কছাৰীবাৰী পূৰ্বেৰুণ সংঘ, ৰামধেনু মইনা পাৰিজাত, মানকটা শাখা সাহিত্য সভা, হাটীমূৰা সমন্বয়নগৰ উন্নয়ন সমিতি, লক্ষ্মীনগৰ উন্নয়ন সমিতি আদি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

# কৃষিকৰ্মৰে আত্মসংস্থাপনৰ বাট মুকলি কৰিছে মাজুলীৰ নৱপ্ৰজন্মৰ এগৰাকী উদ্যোগী যুৱক পংকজ শইকীয়াই

জিলা আয়ুক্তৰ সহায়ৰ আশ্বাস

**অসম বাৰ্তা, মাজুলী, ১৬ মে' ঃ** কৃষিকৰ্মৰে উজলিছে মাজুলীৰ নৱপ্ৰজন্মৰ এগৰাকী উদ্যোগী যুৱক পংকজ শইকীয়া। কেঁচুসাৰ প্ৰকল্প আৰু নাৰ্চাৰীৰে বছৰি ১২ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰিবলৈ সক্ষম হৈছে পংকজ শইকীয়াই। যি সময়ত কৰ্ম সংস্থাপন বিচাৰি শিক্ষিত যুৱক-যুৱতীয়ে নিজ ৰাজ্য এৰি আন ৰাজ্যলৈ গতি কৰিছে, সেই সময়তে নিজ কৰ্মৰ জৰিয়তে উজলিছে মাজুলীৰ ধুৱাচলা গাঁৱৰ যুৱক পংকজ শইকীয়া। যুৱ প্ৰজন্মৰ বাবে আদৰ্শ কৃষক পংকজ শইকীয়াই কৃষিকাৰ্যৰ লগতে কৃষিৰ বাবে আনুষংগিক উপাদান প্ৰস্তুত কৰি আহিছে। কেঁচুসাৰ উৎপাদন, নাৰ্চাৰী আৰু আপেল বগৰীৰ খেতিৰে স্বাৱলম্বী হোৱা পংকজ শইকীয়াই এতিয়া বছৰি প্ৰায় ১২ লাখ টকা উপাৰ্জন কৰে। পংকজ শইকীয়াৰ এই প্ৰকল্প মাজুলীৰ সৰ্ববৃহৎ কেঁচুসাৰ বা ভাৰ্মি কম্প'ষ্ট উৎপাদন কেন্দ্ৰ। ছাত্ৰাৱস্থাৰ পৰাই কৃষিৰ প্ৰতি দুৰ্বলতা থকা পংকজ শইকীয়াই নিজৰ একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমৰ বলত গঢ়ি তুলিছে এই বৃহৎ প্ৰকল্প। গোবৰ, মেটেকা আৰু কলগছৰ টুকুৰা বৈজ্ঞানিক পদ্ধতিৰে ব্যৱহাৰ কৰি তেওঁ প্ৰস্তুত কৰে এই কেঁচুসাৰ। কৃষি বিভাগৰ ফালৰ পৰা লাভ কৰা মেচিনৰ জৰিয়তে কলগছসমূহ কাটি কেঁচুৰ বাবে উপযুক্ত খাদ্য প্ৰস্তুত কৰা হয়। যাৰ ফলত কম সময়ৰ ভিতৰতে সাৰখিনি ব্যৱহাৰোপযোগী হৈ পৰে। এইগৰাকী যুৱ কৃষকে কেৱল কেঁচুসাৰ উৎপাদনতেই নিজৰ কৰ্ম পৰিসৰ সীমাবদ্ধ ৰখা নাই। পংকজ শইকীয়াই নাৰ্চাৰী, লেণ্ডস্কেপিং, গাৰ্ডেনিং আৰু ইভেণ্ট ডেক'ৰেচনৰ লগতো জড়িত হৈ আহিছে। ৰাসায়নিক সাৰৰ বিৰূপ প্ৰভাৱ আৰু কেন্সাৰৰ দৰে ভয়াৱহ ৰোগৰ পৰা হাত সাৰিবলৈ তেওঁ সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে এই কৃষিকাৰ্য চলাই নিছে। শেহতীয়াকৈ তেওঁ ৫৬ জোপা আপেল বগৰীৰ খেতিও আৰম্ভ কৰিছে। প্ৰথম অৱস্থাত মাটি লীজত লৈ এই কাম আৰম্ভ কৰা পংকজে এতিয়া নিজৰ উপাৰ্জনেৰে মাটি কিনিবলৈ সক্ষম হৈছে। বৰ্তমান অকলেই এই প্ৰকল্প চলাই নিলেও তেওঁৰ লক্ষ্য ভৱিষ্যতে প্ৰায় ৫০জন নিবনুৱা যুৱকক সংস্থাপন দিয়া। ইফালে মাজুলী জিলা আয়ুক্তগৰাকীয়েও পংকজ শইকীয়াৰ এই বৃহৎ কৃষি প্ৰকল্প পৰিদৰ্শন কৰে। প্ৰকল্পটো পৰিদৰ্শন কৰি পংকজৰ এই প্ৰচেষ্টাক প্ৰশংসা কৰি জিলা আয়ুক্তগৰাকীয়েও ভৱিষ্যতলৈ সকলো ধৰণৰ সহায়-সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।

সামান্য কথাক কেন্দ্ৰ কৰি ৭ বছৰীয়া ছাত্ৰীক কাঠৰ বেটেৰে প্ৰহাৰ কৰাৰ অভিযোগ

# মৰিয়নিৰ ডেঞ্চ স্কুলত কণমানি ছাত্ৰীক নৃত্য শিক্ষকৰ নিৰ্মম প্ৰহাৰ, তীব্ৰ চাঞ্চল্য

**অসম বাৰ্তা, মৰিয়নি, ১৬ মে' ঃঃ** মৰিয়নি নগৰৰ মাজমজিয়াত অৱস্থিত RX ডেঞ্চ স্কুলত সংঘটিত এক নিন্দনীয় ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, বিদ্যালয়খনৰ নৃত্য শিক্ষক "চনু কুমাৰ"-এ এগৰাকী ৭ বছৰীয়া কণমানি ছাত্ৰীক সামান্য কথাক কেন্দ্ৰ কৰি কাঠৰ বেটেৰে নিৰ্মমভাৱে প্ৰহাৰ কৰে। জানিব পৰা মতে, বিদ্যালয়ত নৃত্য শিক্ষণ চলি থকা সময়ত কোনো সামান্য বিষয়ক লৈ শিক্ষকজনে ছাত্ৰী গৰাকীৰ ওপৰত ক্ষুব্ধ হৈ উঠে আৰু পিছত কাঠৰ বেটেৰে প্ৰহাৰ কৰে। ঘটনাটোত ছাত্ৰী গৰাকী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পৰৱৰ্তী সময়ত নিশাই অভিভাৱকে ছাত্ৰী গৰাকীক মৰিয়নি খণ্ড প্ৰাথমিক চিকিৎসালয় লৈ যায় যদিও চিকিৎসকে আঘাতৰ অৱস্থা গুৰুত্বৰ বুলি বিবেচনা কৰি উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰে। ইফালে, অভিযুক্ত নৃত্য শিক্ষক "চনু কুমাৰ"-ৰ বিৰুদ্ধে ইয়াৰ পূৰ্বেও ছাত্ৰ-ছাত্ৰীক এনেদৰে নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছিল বুলি জানি পৰা গৈছে। ঘটনাটোৰ পিছতে মৰিয়নি অঞ্চলত তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সচেতন মহলে অভিযুক্ত শিক্ষকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

গোৱালপাৰা জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

# গোৱালপাৰাত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ আসন সংখ্যা বৃদ্ধিৰ দাবী

**অসম বাৰ্তা, গোৱালপাৰা, ১৬ মে' ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত একাদশ শ্ৰেণীৰ আসন সংখ্যা বৃদ্ধি কৰাৰ দাবীত শনিবাৰে গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ এটি সঁজাতি দলে গোৱালপাৰা জিলা আয়ুক্তক এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে জনোৱা অনুসৰি, চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে শিক্ষাৰ্থীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। কিন্তু জিলাখনৰ বহু বিদ্যালয় আৰু মহাবিদ্যালয়ত পৰ্যাপ্ত আসনৰ অভাৱৰ ফলত বহু ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তিৰ সুযোগ লাভ কৰিব পৰা নাই। স্মাৰকপত্ৰ প্ৰদানৰ পিছত গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক আহমেদ আলী জিন্নাই অভিযোগ উত্থাপন কৰি কয় যে, বহু শিক্ষা প্ৰতিষ্ঠানে উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৫০ শতাংশতকৈ কম নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীক নামভৰ্তিৰ সুযোগ প্ৰদান কৰা নাই। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয় যে, যদি ৫০ শতাংশতকৈ কম নম্বৰ লাভ কৰা শিক্ষাৰ্থীক নামভৰ্তিৰ সুযোগ দিয়া নহয়, তেন্তে উত্তীৰ্ণৰ ন্যূনতম নম্বৰ ৫০ শতাংশ নিৰ্ধাৰণ কৰা হোৱা নাই কিয়? তেওঁ লগতে কয় যে, কেৱল নম্বৰৰ ভিত্তিত শিক্ষাৰ মানদণ্ড নিৰ্ধাৰণ কৰাটো উচিত নহয় আৰু কোনো শিক্ষাৰ্থীক শিক্ষাৰ পৰা বঞ্চিত কৰিব নালাগে। বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ পৰা বঞ্চিত কৰাৰ এক ষড়যন্ত্ৰ চলি থকাৰ অভিযোগ উত্থাপন কৰি তেওঁ কয় যে, এনে কাৰ্যৰ সৈতে জড়িত ব্যক্তিসকল কেতিয়াও সফল হ'ব নোৱাৰে। গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে জিলা প্ৰশাসন আৰু শিক্ষা বিভাগক শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি জিলাখনৰ সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় সমূহত আসন সংখ্যা বৃদ্ধি কৰাৰ দাবী জনাইছে, যাতে সকলো উত্তীৰ্ণ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষাৰ সুযোগ লাভ কৰিব পাৰে।

# অসম ছাত্ৰ পৰিষদ ভোমোৰাগুৰি আঞ্চলিক পৰিষদৰ শতাধিক কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৬ মে' ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ঘোষণা কৰিছে। সমগ্ৰ অসমৰ লগতে শোণিতপুৰ জিলা আৰু তেজপুৰৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হৈ মেধাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। যোৱা ১৪ মে'ৰ দিনটোত তেজপুৰ চহৰৰ নিকটৱৰ্তী ভোমোৰাগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত বাটামাৰী সমূহীয়া মুকলি মঞ্চত অসম ছাত্ৰ পৰিষদ ভোমোৰাগুৰি আঞ্চলিক পৰিষদৰ উদ্যোগত ভোমোৰাগুৰি, বাটামাৰি, দোলাবাৰী, ভোজখোৱা, চটাই চাপৰি, ৰাজভঁৰাল, যোৰগড় আদি অঞ্চলৰ কৃতি ছাত্ৰ ছাত্ৰী যিসকল সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ নিজৰ অঞ্চলৰ লগতে তেজপুৰলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে সেইসকল কৃতি ছাত্ৰ ছাত্ৰীক উৎসাহ যোগোৱাৰ উদ্দেশ্যে এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে। এই অভিনন্দন অনুষ্ঠানত ওপৰত উল্লিখিত অঞ্চল সমূহৰ শতাধিক ছাত্ৰ-ছাত্ৰীক অসমীয়াৰ স্বাভিমান ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই এখনকৈ মানপত্ৰ প্ৰদান কৰা হয় বুলি অসম ছাত্ৰ পৰিষদ ভোমোৰাগুৰি আঞ্চলিক পৰিষদৰ সভাপতি ৰশিদুল হকে জানিবলৈ দিয়ে। সাধাৰণ সম্পাদক ৰাচিফ আক্ৰাম আৰু যুৱ নেতা নাজমুল আনচাৰীয়ে আঁত ধৰা অভিনন্দন অনুষ্ঠানত অসম ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জয় বৰা, ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হক, অসম ছাত্ৰ পৰিষদ শোণিতপুৰ জিলা সমিতিৰ সভাপতি মাধুৰ্য্য বৰা, কাৰ্য্যকৰী সভাপতি কৃষ্ণকমল সুত, সাধাৰণ সম্পাদক মৃণাল নাথ, তেজপুৰ সমষ্টি সমিতিৰ সাধাৰণ সম্পাদক ভাস্কৰ নাথ, ৰাজগড় গাঁও পঞ্চায়তৰ সভাপতি আব্দুল মুতালিব, দোলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি আফতাব হুছেইন, ৰেড ফৰ্ট স্কলাৰছ একাডেমীৰ অধ্যক্ষ মূৰ্তাজা ইউচুফ, বাটামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুৰ ৰাজ্জাক, ভোজখোৱা চিৰাজীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ফজলুল হক, বিশিষ্ট সমাজসেৱক নাজিমুদ্দিন শ্বেইখ, শ্বেইখ আশ্ৰাফুলৰ লগতে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকি কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা আৰু অভিনন্দন জনায় বুলি সাধাৰণ সম্পাদক মহচিনুল হকে জনায়। উপস্থিত আমন্ত্ৰিত অতিথি সকলে ছাত্ৰ-ছাত্ৰীক সু-শিক্ষাৰে শিক্ষিত হৈ দেশৰ সু নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰি দেশ আৰু সমাজৰ উন্নয়ন সাধন কৰাত অৰিহণা যোগাবলৈ আহ্বান জনায়।

আলোচনা আগবঢ়াই বিশিষ্ট মধুমেহ বিশেষজ্ঞ ডাঃ নিখিল বৰাই

# বিশ্বনাথত ভাৰতীয় চিকিৎসক সন্থা বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত গৰ্ভাৱস্থাত মধুমেহ ৰোগৰ ওপৰত চিকিৎসা শিক্ষা সভা




**অসম বাৰ্তা, জিনজিয়া, ১৬ মে' ঃ** ভাৰতীয় চিকিৎসক সন্থাৰ বিশ্বনাথ শাখাৰ সৌজন্যত নগৰৰ পেৰাদাইছ হোটেলত এখন চিকিৎসা শিক্ষা সভা অনুষ্ঠিত হয়। সম্পাদক ডাঃ মনজিৎ কটকীৰ আদৰণি ভাষণেৰে শুভাৰম্ভ হোৱা সভাত সভাপতিত্ব কৰে সন্থাৰ সভাপতি ডাঃ নাৰায়ণ উপাধ্যায় দেৱে। এইবাৰৰ আলোচনাৰ বিষয় আছিল গৰ্ভাৱস্থাত হোৱা মধুমেহ ৰোগ। বিষয়টিৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়ায় বিশ্বনাথৰ মধুমেহ বিশেষজ্ঞ ডাঃ নিখিল বৰাই। এই ৰোগ থাকিলে গৰ্ভস্থ সন্তান আৰু মাতৃ গৰাকীয়ে নানানটা জটিলতাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা বেছি হয়। তেখেতে কিদৰে এই ৰোগ ধৰা পেলাই আৰম্ভণিতে কি কি কৰিবলগীয়া থাকে আৰু সন্তান জন্মৰ ছয় ৰ পৰা বাৰ সপ্তাহলৈ মাতৃ গৰাকীৰ যথোচিত চিকিৎসাৰ কথা বিবৰি কয়। বক্তৃতা লানিত সহায়ক ব্যক্তি হিচাবে উপস্থিত থাকে ডাঃ অমল শইকীয়া। সভাত ডাঃ নৃপেন শইকীয়া, ডাঃ বেণুধৰ ভৰালী, ডাঃ দুলাল চন্দ্ৰ শৰ্মা, ডাঃ ধ্ৰুৱ ফুকন, ডাঃ বিকাশ চৰকাৰ, ডাঃ ৰিপন চুতীয়া ডাঃ এলিজা ডেকা, ডাঃদেবজনি দাস, ডাঃ ৰঞ্জিত দাস, ডাঃ চন্দ্ৰ বৰা ডাঃ চিন্ময়ী বৰা, ডাঃ মুকুন্দ বৰা, ডাঃ ৰাজুমনি বৰা, ডাঃ শৈলেন বৰা, ডাঃ ইন্দ্ৰাণী বৰা, ডাঃ বিষ্ণু শৰ্মা, ডাঃ বিচিত্ৰ গগৈ, ডাঃ প্ৰাঞ্জল শইকীয়া, ডাঃ সুশান্ত খাৰঘৰীয়া, ডাঃ আলফ্ৰেড বৰুৱা, ডাঃ ৰূপমজিৎ ভৰালী ডাঃ দেৱ বৰদলৈ, ডাঃ গুঞ্জন পাঠক, ডাঃ ৰাজীৱ ৰাজখোৱা, ডাঃ নীতিশ মিলি, ডাঃ ৰাজেন কুমাৰ দাস, ডাঃ বিষ্ণু কামান, ডাঃ মিতালী বৰবৰা আদি চিকিৎসক মণ্ডলি উপস্থিত থাকে।

# নলবাৰীত ৰাষ্ট্ৰীয় ডেংগু দিৱস পালন

**অসম বাৰ্তা, নলবাৰী, ১৬ মে' ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ উদ্যোগত জিলাখনৰ সকলো চিকিৎসালয় তথা বিভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় ডেংগু দিৱস উদযাপন কৰা হয়। ৰাজ্যত বৰ্ধিত ৰূপত বাঢ়ি অহা বাহকজনিত ৰোগসমূহ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগে সক্ৰিয়তাৰে কাম কৰি আছে। জিলাখনত যাতে কোনো ৰোগৰ প্ৰাৰ্দুভাৱ ঘটিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি ৰাষ্ট্ৰীয় ডেংগু দিৱস উপলক্ষে স্বাস্থ্য বিভাগে ৰাইজক ডেংগুৰ লক্ষণ, প্ৰতিকাৰ আৰু সাৱধানতা সম্পৰ্কে অৱগত কৰে। অতিমাত্ৰা জ্বৰ, চকু ৰঙা পৰা বা চকুৰ পিছফালে বিষোৱা, গাঁঠিৰ বিষ, মূৰৰ বিষ, মাংস পেশীৰ বিষ, দাঁতৰ আলুৰ পৰা তেজ ওলোৱা, শৰীৰত ৰঙা দাগ বা ঘামচি সদৃশ লক্ষণে দেখা দিলে ডেংগু হোৱাৰ সম্ভাৱনা থাকে। ডেংগু(এডিছ) মহে যিহেতু দিনত কামোৰে সেয়েহে দিনত শোৱাৰ সময়তো আঁঠুৱা ব্যৱহাৰ কৰাৰ লগতে ঘৰৰ কোনো মুকলি ঠাইত পানী জমা হ'বলৈ দিয়া অনুচিত। ডেংগুৰ চিকিৎসা সকলো চৰকাৰী চিকিৎসা চিকিৎসালয়ত উপলব্ধ। ডেংগুৰ পৰীক্ষাৰ বাবে পৰীক্ষাগাৰৰ সুবিধা সকলো জিলা চিকিৎসালয় তথা চিকিৎসা মহাবিদ্যালয়ত বিনামূলীয়াকৈ উপলব্ধ। উল্লেখযোগ্য ২০২৫ বৰ্ষত নলবাৰী জিলাত ২৫জন লোক আৰু ২০২৬ বৰ্ষত বৰ্তমানলৈকে ৩জন লোক ডেংগুত আক্ৰান্ত হৈছে। ডেংগুসদৃশ লক্ষণ অনুভৱ কৰিলে চিকিৎসকৰ পৰামৰ্শ লোৱাটো অতি জৰুৰী। চিকিৎসকৰ পৰামৰ্শ অবিহনে কোনোধৰণৰ ঔষধ সেৱন নকৰিবলৈ ভাৰপ্ৰাপ্ত জিলা মেলেৰীয়া বিষয়া হিৰন্ময়ী দেৱীয়ে সকলোকে আহ্বান জনাইছে। যিকোনো স্বাস্থ্য সমন্ধীয় তথ্যৰ বাবে ১০৪ ডায়েল কৰিব পাৰে। সামূহিক সংযোগেৰে ডেংগু নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ জৰিয়তে এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে।

গৰৈমাৰীৰ খলিহামাৰীত ভূমি জৰীপত ব্যাপক বিসংগতিৰ অভিযোগ

# ফ্ৰেমাৰ অধীনত নদীবান্ধ নিৰ্মাণৰ কামত বিভাগীয় অৱহেলা

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ মে' ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ খলিহামাৰীত ফ্ৰেমাৰ অধীনত ব্ৰহ্মপুত্ৰৰ নদীবান্ধ নিৰ্মাণৰ কামত বিভাগীয় চূড়ান্ত অৱহেলাৰ বাবে ভূমি জৰীপত ব্যাপক বিসংগতিৰ অভিযোগ উত্থাপন হৈছে। ফলত খলিহামাৰীৰ এটা পৰিয়াল নদীবান্ধ নিৰ্মাণৰ বাবে চলি থকা ভূমি জৰীপত বিভাগীয়ভাৱে চৰম ষড়যন্ত্ৰৰ বলি হৈছে। অভিযোগমতে খলিহামাৰীত ব্ৰহ্মপুত্ৰৰ নদীবান্ধৰ আৰম্ভণিতে কৰা জৰীপত বিভাগীয় লোকে আমিনুল হক নামৰ পৰিয়াল এটাৰ ভূমি ইচ্ছাকৃতভাৱে বাদ দিছিল। সেইসময়ত কামৰূপ জিলা আয়ুক্তৰ লগতে গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰাৰ পিছত তদন্তকাৰী দল আহি পুনৰ জোখ-মাখ কৰিছিল আৰু তেতিয়া উক্ত পৰিয়ালৰ ৪৬ লেছা ভূমি (দাগ নং ১৩১, পট্টা নং ১৩) নদীবান্ধৰ পৰিসৰত সোমোৱা বুলি প্ৰমাণিত হয়। ইপিনে চূড়ান্ত তালিকাত উক্ত পৰিয়ালৰ ৪৬ লেছা ভূমিৰ ঠাইত মাত্ৰ ৬ লেছা ভূমি অন্তৰ্ভুক্ত কৰা বুলি পৰিয়ালটো জানিব পাৰিছে। পৰিকল্পিতভাৱে পৰিয়ালটোৰ ৪০ লেছা ভূমি জৰীপৰ পৰা পুনৰ বাদ দিয়া হৈছে। পূৰ্বৰ অভিযোগৰ তদন্তত ওলোৱা ৪৬ লেছা ভূমিৰ প্ৰতিবেদন পুনৰ পৰীক্ষা কৰি মাটি নথিত সুমোৱাৰ দাবীত ভুক্তভোগী পৰিয়ালটোৱে আজি গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত স্মাৰকপত্ৰ দাখিল কৰিছে।

# জাগাৰাত কৃতি শিক্ষক দীপক ডেকাক বিদায় সম্বৰ্দ্ধনা

**অসম বাৰ্তা, চামতা, ১৬ মে' ঃ** নলবাৰী জিলাৰ পশ্চিম নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত জাগাৰাস্থিত জাগাৰা হাইস্কুল প্ৰাঙ্গণত শনিবাৰে জাগাৰা হাইস্কুলৰ সহকাৰী সদ্য অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক দীপক ডেকাক ৰাজহুৱাভাৱে বিদায় সম্বৰ্দ্ধনা জনায়। ১৯৯৪ চনৰ পৰা ২০২৫ চনৰ অক্টোবৰ মাহলৈ সুদীৰ্ঘ ৩৪ বছৰ একেৰাহে বিদ্যালয়খনত নিষ্ঠা সহকাৰে চাকৰী কৰি যোৱা ২০২৫ চনৰ অক্টোবৰ মাহত চাকৰীৰ পৰা অৱসৰ গ্ৰহণ কৰে যদিও শনিবাৰে বিদ্যালয়খনত অৱসৰপ্ৰাপ্ত শিক্ষক দীপক ডেকাক ৰাজহুৱাভাৱে বিদায় সম্বৰ্ধনা জনায়। জাগাৰা হাইস্কুলৰ প্ৰধান শিক্ষক ৰফিক আলীৰ সভাপতিত্বত আৰু সহকাৰী শিক্ষক মনোৰঞ্জন ডেকাই আঁত ধৰা বিদায় সম্বৰ্ধনা সভাখনত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি মনোৰঞ্জন ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক কমলা কান্ত ডেকা, বিপুল চক্ৰৱৰ্তী, প্ৰণতি ডেকা, উপেন তালুকদাৰ, প্ৰদীপ শৰ্মা, আৰু কিশোৰ বৈশ্যই উপস্থিত থাকি ভাষণ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক দীপক ডেকাক বিদ্যালয়খনৰ তৰফৰ পৰা এখনি ফুলাম গামোছা, এটা পিতলৰ জাপি, এটা শৰাই, গছ পুলি, কলম, কিতাপৰ তপোলা আৰু এখনি সম্বৰ্ধনা পত্ৰ পদান কৰে। উক্ত বিদায় সম্বৰ্ধনা সভাত জাগাৰা হাইস্কুলৰ সমূহ শিক্ষক শিক্ষয়ত্ৰীৰ লগতে ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে।

হাৱাল বনোৱা, কাৰেংগুৰা, বলি-বিধান আৰু নৈবেদ্য প্ৰদান

# বকোৰ ডিৰিমাত তৃতীয় বাৰ্ষিক লাঙাপূজা উদ্‌যাপন

**অসম বাৰ্তা, বকো, ১৬ মে' ঃ** ৰাভা জনগোষ্ঠীৰ জাতীয় ধৰ্মীয় বিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰিবলৈ অসমীয়া জেঠ মাহৰ প্ৰথম শনিবাৰে আয়োজন কৰে লাঙাপূজা। বিগত বছৰবোৰৰ দৰে এই বছৰো কামৰূপ জিলা ৰাভা জাতীয় ধৰ্মীয় বিশ্বাস আৰু সাংস্কৃতি সংৰক্ষণ সমাজৰ উদ্যোগত ডিৰিমা ৰাইজ গয়ৰহৰ সহযোগত দিনযোৱা কাৰ্য্যসূচীৰে আয়োজন কৰা হৈছে লাঙাপূজা উৎসৱ। উদ্যোক্তা সংগঠনটোৰ সভাপতি বিমল ৰাভা আৰু সম্পাদক লক্ষ্যজিৎ ৰাভা লগতে ডিৰিমা ৰাইজ গয়ৰহৰ সভাপতি সীতাৰাম ৰাভা আৰু সম্পাদক ভীষ্মদেৱ ৰাভাই জনোৱা অনুসৰি এই বেলি কামৰূপ জিলাৰ বকোৰ শিংৰা ডিৰিমাত তৃতীয় বৰ্ষৰ বাবে আয়োজন কৰা হৈছে লাঙাপূজা। পূজাত যথাৰীতি মতে পৰম্পৰাৰে পূজাৰ কাম সম্পাদন কৰা হয়। পূজা ভাগি প্ৰতি বছৰে অসমীয়া জেঠ মাহৰ প্ৰথম শনিবাৰে মাংগলিক ৰীতি-নীতিৰে পালন কৰা হয়। লাঙাপূজা আৰু কামাখ্যা পূজাৰ কাৰ্য্যসুচী অনুসৰি পুৱাৰ ভাগত ৰাইজৰ দ্বাৰা হাৱাল বনোৱা হয়। দুয়োটা পবিত্ৰ স্থানত কাৰেংগুৰা, চাউল, প্ৰসাদ, কুকুৰা-হাঁহ-ছাগলী প্ৰদান কৰা হয়। পূজা অৰ্চনা; লাঙাপূজা সন্দৰ্ভত কথোপকথন আৰু বিধিৰ ওপৰত আলোচনা কৰা হয়। ইফালে আবেলি পৰত পূজাৰ হাৱাল পৰিদৰ্শন আৰু শিংৰা নদীত হাৱাল বিসৰ্জন দিয়া হয়। আনহাতে সন্ধিয়া পৰত "লাঙামাৰা বিয়া"ৰ অভিনয় আৰু নৃত্য প্ৰদৰ্শন কৰা হয়। পূজা ভাগিৰ কাৰ্য্যসুচীত নিখিল ৰাভা জাতীয় পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি/ সম্পাদক ক্ৰমে সোণেশ্বৰ আৰু উৎপল ৰাভাৰ লগতে ৰাভা জাতীয় পৰিষদৰ নেতৃবৃন্দ, ৰাভা মহিলা পৰিষদৰ নেতৃবৃন্দ আৰু ৰাভা জাতীয় ধৰ্মীয় বিশ্বাস আৰু সংস্কৃতি সংৰক্ষণ সমাজৰ জিলা সমিতিৰ বিষয়ববীয়া সকলে অংশগ্ৰহণ কৰে।

জিলাজুৰি চলিব স্বাস্থ্য-ৰক্তদান শিবিৰ আৰু গছপুলি ৰোপণ অভিযান

# মৰিগাঁৱতো ১৮ মে'ৰ পৰা "জন ভাগীদাৰী- সবছে দূৰ, সবছে পেহলে" অভিযান আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৬ মে' ঃ** দেশজুৰি ৰূপায়ণ হ'বলগীয়া "জন ভাগীদাৰী — সবছে দূৰ, সবছে পেহলে" শীৰ্ষক অভিযানৰ সফল ৰূপায়ণৰ উদ্দেশ্যে আজি মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ সভাপতিত্বত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই ৰাষ্ট্ৰীয় অভিযানৰ অংশ হিচাপে মৰিগাঁও জিলাতো অহা ১৮ মে'ৰ পৰা এই অভিযান আৰম্ভ হ'ব। জনজাতীয় লোকসকলৰ বাবে চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে সচেতনতা সৃষ্টি কৰাৰ লগতে যোগ্য হিতাধিকাৰীসকলৰ বাবে আঁচনিসমূহৰ সুবিধা নিশ্চিত কৰাৰ উদ্দেশ্যে এই অভিযান ৰূপায়ণ কৰা হ'ব। এই অভিযানৰ অংশ হিচাপে জিলাখনত ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযানৰ আয়োজন কৰা হ'ব। লগতে জনজাতীয় লোকসকলৰ বাবে চৰকাৰী আঁচনিসমূহৰ বিষয়ে অধিক সচেতনতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধাৰ আওতালৈ অনাৰ উদ্দেশ্যে হিতাধিকাৰী অন্তৰ্ভুক্তিৰ শিবিৰ অনুষ্ঠিত কৰা হ'ব। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে এই অভিযান সফলভাৱে তৃণমূল পৰ্যায়ত ৰূপায়ণৰ বাবে বিভিন্ন বিভাগৰ মাজত সমন্বিত আৰু সক্ৰিয় সহযোগিতা নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত বিভিন্ন বিভাগৰ বিষয়ববীয়া উপস্থিত থাকি অভিযানটো সুচাৰুৰূপে ৰূপায়ণৰ বাবে বিস্তৃত আলোচনা কৰে।

চকু পানী মচি বিদায় জনালে কণকণ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজে

# আমচৈত অৱসৰ প্ৰাপ্ত শিক্ষক নাৰায়ণ চেত্ৰীক বিদায় সম্বৰ্ধনা



**অসম বাৰ্তা, ৰহা, ১৬ মে' ঃ** শিক্ষাখণ্ডৰ আমচৈ নৰ্থ সমল কেন্দ্ৰৰ অন্তৰ্গত আমচৈ বুঢ়া ৰজাগাঁও প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ চেত্ৰীক আজি অঞ্চলটোৰ ৰাইজৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ৰান্ধনি সন্থাৰ সদস্যা সকলে সম্বৰ্ধনা জনাই। এই উপলক্ষে বুঢ়া ৰজাগাঁৱৰ প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অঞ্চলটোৰ বিশিষ্ট সমাজ সেৱক ভদ্ৰ সেনাপতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভা খনত উদ্দেশ্য ব্যাখ্যা কৰে অঞ্চলটোৰ উদীয়মান যুৱক দিপজ্যোতি শইকীয়াই। দিনৰ প্ৰায় ১২ মান বজাৰ পৰা অনুষ্ঠিত হোৱা সভা খনলৈ হৰি নাম ধ্বনি, ধূপ ধূণা, পুষ্পাঞ্জলিৰ মাজেৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ণ চেত্ৰীক আদৰি আনে স্থানীয় আই মাতৃ সমাজৰ লগতে বিদ্যালয় খনৰ কণ কণ ছাত্ৰ ছাত্ৰী সকলে। একাধিক কৃতি শিক্ষকৰ বটা প্ৰাপ্ত প্ৰধান শিক্ষক গৰাকীয়ে বিদ্যালয় খনৰ নামত কৰা ত্যাগ স্বীকাৰ উপস্থিত সকলোৱে একে মুখে স্বীকাৰ কৰে। সভাত বহু কেইজন বয়স্ক ব্যক্তিৰ লগতে আই মাতৃ, ছাত্ৰ ছাত্ৰীয়ে চকু পানী মচি মচি শিক্ষক গৰাকীক গামোচা, চেলেং, শৰাই, মানপত্ৰ, জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। আজি অনুষ্ঠিত হোৱা সম্বৰ্ধনা অনুষ্ঠানটোত অঞ্চলটোৰ বহু কেইখন বিদ্যালয়ৰ প্ৰধান শিক্ষক সহ শিক্ষক উপস্থিত থকাৰ লগতে আমচৈ নৰ্থ সমল কেন্দ্ৰৰ সমন্বয়ক হীৰেন ডেকাৰ লগতে হাটবৰ গাঁও পঞ্চায়ৰ সভাপতি দীপেন কোঁৱৰ, চাপৰমুখ জিলা পৰিষদৰ সদস্যা জোনালীম দাস, তিৱা স্বায়ত্বশাসিত পৰিষদৰ ২৫ নং চহৰী সমষ্টিৰ মোহন সেনাপতি, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ বৰদলৈৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে শিক্ষক নাৰায়ণ চেত্ৰীক শুভেচ্ছা মুলক বক্তব্যৰে অভিনন্দন জ্ঞাপন কৰে।

# মঙলদৈত কৃতী ছাত্ৰ-ছাত্ৰীক আমছুৰ অভিনন্দন

**অসম বাৰ্তা, মঙলদৈ, ১৬ মে' ঃ** 'সাম্প্ৰদায়িক মতভেদ পৰিহাৰ কৰি অসমৰ সকলো জাতি-জনগোষ্ঠীৰ উন্নয়নৰ হ'কে চৰকাৰে কাম কৰক। শ্ৰেণী বিভাজন নকৰি চৰকাৰী নীতি নিয়মৰ ভিত্তিত পূৰ্বে সংস্থাপন কৰাৰ পিছত অবৈধ উচ্ছেদ হওক। কিন্তু উচ্ছেদ হোৱাৰ পিছত সেই মাটি যদি আদানী আম্বাণীক গতাই, তেনে হ'লে ৰাজপথত আমছুৰ শক্তিৰ সম্মুখীন হ'ব লাগিব চৰকাৰ'। এই মন্তব্য আমছুৰ কেন্দ্ৰীয় সভাপতি ইমতাজ হুছেইনৰ। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্ব লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে যাতে ভাল মানুহ হিচাপে প্ৰতিষ্ঠা লাভ কৰে তাক লৈয়ো মন্তব্য কৰে আমছুৰ কেন্দ্ৰীয় সভাপতিগৰাকীয়ে। বুধবাৰে সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ (আমছু)ৰ দৰং জিলা সমিতিৰ উদ্যোগত মঙলদৈত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা অনুষ্ঠানত আমছুৰ কেন্দ্ৰীয় সভাপতি ইমতাজ হুছেইন উপস্থিত হৈ এনেদৰে মন্তব্য কৰে। মঙলদৈ যুথ ক্লাব সভাগৃহত দৰং জিলা আমছুৰ সভাপতি জিয়াউল হকৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ আঁত ধৰে দৰং জিলা আমছুৰ সাধাৰণ সম্পাদক মহিন আলীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক ছুলতান আহমেদে। অভিনন্দন অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে দৰং জিলা আমছুৰ কাৰ্যকৰী সভাপতি ছাকিব আহমেদে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৰঙৰ জিলা আয়ুক্ত আয়ুষী জৈন, আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইমতিয়াজ হুছেইন, মুখ্য উপদেষ্টা আইনুদ্দিন আহমেদ, উপদেষ্টা মণ্ডলীৰ সদস্য আব্দুৰ ৰহমান বিশ্বাস, সহকাৰী সাধাৰণ সম্পাদকদ্বয় আলেপ উদ্দিন আহমেদ, মাহবুবুল আলম, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নবীৰ আলী, শিক্ষক ৰফিকুল ইছলাম আদিয়ে শিক্ষাৰ্থীসকলক অভিনন্দন জনায়। উক্ত অনুষ্ঠানত আমছুৰ জিলা সমিতিয়ে সদ্য ঘোষিত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকত বিশেষ কৃতিত্বৰে উত্তীৰ্ণ ৪০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, জাপি, অভিনন্দন পত্ৰ আৰু এটিকৈ নাহৰ গছৰ পুলি প্ৰদান কৰি উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে।

# মঙলদৈত সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ ৰঙালী বিহু-জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ

**অসম বাৰ্তা, মঙলদৈ, ১৬ মে' ঃ** মঙলদৈ ভেবাৰঘাট কৃষ্টি সংঘৰ বাকৰিত বৃহস্পতিবাৰে অনুষ্ঠিত হয় সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ ৰঙালী বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ। ৰঙালী বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ লগত সংগতি ৰাখি দৰঙীয়া কৃষ্টি সংস্কৃতিৰে পৰিপূৰ্ণ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই ছাত্ৰ সন্থাই। শোভাযাত্ৰাত দৰঙৰ কৃষ্টি সংস্কৃতিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰে ছাত্ৰ সন্থাই। দৰং জিলাৰ বহু কেইখন চৰকাৰী বেচৰকাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে জিলা আয়ুক্ত আয়ুসী জৈনে। অনাগত দিনবোৰত ৰাইজে বিচৰা ধৰণে যাতে ছাত্ৰ সন্থাই কাম কৰি যাব পাৰে তাৰ বাবে দৰং জিলা ছাত্ৰ সন্থাই ৰাইজৰ পৰা আশীৰ্বাদ বিচাৰে। সাংস্কৃতিক শোভাযাত্ৰাত দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাত ছাত্ৰ সন্থাৰ যে ৰাইজৰ মাজত সমাদৰ আছে তাকে প্ৰতিপন্ন কৰে বুলি দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু শৰ্মাই মন্তব্য কৰাৰ লগতে কৃষি ভূমি সংৰক্ষণ, চৰকাৰী ভূমি বেদখল মুক্ত কৰা, জিলাখনত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন আৰু সুচল যাতায়াতৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়। বাৰেৰবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাত নৰ্থ ইষ্ট একাডেমীয়ে প্ৰথম স্থান, পি এম শ্ৰী মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে দ্বিতীয় স্থান আৰু ডনবস্কো হাইস্কুলে তৃতীয় স্থান লাভ কৰে। সাংস্কৃতিক শোভাযাত্ৰাটোত বিচাৰক হিচাপে আছিল অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি তথা সাংস্কৃতিক কৰ্মী, চিকিৎসক মৃণ্ময় কুমাৰ নাথ, অনাতাঁৰ গায়ক তথা ঘোষক, কণ্ঠশিল্পী প্ৰাঞ্জল শৰ্মা, বিশিষ্ট সাংস্কৃতিক কৰ্মী দ্বীপেন গগৈ, গীতিকাৰ সুৰকাৰ আব্দুল মালিক আৰু চিত্ৰনাট্যকাৰ অভিনেতা নয়নজ্যোতি কাশ্যপে। সন্ধিয়া ৬বজাৰ পৰা অনুষ্ঠিত হোৱা বিহু আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত অসমৰ বহু কেইটা জনগোষ্ঠীয় সাংস্কৃতিক দল আৰু বিহু দলে অংশগ্ৰহণ কৰে।

# অবৈধ জবাইঘৰ নিষিদ্ধকৰণৰ দাবীত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ স্মাৰক-পত্ৰ প্ৰদান

**অসম বাৰ্তা, মাকুম, ১৬ মে' ঃ** অবৈধ জবাইঘৰ আৰু খোৱাৰ অনুপযোগী ছাগলী মাংস বিক্ৰী নিষিদ্ধকৰণৰ দাবীত আজি আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, তিনিচুকীয়া জিলা সমিতিয়ে তিনিচুকীয়া জিলাৰ ডুমডুমা সমজিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ সমজিলা আয়ুক্তৰ যোগেদি জিলা আয়ুক্তলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰ প্ৰদান কৰি অসমৰ বিভিন্ন চহৰ, নগৰ আৰু গাঁও অঞ্চলত অনুমতি-পত্ৰবিহীনভাৱে গঢ়ি উঠা কসাই দোকান আৰু জবাইঘৰসমূহত স্বাস্থ্যবিধি মানি চলা নহয় বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। আনহাতে ছাগলীৰ স্বাস্থ্য পৰীক্ষা নকৰাকৈ জবাই কৰা হয় আৰু ৰোগাক্ৰান্ত, গৰ্ভৱতী অথবা পোৱালি ছাগলীও কাটি বিক্ৰী কৰাৰ অভিযোগ আছে বুলি মন্তব্য প্ৰদান কৰে। তদুপৰি ৰাজপথৰ কাষতে প্ৰকাশ্যভাৱে ছাগলী জবাই কৰি দোকানৰ সন্মুখত মাংস ওলোমাই ৰখা কাৰ্যও আইনসন্মত নহয় লগতে জবাইঘৰৰ কসাইসকলৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষা আৰু জবাইৰ বাবে অনা পশুৰ স্বাস্থ্য পৰীক্ষা বাধ্যতামূলক কৰা উচিত বুলি কয় সংগঠনটোৱে। সেয়ে সংগঠনটোৰ সভাপতি সুজিত তাঁতী আৰু সম্পাদক শুভম আগৰৱালাই সংবাদ মাধ্যমৰ জৰিয়তে আলি-পদূলিত গঢ়ি উঠা অবৈধ জবাইঘৰসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি স্বাস্থ্যসন্মত আৰু আইনসিদ্ধ ব্যৱস্থা নিশ্চিত কৰিবলৈ জিলা প্ৰশাসনক দাবী জনায়।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
সম্পাদক ঃ তনয় বৰা | মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন